


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা



একাদশ বছৰ ■ সংখ্যা ১৬৪ ■ গুৱাহাটী ■ বুধবাৰ, ২০ জানুৱাৰী, ২০২১, ৬ মাঘ, ১৯৪২ শক ■ RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মুঠ পৃষ্ঠা =১২ ■ মূল্য ঃ ৭.০০ টকা

VOL. 11 ISSUE NO. 164 Dainandin Barta ■ Guwahati, Wednesday ■ 20 January 2021 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 7.00 Only


## ১১ ফেব্ৰুৱাৰীত অসম বিধানসভাৰ অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ জানুৱাৰী ঃ** অসমৰ ৰাজ্যপাল জগদীশ মুখীয়ে অধিসূচনাযোগেৰে ১১ ফেব্ৰুৱাৰীৰ পুৱা ৯.৩০ বজাত অসম বিধান সভাৰ পৰৱৰ্তী অধিৱেশন আহ্বান কৰিছে বুলি ‘জনসংযোগ’ৰ এটা বিজ্ঞপ্তিত প্ৰকাশ।

## নাজিৰাত নাগালেণ্ডৰ ভুৱা ট্ৰেনজিট পাছ লৈ কয়লা সৰবৰাহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৯ জানুৱাৰী ঃ** উজনি অসমত একাংশ আৰক্ষী প্ৰশাসনৰ সহযোগত লগতে বন বিভাগ আৰু নাগালেণ্ডৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত অবৈধ কয়লা খনন আৰু চোৰাং বেহা অব্যাহত আছে। প্ৰশাসনৰ সোপা-ধিলা নীতিৰ সুযোগ গ্ৰহণ কৰি শিৱসাগৰ, চৰাইদেউ জিলাৰ সীমান্তৱৰ্তী নাগিনীমৰা, বিহুবৰ, গেলেকী, মথুৰাপুৰ, চুণপোৰাত গঢ়ি উঠিছে চোৰাং কয়লাৰ বৃহৎ ছিণ্ডিকেট। কমিছনৰ ক’লা ধনত অন্ধ হৈ নিজৰ কৰ্তব্য তথা সামাজিক দায়বদ্ধতা পাহৰি একাংশ ৰাজনৈতিক নেতা-পালিনেতাৰ লগত গোপন মিতিৰালিৰে জিলাখনৰ একাংশ আৰক্ষী বিষয়া, প্ৰশাসনৰ একাংশ উচ্চপদস্থ বিষয়াৰ সহযোগত সম্পূৰ্ণ মুক্তহস্তে ৰাষ্ট্ৰীয় সম্পদ কয়লাৰ লুণ্ঠনৰাজ ■ ৮ পৃষ্ঠাত

# নৱাগতক লৈ কেংগেৰু বধ নীল ভাৰতৰ

## টেষ্ট চেম্পিয়নশ্বিপৰ তালিকাৰ শীৰ্ষত ভাৰত




## অসমত আঞ্চলিকতাবাদ উত্তৰণৰ সম্ভাৱনা

■ হিতেশ গোস্বামীৰ বিশ্লেষণ

প্ৰায় পঁইত্ৰিশ বছৰৰ পিছত অসমত জাতীয়তাবাদে ঠন ধৰি উঠাৰ এক প্ৰচেষ্টাত সাৰ-পানী যোগোৱা পৰিলক্ষিত হৈছে। অসমত জাতীয়তাবাদী ৰাজনৈতিক ধাৰাটোৱে জন্মলগ্ন ১৯৮৫ চনৰ পৰা এক যুগান্তকাৰী পৰিৱৰ্তন সাধিব বুলি সেই সময়ৰ নৱ-প্ৰজন্মৰ এক দৃঢ় ধাৰণা হৈছিল যদিও নেতৃত্বৰ পৰিপক্কতা আৰু ক্ষমতাৰ উপযুক্ত ব্যৱহাৰৰ অভাৱে এই ধাৰাটোৰ পৰা অসমৰ গৰিষ্ঠসংখ্যক জনতাক আঁতৰাই আনি পুনৰ ৰাষ্ট্ৰীয় ৰাজনৈতিক ধাৰণাটোত লগ লগাই দিয়ে। অসমৰ জনসাধাৰণে সেই সময়ত আঞ্চলিক ৰাজনীতিৰ প্ৰতি উদাৰ জনমত প্ৰদান কৰি জাতীয়তাবাদী নেতাসকলক উপযুক্ত সুবিধা প্ৰদান কৰিছিল। কিন্তু আঞ্চলিকতাবাদৰ মুখ্য হোতা প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বৰ অসম গণ পৰিষদ চৰকাৰৰ সময়ত ৰাজ্যৰ অৱস্থা এনেকুৱা পৰ্যায় পালেগৈ যে উগ্ৰবাদী সমস্যা, নিবনুৱা সমস্যা, কৰ্মসংস্কৃতিৰ চৰম অৱনতি আৰু বিশৃংখল বিত্তীয় ব্যৱস্থাই ৰাজ্যখনক জুৰুলা কৰি তুলিলে। ■ ৮ পৃষ্ঠাত

## বিধায়ক ভাস্কৰ শৰ্মা মুৰ্দাবাদ ধ্বনিৰে উত্তাল মাৰ্ঘেৰিটা

জাগুনত আধাৰশিলা অনুষ্ঠানত উপস্থিত হ’বলৈ সাহস নকৰিলে ভাস্কৰ শৰ্মাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ১৯ জানুৱাৰী ঃ** ভাস্কৰ শৰ্মা মুৰ্দাবাদ ধ্বনিৰে উত্তাল হ’ল মাৰ্ঘেৰিটা। সমষ্টিটোৰ জাগুনত এক আঁচনিৰ আধাৰশিলা উদ্বোধনৰ কথা ■ ৮ পৃষ্ঠাত



■ কংগ্ৰেছ-এআইইউডিএফ-চিপিআই-চিপিআই(এম)-চিপিআই(এমএল) ঃ আঞ্চলিক গণমৰ্চাৰ বিজেপিবিৰোধী মহাজোঁট ■

# ৰাজ্যত গঠন বিজেপিবিৰোধী মহাজোঁট



**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৯ জানুৱাৰী ঃ** অৱশেষত কংগ্ৰেছৰ নেতৃত্বত ৰাজ্যত গঠন হ’ল বিজেপি মিত্ৰজোঁট বিৰোধী মহাজোঁট। অসম প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ পৰ্যবেক্ষক তথা চট্টিশগড়ৰ মুখ্যমন্ত্ৰী ভূপেশ বাঘেলা, এআইচিচিৰ সাধাৰণ সম্পাদক মুকুল ৱাচনিক, সম্পাদক চাকিল আহমেদ খানৰ উপস্থিতিত প্ৰদেশ কংগ্ৰেছৰ তত্ত্বাৱধায়ক জীতেন্দ্ৰ সিঙে এআইইউডিএফ তিনিওটা বামপন্থী দল ক্ৰমে চি পি আই, চিপিআই(এম) আৰু চিপিআই(এমএল) তথা আঞ্চলিক গণ মৰ্চাৰ সৈতে কংগ্ৰেছৰ বহু প্ৰতিক্ষিত মহাজোঁট গঠনত চীল মোহৰ মাৰি আনুষ্ঠানিকভাৱে ইয়াক ঘোষণা কৰে। ■ ৮ পৃষ্ঠাত

প্ৰদেশ কংগ্ৰেছৰ তত্ত্বাৱধায়ক জিতেন্দ্ৰ সিং, পৰ্যবেক্ষক ভূপেন বাঘেল, সাধাৰণ সম্পাদক মুকুল ৱাচনিক, সম্পাদক চাকিল আহমেদ খানৰ উপস্থিতিত মহাজোঁট গঠনত আনুষ্ঠানিক মোহৰ



## বিশিষ্ট বন্যপ্ৰাণী আলোকচিত্ৰ শিল্পী, পৰিৱেশ সংৰক্ষণবিদ দিনেশ চৌধুৰীৰ বিয়োগ

### মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ জানুৱাৰী ঃ** বিশিষ্ট বন্যপ্ৰাণী আলোকচিত্ৰ শিল্পী, পৰিৱেশ সংৰক্ষণবিদ দিনেশ চৌধুৰীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে এইগৰাকী বিশিষ্ট আলোকচিত্ৰ শিল্পীয়ে ৰাজ্যখনৰ ■ ৮ পৃষ্ঠাত

## ২৩ জানুৱাৰীত শিৱসাগৰৰ জেৰেঙা পথাৰলৈ প্ৰধানমন্ত্ৰী

### প্ৰধানমন্ত্ৰীৰ আগমনৰ পূৰ্বে জেৰেঙা পথাৰ ক্ষেত্ৰৰ অগ্ৰগতিৰ বুজ ল’লে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৯ জানুৱাৰী ঃ** ২৩ জানুৱাৰীত শিৱসাগৰৰ ঐতিহাসিক জেৰেঙা পথাৰলৈ আহিব দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ ■ ৮ পৃষ্ঠাত

## ৰূপহীহাটৰ বিজেপি কৰ্মীৰ ফেচবুক একাডণ্টৰ পৰা পাকিস্তান জিন্দাবাদ আৰু হিন্দুস্তান মুৰ্দাবাদ প’ষ্ট

গ্ৰেপ্তাৰ বিজেপি কৰ্মী ঃ বিজেপিৰ নেতা-নেত্ৰী সন্দৰ্ভতো অশ্লীল প’ষ্ট

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ জানুৱাৰী ঃ** মিজানুৰ ৰহমান নামৰ লোক এজনৰ ফেচবুক একাউণ্টৰ পাছৱৰ্ড আৰু আইডি ব্যৱহাৰ কৰি মুকছিদুল মমিন নামৰ বিজেপিৰ পালিনেতা এটাই ছ’চিয়েল মিডিয়াত ■ ৮ পৃষ্ঠাত

■ ১৩ জনীয়া নিৰ্বাচনী ইস্তাহাৰ কমিটি গঠন ■

নিৰ্বাচনলৈ সাজু বিজেপি

## ৰাইজৰ পৰামৰ্শ বিচাৰিলে দলৰ চাৰি জ্যেষ্ঠ নেতাই

### ২০১৬ৰ ভিজন ডকুমেণ্টৰ ৯০ শতাংশ প্ৰতিশ্ৰুতি পূৰণ কৰাৰ দাবীৰ বিপৰীতে সাংবাদিকৰ প্ৰশ্নত অপ্ৰস্তুত সংবাদ মেল সম্বোধনকাৰী ৰাজেন-নাৰায়ণ-বিজয়া-ৰমেন ডেকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ জানুৱাৰী ঃ** নিৰ্বাচনলৈ সাজু হৈছে শাসনাধিষ্ঠিত বিজেপি দল। ৰাজ্যৰ প্ৰান্তে-প্ৰান্তে নিৰ্বাচনত জয়লাভ কৰি ক্ষমতা পুনৰ বাৰ কুক্ষিগত কৰাৰ লক্ষ্যৰে নিৰ্বাচনী প্ৰচাৰ অভিযান তীব্ৰত্বৰ কৰাৰ সমান্তৰালকৈ বিজেপিয়ে দলটোৰ ভিজন ডকুমেন্ট প্ৰস্তুত কৰাৰ কামতো আগবাঢ়িছে। ■ ৮ পৃষ্ঠাত




## নিৰ্বাচনলৈ সাজু নিৰ্বাচন আয়োগ, ২.২৯ কোটিৰে প্ৰস্তুত ভোটাৰ তালিকা

## এবছৰতে বাঢ়িল ৬.২৯ লাখ ভোটাৰ

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৯ জানুৱাৰী ঃ** অসমত বাজি উঠিছে নিৰ্বাচনী ৰণদুন্দুভি। আগন্তুক সময়ত যিকোনো সময়তে নিৰ্বাচন অনুষ্ঠিত কৰিব পৰাকৈ সাজু কৰি তোলা হৈছে সকলো পক্ষ। ৰাজ্যত নিৰ্বাচন আয়োগৰ শীৰ্ষ প্ৰতিনিধিৰ দলে তিনিদিন বাহৰ পাতি পৰিস্থিতি পৰ্যৱেক্ষন কৰাৰ লগতে দল-সংগঠন আৰু আমোলা-বিষয়াৰ সৈতে মত বিনিময় কৰিছে। সমান্তৰালভাৱে নিৰ্বাচন আয়োগে সম্পূৰ্ণ তথা চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰি ভোট গ্ৰহণৰ ক্ষেত্ৰত এখোজ আগুৱাই যোৱাৰ ইংগিত প্ৰদান ■ ৮ পৃষ্ঠাত



■ নিৰ্বাচন আয়োগৰে বৈঠক ■

## ৰাজ্যত বিহুৰ পূৰ্বে নিৰ্বাচন অনুষ্ঠিত কৰাৰ পোষকতা ৰাজনৈতিক দলৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ জানুৱাৰী ঃ** বিহুৰ আগতেই নিৰ্বাচন অনুস্থিত কৰাৰৰ পোষকতা কৰিছে ৰাজ্যৰ সকলো ৰাজনৈতিক দলেই। গুৱাহাটী বাহৰ পাতি থকা দেশৰ মুখ্য নিৰ্বাচনী আয়ুক্ত সুনীল আৰোৰা আৰু নিৰ্বাচন আয়ুক্ত দ্বয় সুশীল চন্দ্ৰা আৰু ৰাজীৱ কুমাৰৰ সৈতে হোৱা বৈঠকত ৰাজ্যৰ ৰাজনৈতিক দল সমূহে বিহুৰ পূৰ্বেই নিৰ্বাচন অনুস্থিত কৰাৰৰ সপক্ষে মত পোষণ কৰে। কংগ্ৰেছ-বিজেপি, অগপ, এআই ইউ ডি এফ আদিকে ধৰি প্ৰায় কেইটা ৰাজনৈতিক দলেই ৰাজ্যত নিকা, যুক্ত নিৰ্বাচন অনুস্থিত হোৱাৰ ওপৰত মত পোষণ কৰে। জয়ন্ত মল্ল বৰুৱাৰ নেতৃত্বত হোৱা বিজেপি দলৰ ■ ৮ পৃষ্ঠাত

## মহাজোঁটক লৈ কংগ্ৰেছ দলৰ ভিতৰতে অথন্তৰ

সংবাদ মেলত উপস্থিত নাথাকিল সাংসদ গৌৰৱ, খালেক, প্ৰাক্তন বিধায়ক ভূপেন বৰা ঃ আধাতে সংবাদ মেল এৰিলে সুস্মিতা, ৰানাই ঃ এলাগি ৰাণী, দেৱব্ৰত

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৯ জানুৱাৰী ঃ** দীৰ্ঘদিনীয়া আলোচনা, যুক্তি-তৰ্ক, বাদ-বিসম্বাদৰ পিছত বিজেপিক উৎখাত কৰাৰ স্বাৰ্থত প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বত এআইইউডিএফসহ আন চাৰিটা ৰাজনৈতিক দলক লগত লৈ ৰাজ্যত গঠন হ’ল মহাজোঁট। আজি মহানগৰীৰ এখন হোটেলত কংগ্ৰেছৰ নেতৃত্বত এই মহাজোঁট গঠন সন্দৰ্ভত আনুষ্ঠানিকভাৱে ঘোষণা কৰে প্ৰদেশ কংগ্ৰেছৰ তত্ত্বাৱধায়ক জিতেন্দ্ৰ সিঙে ঘোষণা কৰে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুণ বৰাৰ প্ৰত্যক্ষ তৎপৰতাত গঠিত এই মহাজোঁট গঠনক লৈ মূল উদ্যোক্তা কংগ্ৰেছৰ ভিতৰ চ’ৰাতে অথন্তৰৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। আজি মহাজোঁট ■ ৮ পৃষ্ঠাত

মূলসুঁতিলৈ প্ৰত্যাৱৰ্তন কৰা এনডিএফবিৰ পূৰ্বৰ সদস্যলৈ আৰ্থিক অনুদান

## পূৰ্বৰ ভয়াৱহ ইতিহাস পাহৰি প্ৰাক্তন উগ্ৰপন্থী সদস্যসকলে এক নতুন জীৱন আৰম্ভ কৰাৰ সংকল্প ল’ব লাগিব ঃ মুখ্যমন্ত্ৰী

### প্ৰাক্তন এন ডি এফ বি সদস্যসকলৰ বিৰুদ্ধে থকা অপৰাধমূলক গোচৰৰ ক্ষিপ্ৰ নিষ্পত্তিৰ বাবে বিশেষ আদালত গঠনৰ বাবে ন্যায়ালয়ক অনুৰোধ ৰাজ্য চৰকাৰৰ ঃ প্ৰাক্তন উগ্ৰপন্থী সদস্যসকল আৰু তেওঁলোকৰ পৰিয়ালক অটল অমৃত যোজনাৰ জৰিয়তে আগবঢ়োৱা হ’ব চিকিৎসাৰ সা-সুবিধা




**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এক বিশেষ অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি মূলসুঁতিলৈ প্ৰত্যাৱৰ্তন কৰা এনডিএফবিৰ পূৰ্বৰ সদস্যসকলক আৰ্থিক অনুদান বিতৰণ কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। উল্লেখ্য, ■ ৮ পৃষ্ঠাত



প্ৰাক্-স্বাধীনতা কালৰ ৮৪ বছৰ গৰকা বৰবৰুৱাৰ ৰামেশ্বৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়

## দুজনীয়া শিক্ষকৰ পাঠদানেৰে চলিছে একাদশ আৰু দ্বাদশ শ্ৰেণীৰ পাঠদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১৯ জানুৱাৰী ঃ** ডিব্ৰুগড় জিলাৰ বৰবৰুৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত বৰবৰুৱাস্থিত ■ ৮ পৃষ্ঠাত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

২০ জানুৱাৰী, ২০২১ বুধবাৰ গুৱাহাটী ৬ মাঘ ১৯৪২ শক





অভয়াপুৰীত অসম গণ পৰিষদৰ জাতীয় ঐক্য সমাৰোহৰ বাইক ৰেলীত অংশগ্ৰহণ কৰিছে কৃষিমন্ত্ৰী অতুল বৰা আৰু জলসম্পদ মন্ত্ৰী কেশৱ মহন্তই

# ঢকুৱাখনা সমষ্টিত দুই কোটি টকীয়া খহনীয়া প্ৰতিৰোধ আঁচনিত দুৰ্নীতি-লুণ্ঠনৰ অভিযোগ

## দুৰ্নীতিবিৰোধী যুৱশক্তি অসমৰ জিলা উপায়ুক্তক শীঘ্ৰেই চৰজমীন তদন্তৰ দাবী

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ঢকুৱাখনা, ১৯ জানুৱাৰী** ঃ ২০২১ চনৰ বিধানসভা নিবাচনলৈ মাজত মাথোঁ কেইটামান মাহ বাকী থকা অৱস্থাত এতিয়া ঢকুৱাখনা সমষ্টিত অতি ক্ষিপ্ৰগতিত চলিছে বিভিন্ন উন্নয়নমূলক আঁচনিৰ কাম-কাজ। আৰু ইয়াৰ সমান্তৰালভাৱে এতিয়া ঢকুৱাখনাত বিভিন্ন উন্নয়মূলক আঁচনিৰ কাম-কাজ অলপ কৰাৰ পিছতেই আবণ্টিত পুঁজিৰ সিংহভাগ বিধায়কৰ ঘনিষ্ঠ একাংশ চৰকাৰী বিষয়া-কৰ্মচাৰী, ঠিকাদাৰ আৰু ভেণ্ডুৰৰ জৰিয়তে সৰকাই নিৰ্বাচনী পুঁজি সংগ্ৰহত গুৰুত্ব দিছে একাংশ শাসকীয় দলৰ নেতা-পালিনেতাই।' —এই অভিযোগ কৰিছে দুৰ্নীতিবিৰোধী যুৱ শক্তি অসমৰ সভাপতি ধৰ্মকান্ত গগৈৰ। দুৰ্নীতিবিৰোধী যুৱ শক্তি অসমৰ লখিমপুৰ জিলা সমিতিৰ উদ্যোগত ঢকুৱাখনাত আয়োজিত এক সংবাদ মেলযোগে সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি ধৰ্মকান্ত গগৈয়ে ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী নৱ কুমাৰ দলৈৰ গৃহ সমষ্টি ঢকুৱাখনাৰ ঘিলামৰা উন্নয়ন খণ্ডত শেহতীয়াকৈ দুখন কোটিটকীয়া গৰাখহনীয়া প্ৰতিৰোধ আঁচনিত সংঘটিত হোৱা বৃহৎ দুৰ্নীতি আৰু লুণ্ঠনৰ তথ্য সদৰী কৰে সংবাদ মাধ্যমৰ আগত। সংবাদ মেলত সংগঠনটোৱে সদৰী কৰা অনুসৰি 'ঢকুৱাখনা সমষ্টিৰ ঘিলামৰা উন্নয়ন খণ্ডৰ সোণাৰি চাপৰি গাঁও পঞ্চয়তৰ অন্তৰ্গত ৰাওনাবাৰীৰ পৰা বৰবাৰীলৈ চাৰিকড়িয়া নদীৰ খহনীয়া প্ৰতিৰোধৰ নামত তিনি (৩) কোটি টকা আৱণ্টন হৈছিল। কিন্তু বৰ্তমান ১০ শতাংশতকৈও বেছি কাম সম্পূৰ্ণ নহওঁতেই মন্ত্ৰীৰ ঘনিষ্ঠৰূপে বিবেচিত দুই ভেণ্ডুৰ বিবেকানন্দ দলে আৰু দয়ানন্দ পেগুৰ নামত ১,৯০,২১,৪০০ টকা ইতিমধ্যে মোকলাই দিলে ঘিলামৰাৰ খণ্ড উন্নয়ন বিষয়া ৰাহুল ডেকাই। উল্লেখনীয় কথাটো হ'ল যে ৰাজ্যৰ অন্যান্য ঠাইৰ পঞ্চায়তবোৰত আৰু উন্নয়ন খণ্ডসমূহত ঠিকাদাৰ, ভেণ্ডুৰক কৰা কামৰ পৰিমাণ অনুসৰি কেৱল ৫ শতাংশ বা ১০ শতাংশ আবণ্টিত পুঁজিহে মোকলাই দিছে। সেই সময়ত বিভাগীয় মন্ত্ৰীৰ সমষ্টিত একেদিনাই উল্লিখিত দুই ভেণ্ডুৰ ঠিকাদাৰৰ একাউণ্টত-৬৯,৪৪,০০০ টকা সুমুৱাই দিছে খণ্ড উন্নয়ন বিষয়াই। আনহাতে, যিটো আঁচনিৰ কাম ৩ কোটি টকাৰে কৰিবলৈ দিছিল তাত ২০ লাখ টকাৰো কাম হোৱা নাই। ইফালে অতি নিম্নমানৰ হৈছে কাম। জিঅ' বেগসমূহ বহুওবাৰ এবছৰ নহওঁতেই ফাটি -চিটি এৰি গৈছে বিভিন্ন ঠাইত।' তদুপৰি দুৰ্নীতিবিৰোধী যুৱ শক্তি অসমৰ সভাপতিগৰাকীয়ে একেটা উন্নয়ন খণ্ডৰে বৰদৈবাম গাঁও পঞ্চায়তবো চুতীয়াকাৰী পকী দলঙৰ পৰা চকলাগুৰি ঘাটলৈকে লখিমপুৰ জিলা পৰিষদৰ অধীনত খহনীয়া প্ৰতিৰোধৰ নামত আবণ্টিত হোৱা ২ কোটি টকীয়া আঁচনিখনতো দুৰ্নীতি আৰু লুণ্ঠন চলাৰ কথা সদৰী কৰে। এই আঁচনিখনৰ কাম অতি নিম্নমানৰ হোৱাৰ বাবেই নিৰ্মাণৰ এবছৰ নহওঁতেই বৰষুণৰ পানীয়ে খহাই লৈ গ'ল বহু অংশ। ইফালে কামৰ গতিও হ'ল জোৰা-টাপলি মৰা। কিছুমান বাঁহৰ গোঁজ পুতি আৰু নিম্ন মানৰ কিছুমান জিঅ' বেগ স্থাপন কৰিয়েই মন্ত্ৰীৰ ঘনিষ্ঠ ঠিকাদাৰে ইতিমধ্যে প্ৰায় এক কোটি টকা মোকলাই নিলে। এইটো কামতো ১০ লাখ টকাতকৈও বেছি কাম সম্পূৰ্ণ হোৱা নাই। সেয়ে এই সাংবাদ মেলৰ জৰিয়তে লখিমপুৰ জিলাৰ উপায়ুক্তক দুয়োখন খহনীয়া প্ৰতিৰোধ আঁচনি ৰূপায়ণতে সংঘটিত হোৱা দুৰ্নীতি-অনিয়ম সন্দৰ্ভত শীঘ্ৰেই এক উচ্চ পৰ্যায়ৰ চৰজমীন তদন্ত কৰিবলৈ দুৰ্নীতিবিৰোধী যুৱ শক্তি অসমে আহ্বান জনাইছে।

# মৈৰাবাৰীত অসম জাতীয় পৰিষদৰ গণ-সমৱেশ আৰু যোগদান সমাৰোহত অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ১৯ জানুৱাৰী** ঃ আজি মৰিগাঁও জিলাৰ মৈৰাবাৰী ইন্দিৰা ফিল্ডত ৮৩ নং ধিং বিধান সভা সমিষ্টিত অসম জাতীয় পৰিষদৰ এখন গণ সমৱেশ আৰু যোগদান সমাৰোহ সভা অনুষ্ঠিত হৈ যায়। সমাজকৰ্মী হাচেন আলীৰ সভাপতিত্বত অনুস্থিত হোৱা সভাখনত অসম জাতীয় পৰিষদৰ সম্পাদক জগদীশ ভূঞাই কয়যে- বৰ্তমান বিজেপি চৰকাৰখনৰ দিনত বস্তুৰ মূল্যই আকাশ লংঘী হল। ৰাস্তা ঘাটৰ উন্নয়ন হৈছে যদিও ধিঙৰ পৰা মৈৰাবাৰীলৈ অহা ৰাস্তাৰ অৱস্থাই উন্নয়নৰ ফোঁপোলা স্বৰূপ উদঙাই দিছে বুলিও উল্লেখ কৰে। সভাখনত অসম জাতীয় পৰিষদৰ কাৰ্যকৰী সভাপতি পবিন্দ্ৰ ডেকাই কয়যে-বৰ্তমান ৰাজনীতি মেৰু বিভাজন বিজেপি চৰকাৰখনে কৰিছে। সময় থাকোতেই অসমৰ ৰাইজে বুজা উচিত বুলি ভাষনত উল্লেখ কৰে। অসম জাতীয় পৰিষদৰ মুখপাত্ৰ জিয়াউৰ ৰহমানে কৃষকে আত্ম মৰ্য্যদা পোৱাৰ লগতে কেচা সামগ্ৰীৰ উচিত মূল্য পাইচেনে নাই বুলিও কৃষকৰ পৰা জানিব বিচাৰে। সভাখনত অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণ জ্যোতি গগৈয়ে কয়যে-এইখন শংকৰ আজানৰ দেশ। এই দেশত জাতি ভেদাভেদ ৰাজনীতি নচলিব। তেওঁ বিজেপি চৰকাৰখনক সমালোচনা কৰি লগতে আৰু কয়যে- ২০১৪চনতে স্থাপিত হোৱা মৈৰাবাৰী ইন্দোৰ ষ্টেডিয়ামটো আজিও সম্পূৰ্ণ হৈ উঠা নাই। অঞ্চলটোৰ বানপানী গৰাহত পৰি এতিয়াও বহু লোকে মাটি ভেটি হেৰুৱাইছে। এতিয়াও কিছু সংখ্যকে ৰাস্তাতে জীৱন নিৰ্বাহ কৰি দিন কটাবলগীয়া অৱস্থা হৈছে এই চৰকাৰ খনৰ দিনতেই।অসম জাতীয় পৰিষদৰ চৰকাৰ হলে কা' বাতিল কৰিব বুলিও সভাখনত উল্লেখ কৰি আৰু কয়যে -১৯৭১ চনৰ ২৫ মাৰ্চ পিছত অহা কোনো এজনো লোকক অসম দেশত



থাকিবলৈ দিয়া নহব। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়নৰ ওপৰত ভাষণ প্ৰদান কৰি এই পঞ্জীয়নত এতিয়াও বহু লোক বাদ পৰাৰ আঁৰত চৰকাৰখন বুলিও অভিযোগ তুলিছে। সমাজ কৰ্মী তথা ধিং সমষ্টিৰ অসম জাতীয় পৰিষদৰৰ দাবীদাৰ প্ৰাৰ্থী আনজাৰ হুছেইনে আঁত ধৰা সভাখনত দুলু আহমেদৰ লগতে বহু কেইজনে ভাষন প্ৰদান কৰে। এই সভাখনতেই ধিং সমষ্টিৰ অন্তৰ্গত আকজুল ইছলাম নেতৃত্বত ১৫১ জন, ৰূপহীৰ পৰা ২০জন, সিদ্ধাৰ্থ দাসৰ লগতে প্ৰায় ২০০ জনৰো অধিক লোকে অসম জাতীয় পৰিযদত যোগদান কৰে।সভা খনত প্ৰায় দুই সহস্ৰাধিক লোক উপস্থিত আছিল।

# নলিনীকান্ত বৰুৱাক অমূল্য মান্না আলোকচিত্ৰ বঁটা প্ৰদান

## ৯০ বছৰ বয়সতো মই এখন ভাল ফটো তোলাৰ আশাত ঃ নলিনীকান্ত বৰুৱা

## অমূল্য মান্না, নলিনীকান্ত বৰুৱা আদিয়ে আলোকচিত্ৰক কলালৈ ৰূপান্তৰিত কৰিছিল ঃ ড° হিতেশ ডেকা



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ জানুৱাৰী** ঃ প্ৰখ্যাত আলোকচিত্ৰশিল্পী নলিনীকান্ত বৰুৱাক আজি নগাঁৱত অমূল্য মান্না আলোকচিত্ৰ বঁটা প্ৰদান কৰা হয়। অমূল্য মান্না স্মৃতি ৰক্ষা সমিতিৰ উদ্যোগত আৰু ফটোগ্ৰাফী ইনষ্টিটিউট অৱ আছামৰ সহযোগত কিশলয় ভৱন প্ৰাংগণত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত প্ৰখ্যাত আলোকচিত্ৰশিল্পীজনক এই বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছে গামোচা, চেলেং, ফুলৰ থোপা, প্ৰশস্তি-পত্ৰ, স্মাৰক, নগদ বিশ হাজাৰ টকা। বঁটা প্ৰদান উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকাই কয়— 'আজিৰ দিনটো অসমৰ ফটোগ্ৰাফী ইতিহাসৰ বাবে উল্লেখযোগ্য দিন। অমূল্য মান্নাৰ মৃত্যু দিৱস। অমূল্য মান্না অথবা নলিনীকান্ত বৰুৱা আদিয়ে ফটো তোলাৰ সেই যুগ এতিয়া নাই। এতিয়া ডিজিটেল যুগ। আলোকচিত্ৰ এক কলা। এই কলাৰ বাবে সাধনা লাগিব। সৃজনাত্মক দৃষ্টিভংগী থাকিব লাগিব। যদি নাথাকে তেনে আলোকচিত্ৰই অধিক দূৰ যাত্ৰা কৰিব নোৱাৰে। অমূল্য মান্না, নলিনীকান্ত বৰুৱা আদিয়ে আলোকচিত্ৰক কলালৈ ৰূপান্তৰিত কৰিছিল।' তেওঁ ভাষণ প্ৰসংগত জীৱিত কালতেই বিশিষ্ট ব্যক্তিসকলক সন্মান প্ৰদানৰ আহ্বান জনায়। বঁটা প্ৰদান অমূল্য মান্না স্মৃতি ৰক্ষা সমিতিৰ হৈ বিশিষ্ট আলোকচিত্ৰ শিল্পী অমূল্য মান্নাৰ জীৱন চৰ্যা সম্পৰ্কে বৰ্ণনা কৰে স্মৃতি ৰক্ষা সমিতিৰ সম্পাদক মুকুল প্ৰসাদ বৰঠাকুৰে। ভাষণ প্ৰদানত তেওঁ অমূল্য মান্নাই 'দৈনিক অসম' কাকতত ফটো সাংবাদিকতা আৰম্ভ কৰাৰ বিষয়ে বৰ্ণনা কৰে। জ্যেষ্ঠ সাংবাদিক শৈলেন শইকীয়াই আঁত ধৰা অনুষ্ঠানত বটা গ্ৰহণ কৰি বিশিষ্ট আলোকচিত্ৰ শিল্পী নলিনীকান্ত বৰুৱাই কয় যে— 'মই ৯০ বছৰত ভৰি দিলো। কিন্তু এতিয়াও এখন ভাল ফটো তোলাৰ অপেক্ষাত আছো। মই অমূল্য মান্নাক কেতিয়াও পাহৰিব নোৱাৰো। আজি তেওঁৰ ল'ৰাই মাতি অনাত ভাল পাইছো। অমূল্য মান্নাৰ পুত্ৰই আইদেউ সন্দিকৈৰ জীৱন সম্পৰ্কীয় চলচ্চিত্ৰ নিৰ্মাণ কৰিছে। কিন্তু ৰজাঘৰৰ পৰা পাবলগীয়া উপযুক্ত সন্মান তেওঁ লাভ কৰা নাই। এইখন ৰজাঘৰৰ খেল। ইয়াত তৈল মৰ্দন কৰিলেহে সন্মান লাভ কৰিব পাৰি। আমি কামহে কৰি গৈছো।' সভাত ভাষণ প্ৰসংগত নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শৰৎ বৰকটকীয়ে অমূল্য মান্না আৰু নলিনীকান্ত বৰুৱাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ আগবাঢ়ি যাবলৈ নৱ-প্ৰজন্মৰ আলোকচিত্ৰ শিল্পীসকলক আহ্বান জনায়। সভাত অমূল্য মান্না স্মৃতি ৰক্ষা সমিতিৰ সভাপতি তথা বিশিষ্ট সাংবাদিক ড° আবু হানিফায়োও ভাষণ প্ৰদান কৰে। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়াই অমূল্য মান্নাৰ সু-পুত্ৰ, বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাতা অৰূপ মান্নাই। সভাত বিশিষ্ট সমাজসেৱী মুকুট চন্দ্ৰ ভূঞা, বিশিষ্ট গল্পকাৰ শিৱানন্দ কাকতি, ক্ৰীড়া সংগঠক উজ্জ্বল বৰুৱাৰ লগতে পাপুল বৰা, সমীৰ মহন্ত, সপোনটি বৰদলৈ, ৰতিমোহন নাথ উপস্থিত থাকে।

# অসমীয়া জাতিসত্তাৰ শেষ ভৰসা 'জাতীয় দল অসম'ৰ ৰাজনৈতিক অভিৱৰ্তন

**গুৱাহাটী, ১৯ জানুৱাৰী, ২০২১** ঃ অসমীয়া জাতিৰ অস্তিত্ব সুৰক্ষিত কৰাৰ লক্ষ্যত বিজেপিকে আদিকৰি অসমীয়া জাতিবিৰোধী দলসমূহক উৎখাত কৰাৰ বাবে সদ্য গঠিত একাধিক আঞ্চলিক ৰাজনৈতিক দল বিলাকেও অসমীয়া জাতিৰ প্ৰতি অতুলনীয় অৱদান থকা অসমৰ সকলো অঞ্চলৰ খিলঞ্জীয়া জনগোষ্ঠীক স্বাভিমানেৰে সৈতে আঁকোৱালি লোৱাৰ পৰিৱেশ পোৱা নাই। এনেস্থলত স্বৰ্গদেউ চাওলুং চুকাফাৰ আত্মীয়কৰণ আদৰ্শত সকলো উপেক্ষিত খিলঞ্জীয়া জনগোষ্ঠীক সামৰি আহোম ৰয়েল ছ'চাইটী আৰু অসম-মিঞা (অসমীয়া) পৰিষদৰ নেতৃত্বত ১৫ টাকৈ জাতীয় সংগঠনৰ উদ্যোগত ২৬ ডিচেম্বৰ, ২০২০ তাৰিখত আঞ্চলিক জাতীয়তাবাদী ধাৰাত 'জাতীয় দল অসম' নামে আঞ্চলিক দলৰ জন্ম দিয়ে। শ্ৰীযুত থানেশ্বৰ বড়ো, প্ৰাক্তন মন্ত্ৰী, অসম, শ্ৰীযুত বৈকুণ্ঠনাথ গোস্বামী, বিশিষ্ট বুদ্ধিজীৱী, শ্ৰীযুত পৃথ্বিৰাজ ৰাভা, অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক, নিয়োগ বিভাগ, শ্ৰীযুত খবিৰ আহমেদ, অৱসৰপ্ৰাপ্ত শিক্ষা সঞ্চালক (বি টি এ ডি), শ্ৰীযুত কমলা ৰাজকোঁৱৰ, সভাপতি, আহোম ৰয়েল ছ'চাইটী আদি বৰেণ্য ব্যক্তিসকলক 'জাতীয় দল অসম'ৰ উপদেষ্টা হিচাপে গ্ৰহণ কৰিছে। আনহাতে, ২৬ ডিচেম্বৰ, ২০২১ তাৰিখে 'জাতীয় দল অসম'ৰ মুখ্য আহ্বায়ক হিচাপে এম জি হাজৰিকা আৰু তনু ধাদুমীয়া আহোমক দায়িত্ব অৰ্পণ কৰাৰ উপৰিও আজি ভুৱন গগৈ (ডিব্ৰুগড়), অভিনাশ পাটনায়ক, উৎপল শইকীয়া (তিনিচুকীয়া), আলহাজ ছফিকউদ্দিন আহমেদ (শিৱসাগৰ), চন্দন কুমাৰ হাজৰিকা, শ্বেখ আব্দুল্লা বাহাৰ (নগাঁও), ৰুহুল আমিন (হোজাই), এডভোকেট নজমুল হক মাজাৰভূঞা (হাইলাকান্দি), নিবাৰণ বৰগোহাঁই, আহম্মদ আলী (কামৰূপ মহানগৰ), এডভোকেট মুজাম্মিল হুছেইন (কামৰূপ গ্ৰাম্য), ইমিছা বেগম, হাবিবুল্লাহ শ্বেখ (গোৱালপাৰা), আখেৰুজ্জামান মোল্লাহ (দক্ষিণ শালমাৰা মানকাচৰ), আব্দুল মোতলেব চৌধুৰী, ছফিউৰ ৰহমান (ধুবুৰী), ইফতাৰুল ইছলাম পৰামানিক (বিলাসীপাৰা), জুলহাস আলী, মাইনউদ্দিন মণ্ডল (কোকৰাঝাৰ), আবুল কাছেম, নৌশ্বাদ আলী খান, অমৰ দাস, দানেশ আলী, ছিৰাজুল হক (বৰপেটা), বিনোদ কুমাৰ ব্ৰহ্ম (বঙাইগাঁও), গৌতম বড়ো (বাক্সা)ক জিলাভিত্তিক আহ্বায়ক হিচাপে দায়িত্ব অৰ্পণ কৰে। উল্লেখ্য, বিজেপি চৰকাৰে একমাত্ৰ বিদেশীৰ ভোটৰ লালসাত নাগৰিকত্ব সংশোধনী আইন (কা) জাপি দি অসমীয়া জাতি, ভাষা-সংস্কৃতি, অস্তিত্বৰ প্ৰতি চৰম ভাবুকি সৃষ্টি কৰাৰ উপৰি এটা এটাকৈ ৰাজহুৱা সম্পদ ব্যক্তিগত খণ্ডৰ ওচৰত গতাই দিয়াৰ পিছত সমগ্ৰ দেশখনকে বিক্ৰী কৰাৰ ফালে আগবাঢ়িছে। আনহাতে, নিজৰ ব্যৰ্থতা ঢাকিবলৈ আৰু গোপন এজেণ্ডা ৰূপায়ণ কৰিবলৈ বিজেপিয়ে প্ৰাক




স্বাধীনতাৰ উত্তৰ পুৰুষ কামৰূপ কমতাপুৰী জনজাতি মূলীয় মুছলমানক তুচ্ছ-তাচ্ছিল্যৰে অসমীয়া জাতিৰ পৰা আঁতৰাই পঠোৱাৰ টাৰ্গেট কৰাৰ সমান্তৰালকৈ জাতীয় জীৱনৰ মাজত ব্লেকমেইলিঙৰ সস্তীয়া ৰাজনীতিৰে মুনাফা লুটি আহিছে। ইয়াতে উল্লেখ্য যে স্বাধীনোত্তৰ কালৰে পৰা Immigrant Expulsion Act (IEA), Pakistani Infiltration Prevention (PIP) আঁচনি, ১৯৫০ৰ বায়ত, ১৯৮৩ৰ নেলী, ১৯৯৩-৯৫, ২০১২-১৪ৰ কোকৰাঝাৰ, বঙাইগাঁও, বৰপেটা, ঘাগ্ৰাপাৰ, ননকে কাণ্ড, চলো পালটাই, এন আৰ চি কাণ্ড অৰ্থাৎ এক ৰাতিৰ ভিতৰতে ২.৬ লাখৰ বিৰুদ্ধে নটিছ দি ৪/৫ শ কিলোমিটাৰ দূৰত হিয়াৰিং পতা আদি বিভিন্ন পন্থাৰে মুছলমানক অসমীয়া জাতিৰ পৰা আঁতৰাই পঠোৱাৰ বিভিন্ন আঁচনি লোৱা হৈছে যদিও তেওঁলোকে আঁতৰি যোৱা নাই। ফলত জাতিক দুফাল কৰিব পৰা নাই আৰু নোৱাৰেও। কিয়নো মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে কোচবিহাৰত থাকি ৰচনা কৰা কাব্যবোৰত ব্যৱহৃত ভাষাৰ বহুলাংশে মুছলমান সকলৰ ঘৰুৱা কামৰূপী দোৱানত আজিও প্ৰতিফলন হৈ আছে। মন কৰিবলগীয়া যে একেই মূল উৎস কামৰূপী দোৱানৰ পৰাই পশ্চিমফালে বাংলা আৰু পূবফালে অসমীয়া ভাষাই বিকাশ লাভ কৰিছে। সেয়ে মুছলমানসকল স্বাভাৱিকভাৱেই অসমীয়া জাতি, ভাষা-সংস্কৃতিত লীন হৈ যায়। ইয়াৰ উপৰি শ্ৰীমন্ত শংকৰদেৱে ছকুৰি ছটা ফৈদক আকোৱালি লোৱাৰ মহামিলনৰ পৰম্পৰাৰ আধাৰতে গঢ় লৈ উঠা সামাজিক আত্মীয়তাৰ মাজেদি মুছলমানসকল অসমীয়াত জাহ গৈছে। ইতিহাস সাক্ষী ১৮৯৯ চনতে অসমীয়া মাধ্যমৰ মৈৰাবাৰী বালক নিম্ন বুনিয়াদি বিদ্যালয় প্ৰতিষ্ঠা কৰিছে। অসম সাহিত্য সভাৰ জন্মলগ্ন ১৯১৭ চনৰ পৰাই নগাঁও জিলাৰ ওচমান আলী সদাগৰকে আদি কৰি মুছলিম সমাজে ধনে-জনে সকলো দিশৰ পৰাই সহযোগিতা আগবঢ়াই আহিছে। তেওঁলোকে মাথোন ভাৰত বিভাজনৰ বিৰোধিতা কৰাতেই ক্ষান্ত নাছিল; বৰং ১৯৪৬ চনত জননেতা ভীমবৰ দেউৰী আৰু অসম বিধানসভাৰ তদানীন্তন অধ্যক্ষ আমিৰুদ্দিন মুক্তিয়াৰৰ অক্লান্ত প্ৰচেষ্টাত ২৪ জন মিঞা বিধায়কে অসমক জনজাতি অঞ্চল হিচাপে পাকিস্তানৰ লগত চামিল কৰিব নালাগে বুলি উত্থাপন কৰা প্ৰস্তাৱ মৰ্মে অসম ভাৰতৰ লগত থাকি গ'ল। মুছলমান সকলে অসমক পশ্চিম বংগৰ লগত চামিল হোৱাৰ পৰা ৰক্ষা কৰিছে। তেওঁলোকৰ অতুলনীয় অৱদানৰ বাবেই অসমীয়াভাষীৰ সংখ্যা ৩১ ৰ পৰা ৬২ শতাংশলৈ বৃদ্ধিৰে অসমীয়াক সংখ্যাগুৰু জাতি হিচাপে প্ৰতিষ্ঠা কৰিছে। শ্বহীদ হৈ অসমীয়াক ৰাজ্যিক আৰু মাধ্যম ভাষা হিচাপে প্ৰতিষ্ঠা কৰিছে। এইদৰে পূৰ্ব পুৰুষৰ উল্লিখিত জাতীয়তাবাদী ধাৰা অব্যাহত ৰাখি অসম মিঞা (অসমীয়া) পৰিষদে মৃত্যুক বাজি কৰি হ'লেও প্ৰতিকূল পৰিৱেশত জাতিক দ্বিখণ্ডিত কৰি ৰখা আই এম ডি টি আইন বাতিল, এন আৰ চি উন্নীতকৰণ, এন আৰ চিৰ পাইলট প্ৰজেক্ট সফল কৰা, বিদেশী বহিষ্কাৰ, কেব্-কা বিৰোধী আদি আন্দোলনত মুছলিম সমাজক নেতৃত্ব দি আহিছে। খিলঞ্জীয়া মিঞাক বাংলাদেশীৰ সন্দেহত কাণত ধৰাই আঁঠুকঢ়াই অপমান-হাৰাশাস্তিৰে পুলিচক গতাই দিয়া সকলক সেই ভুলবোৰ ভাঙি দি আজি তেওঁলোকৰ লগতো সমন্বয়-সম্প্ৰীতিৰে আগবাঢ়িছে। আনহাতে, আহোম ৰয়েল ছ'চাইটীৰ আত্মীয়কৰণ অভিযানৰ লগত লগ লাগি উজনি-নামনি একাকাৰ কৰি অসমীয়া জাতিৰ ভেটি সুদৃঢ় কৰি আহিছে। এনেস্থলত আঞ্চলিক জাতীয়তাবাদী ধাৰাক অধিক শক্তিশালী কৰিবলৈ অহা ২৮ জানুৱাৰী, ২০২১ তাৰিখে গুৱাহাটীৰ দীঘলী পুখুৰীস্থ অসম সাহিত্য সভা ভৱনৰ জয়ন্ত কুমাৰ-লখিমী বৰুৱা সদনত দিনৰ ১১ বজাৰ পৰা ৩ বজালৈ 'জাতীয় দল অসম'ৰ প্ৰথম ৰাজনৈতিক অভিৱৰ্তন অনুষ্ঠিত কৰিবলৈ লৈছে। সেয়ে অসমীয়া জাতিপ্ৰেমী সচেতন ব্যক্তিক উক্ত অভিৱৰ্তনত যোগদান কৰিবলৈ আহ্বান জনাইছে।

# বিশ্বনাথ জিলা ভাৰতীয় জনতা পাৰ্টীৰ উদ্যোগত বৰগাঙত বিশেষ সাংগঠনিক সভা

**দৈনন্দিন বাৰ্তা বিশেষ সেৱা বিশ্বনাথ চাৰিআলি, ১৯ জানুৱাৰী** ঃ সোমবাৰে বিশ্বনাথ জিলাৰ বিহালী সমষ্টিৰ বৰগাং ৰঙ্গমঞ্চত ভাৰতীয় জনতা পাৰ্টি,বিশ্বনাথ জিলাৰ উদ্যোগত এখন বিশেষ সাংগঠনিক সভা অনুষ্ঠিত হৈ যায় । বিয়লি প্ৰায় ৩ মান বজাৰ পৰা আৰম্ভ হোৱা বিশেষ সাংগঠনিক সভাত উত্তৰ-পূৰ্বাঞ্চলৰ সাংগঠনিক সাধাৰণ সম্পাদক অজয় জামৱাল আৰু ভাৰতীয় জনতা পাৰ্টি,অসম প্ৰদেশৰ সহঃপ্ৰভাৰী পৱন শৰ্মা উপস্থিত থাকে । ভাৰতীয় জনতা পাৰ্টিৰ বিশ্বনাথ জিলাৰ সভাপতি দিগন্ত ঘাটোৱাৰ সভাপতিত্বত অনুষ্ঠিত সভা খনত উপস্থিত থাকে বিহালী সমষ্টিৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী ৰঞ্জিত দত্ত,তেজপুৰ লোকসভা সমষ্টিৰ সন্মানীয় সাংসদ পল্লব লোচন দাস,বিশ্বনাথ ৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ চতিয়া বিধায়ক পদ্ম হাজৰিকা গহপুৰৰ বিধায়ক উৎপল বৰা লগতে ,পৰিবহণ নিগমৰ অধ্যক্ষ অশোক ভট্টৰায়। ইফালে এই বিশেষ সাংগঠনিক সভি খনত জিলা খনত আগন্তুক কি দৰে দলটো কাম কাজৰ জৰিয়তে আগুৱাই নিয়া হৈছিল তাৰ ওপৰত বিশেষ ভাৱে আলোচনা কৰা হয় বুলি জানিব পৰা গৈছে। লগতে উত্তৰ পূৰ্বাঞ্চলৰ সাংগঠনিক সাধাৰণ সম্পাদকে জিলা খনৰ দলীয় নেতৃত্বৰ লগত মত-বিনিময়ৰ কৰে বুলি জানিব পৰা গৈছে।

**এমিনেছ & প্লাষ্টিছাইজাৰ্ছ লিঃ**

পঞ্জীয়ন কাৰ্যালয় ঃ পোৱাল এনক্লেভ, প্ৰযত্নেঃ প্ৰণতি বিল্ডাৰ্ছ
প্ৰাঃ লিঃ, প্ৰিন্সিপাল জে. বি. ৰোড, চেনিকুঠি
গুৱাহাটী, অসম ৭৮১০০৩
ক'ৰ্পৰেট কাৰ্যালয় ঃ 'ডি' বিল্ডিং, ষষ্ঠ মহলা, শিৱসাগৰ
ইষ্টেট, ড° এন্নি বেছাণ্ট ৰোড, উৰ্লি
মুম্বাই- ৪০০ ০১৮, ফোন ঃ ০২২ ২৪৯৩৫২৮২
চি আই এন ঃ এল ২৪২২৯ এএছ ১৯৭৩ পি এল চি ০০১৪৪৬
ৱেবচাইট ঃ www.amines.com
ই-মেইল ঃ legal@amines.com

**জাননী**

এই জাননীৰ জৰিয়তে অৱগত কৰা হ'ল যে ছেবি(লিষ্টিং অব্লিগেছন্স এণ্ড ডিছক্লজাৰ ৰিকুৱাৰমেন্‌ছ) ৰেগুলেচনছ-২০১৫ ৰ বিধি-২৯ পঢ়ি উঠি বিধি-৪৭ অনুসৰি কোম্পানীৰ সঞ্চালক মণ্ডলিৰ এখন বৈঠক অহা ১ ফেব্ৰুৱাৰী, ২০২১ তাৰিখ সোমবাৰে বিয়লি ৩.৩০ বজাত কোম্পানীৰ মুম্বাইস্থিত ক'ৰ্পৰেট কাৰ্যালয়ত আহ্বান কৰা হৈছে। এই সভাত ২০২০ বৰ্ষৰ ৩১ ডিচেম্বৰত সমাপ্ত তৃতীয় ত্ৰৈমাসিক আৰু ৯ মাহৰ ষ্টেণ্ডালোন আৰু কনচলিডেটেড আন-অডিটেড বিত্তীয় ফলাফলসমূহৰ বিবেচনা আৰু অনুমোদন জনোৱা হ'ব। ইয়াৰ বাবে ট্ৰেডিং উইন্ডো' বন্ধ আছে ১ জানুৱাৰী, ২০২১ ৰ পৰা ৩ ফেব্ৰুৱাৰী ২০২১ লৈ কোম্পানীৰ বিত্তীয় লেনদেনৰ সুৰক্ষাৰ বাবে। এই জাননী উপলব্ধ আছে কোম্পানীৰ ৱেবছাইট www.amines.com ত আৰু বিএছই লিঃৰ ৱেবছাইট www.bseindia.com ত।

এমিনেছ & প্লাষ্টিছাইজাৰ্ছ লিঃৰ হৈ
স্বাক্ষৰ/-
অজয় পুৰানিক
সভাপতি-লিগেল আৰু কোম্পানী সচিব

স্থান ঃ মুম্বাই
তাৰিখ ঃ ১৮. ০১. ২০২১

# নগাঁৱত কেইবা শতাধিক লোকৰ বিজেপিত যোগদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ জানুৱাৰী** ঃ বিগত কিছুদিন ধৰি নগাঁও সদৰ সমষ্টিত কংগ্ৰেছকে ধৰি আন দলৰ পৰা বিজেপিত যোগদান পৰ্ব অব্যাহত আছে। বিশেষকৈ বিগত সময়চোৱাত বিধায়ক ৰূপক শৰ্মাই সমষ্টিটোৰ সৰ্বস্তৰৰ লোকৰ সামগ্ৰিক উন্নয়নত আকৃষ্ট হৈ সমষ্টিটোত বিজেপিত যোগদান কৰা লোকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক সমিতিৰ লক্ষ্য "মিছন ১০০" সফল কৰাৰ উদ্দেশ্য কালি সন্ধিয়া নগাঁও সদৰ সমষ্টিৰ ফৌজাদাৰপট্টি সহিত দক্ষিণ পাট স্টেন্ডৰ সমীপত সহস্ৰাধিক ৰাইজৰ উপস্থিতিত অনুষ্ঠিত ৰাজহুৱা এখন সভাত বিভিন্ন দলৰ পৰা অহা কেইবাশতাধিক লোকে ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰে।যোগদান সভাখনত উপস্থিত থাকি বিধায়ক ৰূপক শৰ্মাই ভাষণ প্ৰসংগত কয় যে ,"নগাঁও সদৰ সমষ্টিৰ সামগ্ৰিক উন্নয়ন আৰু ভাৰতীয় জনতা পাৰ্টিৰ নীতি আৰ্দশৰ প্ৰতি আকৃষ্ট হৈ বিভিন্ন দলৰ বহু সংখ্যক নেতা,কৰ্মীয়ে বিগত দিন সমূহত বিজেপি দলত যোগদান কৰি আহিছে। আজিও আমাৰ দলৰ নীতি আৰ্দশৰ প্ৰতি আকৃষ্ট হৈ বিভিন্ন দল ত্যাগ কৰি কেইবাশতাধিক লোকে বিজেপি দলত যোগদান কৰিছে। বিজেপি দললৈ আগমন ঘটা প্ৰত্যেক গৰাকী সদস্যক আমাৰ ফালৰ পৰা উস্ম আদৰণি জনাইছো ।আশাকৰো এইসকল নতুন সদস্যৰ অন্তৰ্ভুক্তিয়ে অনাগত দিনত বিজেপি দলৰ ভেটি আৰু অধিক শক্তিশালী কৰি তুলিব ।লগতে তেওঁ কয় যে কংগ্ৰেছৰ ১৫ বছৰীয়া শাসন কালত সদৰ সমষ্টিৰ উন্নয়ন কেৱল আধাৰশিলাতহে সীমাবদ্ধ আছিল। কিন্তু এতিয়া আধাৰশিলা নহয়, কামৰ শুভ উদ্বোধনহে হৈ আছে ।নগাঁও সদৰ সমষ্টিত বিগত চাৰিটা বছৰে যিমান উন্নয়ন হৈছে, পূৰ্বৰ চৰকাৰৰ দিনত এনেধৰণৰ উন্নয়ন হোৱা নাছিল।"

**GNRC**

*Quality • Value • Trust*

GNRC, the largest Tertiary care Superspeciality Hospital Group located in Guwahati, is pleased to announce admissions for the following Paramedical Diploma Courses under **Srimanta Sankardeva University of Health Sciences, Guwahati.**

1. 2 years Diploma in Medical Laboratory Technology (DMLT).
2. 2 years Diploma in Medical Radiographic Technology & MRI & CT Scan Technology.
3. 2 years Diploma in Cardiac Care Technology (DCCT).
4. 2 years Diploma in Physiotherapy (DPT).
5. 2 years Diploma in ICU Technology.
6. 2 years Diploma in Physician Assistant Course.
7. 2 years Diploma in Emergency and First Aid.
8. 2 years Diploma in Anaesthesia and O.T. Technician Course.

- Minimum Education/Qualification : **HS (Science) Passed.**
- Successful candidates would be absorbed in GNRC subject to availability of posts.
- Interested candidates may apply on or before 31st January, 2021.
- After completion of the Diploma, the candidates would be eligible to be employed in respective disciplines in any Organisation/Government.

**Interested candidates may apply to GNRC Hospitals, Dispur, Guwahati-781006**
**Ph. : 7002343063**
**E-mail : imahs@gnrchospitals.com**
**website : www.gnrchospitals.com**

NO. MGWRD/W-13/Pt-V/2020/8813

**SHORT NOTICE INVITING TENDER**

Sealed tenders in plain paper affixing non refundable court fee stamps of worth Rs. 8.25 (Rupees eight and paisa twenty five) only eventually to be drawn up in APWD F2/k-2/H form whichever is applicable hereby invited from the registered Contractors of this Department and will be received up to 2 P.M. on 01.02.2021 in the office of the undersigned and will be opened at the same date, time and place. If the date of opening tender happens to be a holiday/Band or it is not possible to receive tender on the stipulated date for any unforeseen reason, the next working day will be considered as the last date for receipt and opening of tender in presence of the contractor or their representative, if any.

| Sl no | Name of scheme | Amount | |
|---|---|---|---|
| 1 | M&R to IB at Dharamtul under Morigaon WR Division for 2020-21 | Rs 48.54 Lakhs | |
| 2 | M&R to Boundary wall and approach road at Dharamtul IB for 2020-21 | Rs 17.94 Lakhs | |
| 3 | M&R to Site Camp at Dharamtul under Morigaon WR Division for 2020-21 | Rs 22.97 Lakhs | |
| 4 | M&R to Renovation of Morigaon SO's Quarter & EE's Quarter for the year 2020-21 | Rs 10.50 Lakhs | |
| 5 | M&R to Boundary wall fencing and site development at Hatbor under Morigaon WR Division for the year 2020-21 | Rs 6.00 Lakhs | |
| 6 | M&R to construction of rest house at Morigaon W.R. Division campus Ph-II for the year 2020-21 | Rs 7.39 Lakhs | |

**Earnest Money** :- 2% of the Value of work (1% for SC/ST)
**Time of completion** :- 60 (sixty) days from the date of issue of work order.

Details of specification, tender form etc. for the work may be seen or collected from the office of the Executive Engineer, Morigaon Water Resources Division, Morigaon on any working days during office hours up to 1.00 PM of closing date in the office of the undersigned.

**Terms and Conditions:**

1. No tools and plants will be issued to the contractor by the Department.
2. The rate should be quoted item wise both in figures clearly and legibly inclusive of all taxes.
3. The undersigned does not bind himself to accept the lowest tender and reserves the right to reject or accept any or all tenders without assigning any reasons thereof.
4. The work order will liable to be cancelled at any time in case of failure to complete the work in time.
5. All terms and condition will be as per APWD F2/k-2/H form.
6. Payment will be made as per availability of fund received from the Govt, under proper head of account.
7. Rate could be quoted item wise for items not covered by the schedule of rate also.
8. Amount/Quantity may vary as per sanctioned Estimate.

Sd/-
Executive Engineer
Morigaon W.R. Division Morigaon

Janasanyog/C/10383/20

দৈনন্দিন বাৰ্তা
সম্পাদকীয়
২০ জানুৱাৰী ■২০২১■ ৬ মাঘ ■গুৱাহাটী

# বিধায়কৰ ব্যৰ্থতা আৰু বিজেপি দলৰ সংকট

নিৰ্বাচনী বতৰা ইতিমধ্যে ক্ৰমে জোৰদাৰ হ'বলৈ আৰম্ভ কৰিছে। সেয়েহে প্ৰতিটো ৰাজনৈতিক দলতে প্ৰাৰ্থিত্বকেন্দ্ৰিক সংঘাত তীব্ৰৰ পৰা তীব্ৰতৰ হৈ উঠিছে। ৰাজ্যখনত সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন বিজেপি মৰ্চা চৰকাৰখনে সকলো ফালৰ পৰা সফলতা প্ৰদৰ্শন কৰিবলৈ সক্ষম বুলি দাবী কৰিছে। কিন্তু এয়া সত্য নহয় কাৰণ মুখ্যমন্ত্ৰীগৰাকীয়ে দলীয় নেতা-কৰ্মী আৰু বিধায়কসকলৰ প্ৰতি জনোৱা আৱেদনে প্ৰকট কৰিছে যে দলত যোগ্য প্ৰাৰ্থিত্বকেন্দ্ৰিক বাদ-বিসম্বাদে ওলট-পালট কৰিছে। উপায়হীন মুখ্যমন্ত্ৰীগৰাকীয়ে সকলোকে সেৱাৰ মনোভাবেৰে দলৰ কামত সহযোগ কৰিবলৈ আহ্বান জনাইছে। লগতে ইয়াকো কৈছে যে সিসকলে প্ৰাৰ্থিত্ব লাভ নকৰিব, তেওঁ অসন্তুষ্টি প্ৰকাশ নকৰি দলৰ আৰু দেশৰ হৈ সেৱাৰ মনোভাবেৰে কাম কৰিব লাগে। লগতে তেওঁ ইয়াকো ইংগিত দিয়ে যে অহা নিৰ্বাচনত বিজেপিৰ ৫০ শতাংশ বিধায়কে প্ৰাৰ্থিত্ব লাভ নকৰে। অৰ্থাৎ ৫০ শতাংশ নতুন লোকক প্ৰাৰ্থী হিচাপে নিৰ্বাচনত অৱতীৰ্ণ কৰাব দলটোৱে। কাৰণ এইসকল বিধায়কে সমষ্টিত উন্নয়ন সাধিব পৰা নাই। তেওঁলোকে সমষ্টিত জনসাধাৰণৰ লগত সম্পৰ্ক ৰক্ষা নকৰি বিচ্ছিন্ন হৈ আছিল। অৰ্থাৎ ৫০ শতাংশ বিধায়কে সমষ্টিৰ উন্নয়ন সাধিব পৰা নাই, সেইখন চৰকাৰে সফলতা নকৰাটো স্বাভাৱিক। ইতিমধ্যে এইসকল বিধায়কক প্ৰাৰ্থিত্ব যোগোৱাৰ কথাৰো ইংগিত দিছে। সেয়েহে সামগ্ৰিকভাৱে এয়া ব্যৰ্থতাৰেই নামান্তৰ। এনে অৱস্থাত প্ৰাৰ্থিত্ব বঞ্চিত বিধায়কৰ একাংশই নিৰ্দলীয় হিচাপে পুনৰ প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সাজু হৈছে। আন একাংশই কংগ্ৰেছ বা অসম জাতীয় পৰিষদৰ স'তে যোগাযোগ কৰিছে। এনে সন্ধিক্ষণত এইসকলক দল ত্যাগ নকৰি দলৰ হৈ কাম কৰিবলৈ ঊৰ্দ্ধতন কৰ্তৃপক্ষই অনুৰোধ কৰা বুলি বাতৰিত প্ৰকাশ। নাচোৰ বান্দা এইসকলে প্ৰাৰ্থিত্ব নাপালেও নিৰ্বাচন খেলাটো খাটাং বুলি জনাইছে। বহু সমষ্টিত একাধিক প্ৰাৰ্থীৰ আৱিৰ্ভাৱ হৈছে কাৰণেই সমষ্টি অগপক নিদিবলৈ অনুৰোধ জনাইছে। এনে অৱস্থাত বিজেপিয়ে অগপৰ লগত বুজাবুজি কৰি সমষ্টিবোৰ অগপই এৰিব লাগে তেন্তে অসন্তুষ্টসকলে আন দল অৰ্থাৎ অসম জাতীয় পৰিষদৰ হৈ নিৰ্বাচন খেলিবলৈ সাজু। এনেবোৰ কাৰণতে দলটোৱে চিন্তিত হৈ চৰকাৰ গঠনৰ পাছত বিভিন্ন নিকায়-নিগমৰ টোপ দিছে। কথা হ'ল কেইগৰাকীক দিব সেয়া এতিয়াই কোৱা টান। নিৰ্বাচনী ৰাজনীতিত প্ৰত্যাশীৰ ক্ষোভ আৰু বিদ্ৰোহৰ পৰা পৰিত্ৰাণ পোৱাৰ সম্ভাৱনা ক্ষীণ। দলৰ ক্ষতিৰ কথা ভাবিয়েই মুখ্যমন্ত্ৰীগৰাকীয়ে বিজেপিক আসনত বহুওৱাৰ ওপৰত গুৰুত্ব দিছে। প্ৰাৰ্থীৰ বাবে অসন্তুষ্ট হৈ দলৰ ক্ষতি নকৰিবলৈয়ে আৱেদন জনাইছে। ই অতি গুৰুত্বপূৰ্ণ কথা। এইক্ষেত্ৰত হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ অনুৰাগীক প্ৰাৰ্থিত্ব জোৰদাৰ চেষ্টা চলাব। অৱশ্যে এই ৰাজনীতি কিমান দূৰ সক্ষম হ'ব কোৱা টান। আনহাতে, মুখ্যমন্ত্ৰী সোণোৱালে নিজৰ ঘনিষ্ঠক প্ৰাৰ্থিত্ব দি বিধায়ক জয়ী কৰাই আনি দল আৰু চৰকাৰত নিজৰ স্থিতি মজবুত কৰাৰ চেষ্টা নচলাব বুলি ক'ব নোৱাৰি। সকলো নিৰ্ভৰ কৰিব কেন্দ্ৰীয় নেতৃত্বৰ ওপৰতেই। লগতে সকলো সমাধান দিব ভোটাৰ ৰাইজে - মাথোঁ কিছু অপেক্ষা।

## সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

# গ্লেমাৰ থকা মানুহৰ থৰক-বৰক কথা

অসমত এতিয়া বিধানসভা নিৰ্বাচনৰ বতাহ বলিছে। নতুন নতুন দল আহিছে, নতুন নেতা আহিছে, পুৰণি নেতাই দল সলাইছে, বিভিন্ন আঁচনি-প্ৰলোভনৰ চৰ্চা চলিছে। মুঠতে ভোটাৰক আকৰ্ষণ কৰা আৰু নিজৰ স্বাৰ্থসিদ্ধিৰ এক বিয়াগোম কাৰবাৰ। অৱশ্যে প্ৰতিবাৰ নিৰ্বাচনৰ আগমুহূৰ্তত এনে পৰিৱেশ আমাৰ চিনাকি। যোৱা বছৰৰ প্ৰথম ভাগলৈ ভাব হৈছিল নাগৰিকত্ব সংশোধনী আইনখনে এইবাৰৰ নিৰ্বাচনত কিছু প্ৰভাৱ পেলাব। আমাৰ তথাকথিত গ্লেমাৰ থকা বহু লোকেও সমাজৰ আগত এই আইনৰ বিৰোধিতা কৰি তাল-আফাল কৰা আমাৰ মনত আছে। জাতীয়তাবোধ থকা অসমীয়াখিনিক বাদ দি যুৱ সমাজৰ বহুতেই এই গ্লেমাৰাৰ্হ লোকসকলক অনুসৰণ কৰি অসমৰ স্বাৰ্থত এই আইনৰ বিৰোধিতা কৰিছিল। কিন্তু তাৰ কিছুদিনৰ পাছতে 'কা' আন্দোলনক সাংস্কৃতিক অনুষ্ঠানলৈ ৰূপান্তৰ কৰা সৰহসংখ্যকে নিজৰ স্বৰূপ দেখুৱাই দিলে। তথাপি বাকী ৰোৱাসকলক লৈ আমি আশাবাদী আছিলোঁ। তেওঁলোকে নিজৰ স্থিতিৰ লগত আপোচ নকৰে বুলি বিশ্বাস আছিল। যোৱা কেইদিনমানত তেওঁলোকৰো বহুতৰ সুৰ সলনি হোৱা দেখি আছোঁ। তেওঁলোকৰ এনে ৰূপ দেখি আমি কিছু হতভম্ব হৈছোঁ। বিভিন্ন ক্ষেত্ৰত তেওঁলোকৰ অৱদানৰ কথা স্বীকাৰ কৰি তেওঁলোকক বেয়াকৈ ক'ব আমাৰ মন নাযায়। তেওঁলোকৰ প্ৰতিভাক সন্মান জনাই কিছু কথা আমাৰ ক'ব লগা নিশ্চয় আছে। প্ৰথম কথা আপোনালোকক আমি শিল্পীৰ শাৰীত ৰাখিব অসুবিধা পাইছো। আপোনালোক গ্লেমাৰযুক্ত এণ্টাৰটেইনাৰ। দ্বিতীয় কথা যদি কিবা পোৱাৰ আশাত নিজৰ ৰূপ সলাইছে তেন্তে আপোনালোকৰ এই গ্লেমাৰৰ একো মূল্য নাই। তৃতীয় কথা যদি সঁচাকৈয়ে আমি ভবাৰ দৰে অকল ৰাইজৰ আস্থা বুটলিবলৈ আন্দোলনত টেঁটু ফালিছিল, তেতিয়া হ'লে আপোনালোকৰ ব্যক্তিত্বৰ কিছু শুধৰণিৰ প্ৰয়োজন আছে। আপোনালোকৰ বাবে অসমৰ উঠি অহা চামৰ নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে কৰা কোনো গণতান্ত্ৰিক আন্দোলনৰ প্ৰতি বিশ্বাস নোহোৱা হৈ যাব। কাকো তেওঁলোকে বিশ্বাসত ল'ব নোৱৰা হ'ব। গতিকে অন্ততঃ ছাত্ৰ সমাজে নেতৃত্ব দিয়া কাৰ্যসূচীবোৰ আপোনালোকে স্ব-ইচ্ছাই বৰ্জন কৰিব বুলি আমি আশা কৰিছো। আপোনালোকক সাংস্কৃতিক অনুষ্ঠানলৈ এনেও অসমৰ ৰাইজে মাতি গামোচা পিন্ধাব। পাৰে যদি প্ৰকৃত শিল্পী হৈ ৰাইজৰ বুকুত ঠাই লোৱাৰ চেষ্টা কৰক।

■ ডাঃ প্ৰণৱ চক্ৰৱৰ্তী
ফোন ঃ ৯৮৬৪১-৪৯৬৬৪

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**
'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

# কৰ'নাই অসমত বঢ়ালে নেকি হিন্দু-মুছলমানৰ দূৰত্ব



■ অমল চন্দ্ৰ কোঁৱৰ

কৰ'না। এক ভয়ংকৰ শব্দ। যাক লৈ এতিয়া সমগ্ৰ বিশ্ব ত্ৰাসিত। অসমত কিন্তু এই কথাও অপ্ৰিয় সত্য যে এই কৰ'না ভাইৰাছে হিন্দু আৰু মুছলমানৰ দূৰত্ব বহু পৰিমাণে বঢ়ালে। সকলোৱে জানে দিল্লীৰ নিজামুদ্দিনত তবলিগি কৰিবলৈ যোৱা লোকসকলে সমগ্ৰ অসমখনতেই প্ৰথম অৱস্থাত কৰ'নাত আক্ৰান্ত কৰিলে। যাৰ বাবে অসমত লকডাউন দিব লগা এটা অৱস্থা হ'লগৈ। আনহাতে, এইসকল ধৰ্ম কৰিবলৈ যোৱা লোকে নিজৰ শৰীৰত ভয়ানক কৰ'না ভাইৰাছ লৈ আহি চিকিৎসা গ্ৰহণ কৰাৰ বিপৰীতে কিন্তু পলাইহে ফুৰিছিল, যাৰ বাবেই অসমৰ পৰিস্থিতি ক্ৰমান্বয়ে বেয়াৰ ফালে গতি কৰিছিল। এটা এটাকৈ ক'ভিড-১৯ পজিটিভ ওলাব ধৰিলে এই নিজামুদ্দিনলৈ তবলিগি কৰিবলৈ যোৱা লোকসকলৰ। ইয়াৰে আন একাংশই আৰু নিজকে পলুৱাই ৰাখিছে। যি কথা অতি ভয়ংকৰ। ইয়াৰ পৰা অনুমান হয় যে তেওঁলোকে জানি-শুনিয়েই নিজৰ শৰীৰত মাৰাত্মক কৰ'না ভাইৰাছ লৈ ফুৰাৰ লগতে তেওঁলোকে আনৰ শৰীৰলৈও এই ভাইৰাছ সংক্ৰমিত কৰিবলৈহে যেন নিজামুদ্দিনলৈ তবলিগি কৰিবলৈ গৈছিল।


এতিয়া আহোঁ আচল কথালৈ। আচল কথাটো হ'ল অসম কৰ'না ভাইৰাছ সংক্ৰমিত হৈ লকডাউন অৱস্থা হোৱাৰে পৰা লাহে লাহে হিন্দু আৰু মুছলমানৰ মাজত মিলাপ্ৰীতি নাইকিয়া হৈ দুই ধৰ্মৰ লগতে অন্যান্য ধৰ্মাৱলম্বী লোকসকলৰো লগত মুছলমান ধৰ্মৰ লোকসকলৰ দূৰত্ব বাঢ়িব ধৰিলে। সঁচা কথা ক'বলৈ গ'লে এই লকডাউন অৱস্থাত কোনো কোনো গাঁৱৰ ৰাস্তা বন্ধ কৰি তাত মুছলমান মানুহ সোমোৱা বন্ধ বুলি জাননী আঁৰি দিয়াও ছ'চিয়েল মিডিয়াত দেখা গৈছিল। আন নালাগে এই লৈ দুই-এক ব্যক্তিগত টি ভি চেনেলত আলোচনাও হোৱা দেখা গৈছিল। এই কাম কিন্তু শুদ্ধ নহয়। আনহাতে, কোনো কোনো ঠাইত হিন্দু বা আন ধৰ্মৰ দোকানত মুছলমান লোকক বয়বস্তু বিক্ৰী নকৰাও এক অভিযোগ শুনিবলৈ পোৱা গৈছিল। তদুপৰি কোনো মুছলমান পাচলি বেপাৰীৰ পৰাও লকডাউন অৱস্থাত চহৰে চহৰে বিক্ৰীৰ বন্ধ কৰা বা তেনে লোকৰ পৰা কেঁচা শাক-পাচলি কোনেও নিকিনা পৰ্যন্ত হৈছিল ঠায়ে ঠায়ে। এই কাম কিমান গ্ৰহণযোগ্য সেই কথা আমি নকওঁ। সেই কথা সময়ে ক'ব। কিন্তু মুছলমানৰ লগত যে হিন্দুকে ধৰি অন্য ধৰ্মৰ লোক এক বিৰাট ব্যৱধান আহিব সেই কথা এতিয়া সকলোৱে স্বীকাৰ কৰিবই। যি কাম কিন্তু ইমান দিনে কেতিয়াও হোৱা নাছিল। এতিয়া সেই মিলাপ্ৰীতিত ঘূণে ধৰিলে নে কি নাজানো কিন্তু বহু লোকৰ মুখে মুখে তেনে ধৰণৰ মন্তব্য শুনিবলৈ পোৱা গৈছে।

এতিয়া আহেঁা আমাৰ জাতীয় সংগঠনবিলাকৰ কথালৈ। সততে অসমৰ সমস্যাক লৈ মাত মতা অসমৰ শতাধিক জাতীয় সংগঠনৰ কোনো এটাও অসমৰ এই দুৰ্যোগপূৰ্ণ পৰিস্থিতিত ৰাইজৰ কাষত নাই। তেওঁলোকক কিন্তু আমাৰ ৰাইজক প্ৰতিটো কথাতে আন্দোলন কৰিবলৈ লাগে। তেওঁলোকে প্ৰতিটো কথাতে 'আমি ৰাইজৰ পক্ষত, আমি ৰাইজৰ লগত' বুলি কেৱল মাত্ৰ টেঁটু ফালি চিঞৰি থকাহে দেখো। দেশত কৰ'নাৰ সন্ত্ৰাসৰ সময়ত অসমৰ এই জাতীয় সংগঠনবিলাকৰ দায়িত্ব আছিল চৰকাৰে ঘোষণা কৰা মতে সামাজিক দূৰত্ব বজাই ৰখাৰ বাবে ৰাইজক সচেতন কৰিবলৈ গাঁৱে-ভূঞে নগৰে-চহৰে প্ৰচাৰ আদি কৰিব লাগিছিল। এই জাতীয় সংগঠনবিলাকে যদি ৰাইজক মাইকযোগেই হওক বা প্ৰচাৰ পত্ৰিকাৰ যোগেই হওক প্ৰচাৰ কৰি সজাগ আৰু সচেতন কৰিব পাৰিলেহেতেন। কিন্তু অসমৰ কোনো এটা জাতীয় সংগঠনেই সেই কাম নকৰিলে। এই কাম কৰি তেওঁলোকে হিন্দু-মুছলমানৰ মাজত পূৰ্বৰ সেই মিলাপ্ৰীতি বান্ধ ৰাখিব পাৰিলেহেঁতেন। কিন্তু অসমৰ জাতীয় সংগঠনবিলাকে সেই কাম কৰাত চূড়ান্তভাৱে ব্যৰ্থ হ'ল। লগতে এই জাতীয় সংগঠনবিলাকে এই কামো কৰিব পাৰিলেহেঁতেন যিসকল লোক নিজামুদ্দিনৰ পৰা জামাত কৰি ঘৰলৈ উভতি আহি পলাই আছে তেওঁলোককো আহ্বান জনাব লাগিছিল যে চৰকাৰৰ লগত তেওঁলোকে সহযোগ কৰি তেওঁলোকৰ শৰীৰৰ মাৰাত্মক ক'ভিড-১৯ ৰোগ আছে নেকি সেই কামৰ পৰীক্ষা কৰা আৰু অসম কৰ'নামুক্ত কৰা। কিন্তু অসমৰ শতাধিক জাতীয় সংগঠনৰ কোনেও সেই কাম নকৰিলে। যাৰ বাবে অসম দীৰ্ঘদিন লকডাউন কৰিব লগা অৱস্থা এটা হ'ল। যাৰ ফলস্বৰূপে বহু লোকে অসম লকডাউনৰ বাবে সেইসকল নিজামুদ্দিন তবলিগি লোককে জগৰীয়া কৰিছে। ইও হয়টো হিন্দু-মুছলমানৰ দূৰত্ব বঢ়াৰ অন্য এক কাৰণ বুলি আমি ভাবো। অৱশ্যে আমি কোনো ধৰ্মৰ লোকৰে মাজত দূৰত্ব বঢ়াটো কেতিয়াও নিবিচাৰো। কিন্তু কোনোবাই যদি কাৰোবাক ওচৰ চাপি অহাটো নিবিচাৰে তেতিয়া কোনেও হয়টো কাকো ক'ব নোৱাৰিব যে তোমালোক একে লগত থাকা। আমি ভাবো পূৰ্বৰ দৰেই সকলো ধৰ্মৰ লোকেই এইখন সমাজত একেলগে থাকক। মিলাপ্ৰীতি বজাই ৰাখক। ধৰ্মৰ ভিত্তিত কোনো ভাগ ভাগ বা দূৰত্ব থাকিব নালাগে। এইক্ষেত্ৰত অৱশ্যে আমাৰ জাতীয় সংগঠনবিলাকৰ কৰণীয় বহু আছে। আমি যদি অসমৰ এই জাতীয় সংগঠনবিলাকক তেনে ধৰণৰ গঠনমূলক পৰামৰ্শ দিও তেওঁলোকে সেই পৰামৰ্শ কেতিয়াও গ্ৰহণ কৰিব নিবিচাৰে। আমি পূৰ্বতে কেইবাটাও নিবন্ধত তেনে ধৰণৰ কথা বতৰাবিলাক লিখিছো। কিন্তু জাতিৰ দায়িত্বত কোনো সংগঠনে এনে ধৰণৰ কথাবিলাক হজম কৰিব নোৱৰাৰ বাবেই গ্ৰহণ নকৰে। যাৰ বাবে অসমত জাতীয় সংগঠনবিলাকে শুদ্ধ পথৰ পৰা পিছলি পৰে। আমি আশা কৰিছো অসমৰ জাতীয় সংগঠনবিলাকে এনে ধৰণৰ কথাবিলাকত গুৰুত্ব দিয়ক আৰু অসমক কৰ'নাৰ পৰা চিৰদিনৰ বাবে মুক্ত কৰক। হিন্দু মুছলমানৰ দূৰত্ব আঁতৰ কৰক। চৰকাৰৰ লগত সহযোগ কৰক কেনেকৈ অসম কৰ'নামুক্ত কৰিব পাৰি তাক লৈ গঠনমূলক আলাপ-আলোচনা কৰক। তেতিয়া হয়তো অসম এদিন আকৌ বৰ অসম হৈ থিয় দিব।

ফোন ঃ ৭০০২৯-২৬০৭০

## ২১ৰ বিধানসভা নিৰ্বাচন

# কঠোৰ প্ৰত্যাহ্বানৰ দিশে কংগ্ৰেছ



■ জয়ন্ত দাস

ৰাজ্যত পোন্ধৰ বছৰীয়া শাসনত বিভিন্ন অভিযোগ-প্ৰতি অভিযোগৰ পিছত একপ্ৰকাৰ গণবিচ্ছিন্ন হৈ সম্প্ৰতিও কংগ্ৰেছ দল আস্থাহীন তথা গণ ভিত্তিহীন দললৈ ৰূপান্তৰিত হৈছে। বিগত দিনসমূহ তো কংগ্ৰেছে আশাপ্ৰদ জনসমৰ্থন লাভ কৰিবলৈ সক্ষম হোৱা নাই। ৰাজ্যত শেহতীয়াকৈ হৈ যোৱা দুই-এক নিৰ্বাচনত কংগ্ৰেছৰ ফলাফল শূন্য বুলিয়ে ক'ব পাৰি। অৰ্থাৎ ৰাজ্যত কংগ্ৰেছে পুনৰ জনসমৰ্থন আদায় কৰি চৰকাৰ গঠন কৰিব পাৰিব বুলি ক'ব নোৱাৰি। দলীয় নেতৃত্বতই যিমানেই ফিতাহি মৰা কথা নকওক কিয় কংগ্ৰেছ দল এতিয়া আগৰ সেই পোন্ধৰ বছৰৰ আগৰ কংগ্ৰেছ দল হৈ থকা নাই। যাৰ ফলত এ আই ইউ ডি এফৰ দৰে সাম্প্ৰদায়িক দলৰ লগত হ'লেও নিৰ্বাচনী মিত্ৰতা কৰিবলৈ বাধ্য হৈছে। অৱশ্যে ৰাজ্যত কংগ্ৰেছ বুলি ক'লে প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈৰ অনুপস্থিতও কংগ্ৰেছৰ কাৰণে এক মোক্ষম আঘাত। বৰ্তমান গগৈবিহীন কংগ্ৰেছ ব'ঠাহীন নাৱৰ দৰে হৈ পৰিছে। দীৰ্ঘকাল ধৰি একমাত্ৰ কংগ্ৰেছ দলতে মৃত্যুৰ আগমুহূৰ্তলৈকে নিজৰ ৰাজনৈতিক জীৱনৰ অৱসান ঘটোৱা তৰুণ গগৈ ডাঙৰীয়া কংগ্ৰেছৰ কাৰণে হৃদপিণ্ড স্বৰূপ আছিল। হাড়ে-হিমজুৱে এজন প্ৰকৃত কংগ্ৰেছী আছিল তৰুণ গগৈ ডাঙৰীয়া। এতিয়া গগৈবিহীন কংগ্ৰেছ নিশকতীয়া আৰু দলীয় অন্তৰ্দ্বন্দ্বত জৰ্জৰিত হৈ বিভাজনমুখী হৈ পৰিছে।

বৰ্তমানৰ ৰাজনীতিত বিপদে-আপদেও কেৱল নিজৰ দলতে খামোচ মাৰি ধৰি থকা ৰাজনৈতিক নেতা খুব কমেই ওলাব। ৰাজ্যত কংগ্ৰেছৰ ক্ষেত্ৰতো সেয়াই হ'বলৈ গৈ আছে। তৃণমূল পৰ্যায়ৰ পৰাই এতিয়া কংগ্ৰেছ আৰু অধিক দুৰ্বল হৈ গৈ আছে। বৰ্তমান ৰাজ্যিক কংগ্ৰেছত সু-নেতৃত্ব দিব পৰা নেতাৰ অভাৱে দলটোক ভিতৰৰ পৰাই শক্তিহীন কৰি পেলোৱাৰ আশংকা নুই কৰিব নোৱাৰি। কামে-কাজে কংগ্ৰেছী হৈ থাকিব নোৱাৰিলে একমাত্ৰ নামত কংগ্ৰেছী হৈ থকাৰো কোনো অৰ্থ নাথাকিব। কাৰণ বৰ্তমানৰ ৰাজনীতিয়ে হৈছে সুবিধাবাদৰ ৰাজনীতি। দলত দলীয় বিসম্বাদ আৰম্ভ হোৱা মানেই সুবিধাবাদৰ আশ্ৰয় লৈ একাংশই দল ত্যাগ কৰিবই। একমাত্ৰ কাৰোবাৰ দলীয় সুবাদত বৰ্তমানৰ ৰাজনীতিত কোনো দল বৰ্তি থাকিব নোৱাৰে। সামগ্ৰিক দৃষ্টিত বিৰোধীৰ আসন শুৱনি কৰা কংগ্ৰেছে পুৰণি পোছাক খুলি এযোৰ নতুন পোছাকেৰে দলৰ সাংগঠনিক ভেটি মজবুত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ সময় সমাগত।

ইতিমধ্যে সুবিধাবাদী ভালেকেইজন শীৰ্ষ কংগ্ৰেছীয়ে দল ত্যাগ কৰি বিজেপিত যোগদান কৰাৰ পিছতো দল ধৰি ৰখাৰ প্ৰয়াস কৰিছিল তৰুণ গগৈ ডাঙৰীয়াই। একমাত্ৰ তৰুণ গগৈৰ প্ৰতি কিছু সহনশীল হৈয়ে হয়তো ভালকেইজন বৰ্তমানৰ কংগ্ৰেছী বিজেপিমুখী হোৱাৰ পৰা আঁতৰি আছিল। এতিয়া গগৈৰ অবৰ্তমানত বিজেপিমুখী হ'বলগীয়া কংগ্ৰেছী হয়তো ভালেকেইজন ওলাব। শেহতীয়াকৈ অজন্তা নেওগ, ৰাজদীপ গোৱালাৰ বিজেপি গমনেও কংগ্ৰেছৰ কাৰণে মোক্ষম আঘাত হানিলে। কংগ্ৰেছৰ বৰ্তমানৰ দুৰ্বল নেতৃত্বও কংগ্ৰেছক শাসকীয় বিজেপিৰ তুলনাত অপ্ৰাসংগিক কৰি তুলিছে। দলৰ বিপৰ্যয় স্বীকাৰ কৰাৰ বিপৰীতে এতিয়াও নাও ডুবিলেও টিঙৰ পৰা ননমা একাংশ কংগ্ৰেছীৰ অহংকাৰী মনোভাবে দলটোৰ বিস্তৰ ক্ষতি সাধন কৰিছে। 'Ernest Hemingway'ৰ ভাষাত 'Before you Criticise,wait'। অৰ্থাৎ বৰ্তমানৰ কংগ্ৰেছ নেতৃত্বই এই কথাষাৰৰ গূঢ়াৰ্থ অনুধাৱন কৰি আগবঢ়া উচিত।

সাম্প্ৰতিক ৰাজনীতিত জনসাধাৰণৰ বিশ্বাস আৰু আস্থা আদায় কৰাৰ কাৰণে সু-পৰিকল্পিত ৰণনীতিৰ খুবেই দৰকাৰ। কেৱল দল চাই বৰ্তমান সময়ত ৰাইজ আকৃষ্ট হোৱাৰ দিন আৰু নাই। দল চাই পূৰ্বতে ৰাইজে কংগ্ৰেছক পোন্ধৰ বছৰৰ কাৰণে চৰকাৰ গঠনৰ সুযোগ প্ৰদান কৰিছিল। য'ত নাছিল কোনো নীতি-আদৰ্শৰ কথা, নাছিল উন্নয়নমূলক কামৰ খতিয়ান। ৰাজনীতি বুলি ক'লেই কেৱল কংগ্ৰেছৰ কথাই মনলৈ আনিছিল ৰাইজে। কিন্তু দিন বাগৰাৰ লগে লগে সলনি হ'ল জনসাধাৰণৰ বিশ্বাস আদায় কৰাৰ ৰাজনৈতিক পৰিকল্পনাও। সূতা-কম্বলৰ ৰাজনীতিৰ ঠাই নাই বৰ্তমানৰ ৰাজনীতিত। পৰিৱৰ্তনেই জীৱনৰ মূল আধাৰ বোলা কথাষাৰ ৰাজনীতিৰ ক্ষেত্ৰতো প্ৰযোজ্য। মানুহৰ মন, বিবেক-বুদ্ধি, চিন্তাধাৰাৰ পৰিৱৰ্তনৰ লগে লগে ৰাজনৈতিক চিন্তা-চেতনাৰো অভূতপূৰ্ব পৰিৱৰ্তন হ'বলৈ ধৰিলে। পৰিৱৰ্তনৰ এই ধাৰা শাসনাধিষ্ঠিত বিজেপি চৰকাৰখনে বুজিবলৈ সক্ষম হৈছে যদিও বিৰোধী দল কংগ্ৰেছে সেয়া বুজিবলৈ সক্ষম হোৱা নাই। যাৰ ফলত সমাগত বিধানসভা নিৰ্বাচনত সাংঘাতিকভাৱে এক নেতিবাচক প্ৰভাৱ পৰিব কংগ্ৰেছৰ ওপৰত।

কংগ্ৰেছ দল এতিয়া কংগ্ৰেছী নেতা-কৰ্মীৰ কাৰণেই সুৰক্ষিত নহয় বুলি অনুমান কৰিয়েই ভালেকেইজন জ্যেষ্ঠ কংগ্ৰেছীয়ে দল ত্যাগ কৰিছে। নিৰ্বাচনৰ দিন ধাৰ্য হোৱাৰ আগে আগে দুই-এজন হয়তো আৰু দলত্যাগী কংগ্ৰেছী ওলাব। অৰ্থাৎ নিজৰ ৰাজনৈতিক ভৱিষ্যৎ সুৰক্ষিত কৰাৰ স্বাৰ্থতেই হয়তো কংগ্ৰেছৰ পৰা ওলাই বিজেপিমুখী নাইবা আঞ্চলিকতাবাদী শিবিৰত যোগদান কৰিব। পূৰ্বতে উজনি অসমৰ ভালেকেইটা বিধানসভা সমষ্টি তথা চাহ জনগোষ্ঠী অধ্যুষিত অঞ্চল কংগ্ৰেছৰ ভোটবেংক আছিল যদিও উক্ত অঞ্চলসমূহ পাকে-প্ৰকাৰান্তৰে বিজেপিয়ে নিজৰ হাতলৈ অনাৰ পূৰ্ণ সম্ভাৱনা আছে। অৰ্থাৎ একপ্ৰকাৰ কংগ্ৰেছৰ ভোটবেংক বৰ্তমান সুৰক্ষিত নহয় বুলিয়ে ক'ব পাৰি। তদুপৰি সমাগত বিধানসভা নিৰ্বাচনত ধৰ্মীয় মেৰুকৰণৰ ফলত ভোট বিভাজন হ'লেও কংগ্ৰেছ লাভৱান্বিত হোৱাৰ আশা ক্ষীণ। কাৰণ সম্প্ৰতি কংগ্ৰেছে শক্তিশালী নিৰ্বাচনী এজেণ্ডা লৈ কোনো ৰণনীতি তৈয়াৰ কৰা পৰিলক্ষিত হোৱা নাই। উদ্দেশ্যহীন তথা লক্ষ্যহীন হৈ কংগ্ৰেছে এইবাৰৰ নিৰ্বাচনত বিজেপিৰ বিৰুদ্ধে শক্তিশালী প্ৰতিদ্বন্দ্বিতা আগবঢ়াব নোৱাৰিব। এই বাৰৰ নিৰ্বাচনত কংগ্ৰেছৰ কোনকেইজন বিশ্বাসযোগ্য নেতাৰ মুখলৈ চায় ৰাইজে কংগ্ৰেছক ভোটদান কৰিব সেয়াও লাখটকীয়া প্ৰশ্ন হৈ পৰিছে। শক্তিশালী তথা বাক্‌পটু নেতৃত্বৰ অভাৱো কংগ্ৰেছৰ দুৰ্বলতাৰ অন্য এক কাৰণ। গণভিত্তি থকা কোনো লোক তথা নেতা সম্প্ৰতি কংগ্ৰেছৰ প্ৰতি আকৃষ্ট হোৱা দেখিবলৈ পোৱা নাই। সম্প্ৰতি ৰাজ্যৰ এই জটিল সন্ধিক্ষণত শাসকীয় দলৰ প্ৰতি বহু লোকৰ মোহভংগ হৈছে যদিও কিন্তু কংগ্ৰেছৰ প্ৰতি আকৰ্ষিত হোৱা নাই। অৱশ্যে এতিয়াও গণভিত্তি থকা নেতাৰে ভৰি থকা বিজেপিৰ প্ৰতি বহু লোকৰ লগতে অন্য দলৰ নেতা-কৰ্মীৰো আকৰ্ষণ বৃদ্ধি হোৱাহে পৰিলক্ষিত হৈছে। এনে পৰিপ্ৰেক্ষিতত কংগ্ৰেছে কেৱল বিজেপি নেতৃত্বাধীন চৰকাৰখনে ৰাজ্যত উপযুক্ত শাসন প্ৰচলনত ব্যৰ্থ হোৱাৰ অভিযোগ তুলি কাগজে-পত্ৰই চিঞৰি থাকিলেও বিজেপিৰ গণভিত্তি কমি যোৱাৰ আশংকা নাই। লগতে নৱগঠিত আঞ্চলিক শক্তিৰ উত্থানো একপ্ৰকাৰ কংগ্ৰেছৰ কাৰণে চিন্তাৰ কাৰণ হৈ পৰিছে।

ৰাজ্যত সমাগত বিধানসভা নিৰ্বাচন। কংগ্ৰেছৰ গণভিত্তিৰ কথা বাদে দিলো। বৰ্তমানেও ৰাইজক আশ্বস্ত কৰিব পৰাকৈ কোনো নিৰ্বাচনী এজেণ্ডা সম্প্ৰতিও কংগ্ৰেছে দলে গ্ৰহণ কৰিব পৰা নাই। ৰাজ্যৰ প্ৰধান বিৰোধী দলৰ এই অৱস্থাই শাসকীয় দলক সকলো ফালৰ পৰাই লাভৱান্বিত কৰি আহিছে। এ আই ইউ ডি এফৰ লগত মিত্ৰতাৰ প্ৰসংগৰেই কংগ্ৰেছে কেইবাটাও মাহ উদ্দেশ্যহীনভাৱেই পাৰ কৰিলে। যিটো সময়ত শাসকীয় বিজেপি দলে 'কা'বিৰোধী জনমত থকাৰ পিছতো পূৰ্বৰ গণভিত্তি অক্ষুণ্ণ ৰখাৰ কাৰণে বিভিন্ন আঁচনি, অনুদান তথা নিৰ্বাচনী এজেণ্ডাৰে ৰাইজৰ মন জয় কৰিবলৈ সক্ষম হৈছে। ইফালে কংগ্ৰেছৰ বিপৰ্যয় সৃষ্টি কৰিব নৱগঠিত আঞ্চলিক শক্তিয়েও। কংগ্ৰেছৰ লগত প্ৰাক্‌নিৰ্বাচনী কোনো মিত্ৰতাৰ কথা আঞ্চলিক শক্তিসমূহে এতিয়াও উল্লেখ কৰা নাই। হয়তো উল্লেখ কৰাৰ কোনো সম্ভাৱনাও নাই।

২১ৰ নিৰ্বাচনত বিজেপিৰ বিৰুদ্ধে কংগ্ৰেছৰ শক্তিশালী স্থিতিৰ কোনো বাস্তৱ ভিত্তি সম্প্ৰতিও ৰাইজৰ আগত দলটোৱে দাঙি ধৰিব পৰা নাই। কেৱল 'কা' বিৰোধিতাকে একমাত্ৰ সম্বল হিচাপে লৈ ৰাষ্ট্ৰীয় দল এটাই ৰাইজৰ সমৰ্থন আদায় কৰিব পাৰিব বুলি ভাবিব নোৱাৰি। এইখিনি সময়ত কংগ্ৰেছে বিজেপিৰ বিৰুদ্ধে ৰাইজে বিচৰা ধৰণে নিৰ্বাচনী ইস্তাহাৰ প্ৰস্তুত কৰিব পাৰিব লাগিছিল। কিন্তু সেয়া বাস্তৱত হৈ নুঠিল। এতিয়া কংগ্ৰেছ বুলি ক'লেই যেন বিজেপিমুখী দল এটাৰ কথাহে ৰাইজৰ মনলৈ আহে। যাৰ কাৰণে কংগ্ৰেছ এতিয়া কংগ্ৰেছ হৈ থকাৰ পৰিৱেশেই নোহোৱা হৈ পৰিছে। গণতন্ত্ৰত বিৰোধী দলৰ সক্ৰিয় ভূমিকাৰ কথা জানিও কংগ্ৰেছে নিজৰ দুৰ্বল স্থিতিৰে কিদৰে বিজেপিৰ শক্তিশালী গণভিত্তিৰ মুখামুখি হ'ব সেয়াও লক্ষণীয় হ'ব। মুঠৰ ওপৰত ২১ৰ নিৰ্বাচন কংগ্ৰেছৰ কাৰণে কেৱল সন্মান ৰক্ষাৰ যুঁজহে হ'ব। কংগ্ৰেছে দল বচাব পাৰিব নে নোৱাৰে সেয়াও লাখটকীয়া প্ৰশ্ন হৈপৰিছে।

ফোন ঃ ৭৮৯৬৬-৮১৭৩৯

# ফেৰফেৰীয়া বতাহত সেমেকি যায় শিশুৰ উল্লাস



■ মাণিক চন্দ্ৰ নাথ

ক'ভিড মহামাৰীৰ কাৰণে দীৰ্ঘদিনে বন্ধ হৈ থকা শিক্ষানুষ্ঠানসমূহৰ বিভিন্ন শ্ৰেণীসমূহ পৰ্যায়ক্ৰমে আৰম্ভ কৰি অহাৰ অন্তত জানুৱাৰী মাহৰ পৰা আটাইবোৰ শ্ৰেণীৰেই পাঠদান চলাই নিবৰ বাবে ৰাজ্য চৰকাৰে যি নীতি-নিৰ্দেশনা জাৰি কৰিছিল সেই মতে এতিয়া বিদ্যালয়সমূহ চলি আছে। আগতে নৱেম্বৰ মাহৰ শেষ বা ডিচেম্বৰ মাহৰ প্ৰথম সপ্তাহত স্কুলসমূহৰ বছৰেকীয়া পৰীক্ষা আৰম্ভ হৈছিল। পৰীক্ষা দি ছাত্ৰ-ছাত্ৰীসকলে ডিচেম্বৰ মাহৰ বাকী দিনকেইটা ঘৰতে থাকি নতুন বছৰত নতুন শ্ৰেণীলৈ গৈছিল। আনহাতে, নতুন শ্ৰেণীৰ আৰম্ভণি আৰু মাঘ বিহুৰ বতৰ বুলি জানুৱাৰী মাহৰ মাজভাগলৈকে শ্ৰেণীসমূহ সেৰেঙা হৈ থকাত স্কুলসমূহ পূৰ্ণোদ্যমে চলে মানে হাড় কঁপোৱা ঠাণ্ডাৰ দিনকেইটা পাৰ হৈ গৈছিল। তাৰো আগতে সৰস্বতী পূজাৰ পিছতহে নতুন শ্ৰেণীত নতুনকৈ পাঠদান কৰাৰ এক পৰম্পৰা আছিল। এতিয়া তেনেকুৱা নিয়মবোৰ সলনি গৈ গ'ল। এই বছৰৰ পৰা শিক্ষাবৰ্ষ এপ্ৰিল মাহত আৰম্ভ হ'ব। শিক্ষাবৰ্ষ এপ্ৰিল মাহৰ পৰা আৰম্ভ কৰিবলৈ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰাত আগৰ বছৰেকীয়া পৰীক্ষা, তাৰ পিছৰ নতুন শ্ৰেণী আৰম্ভ হোৱা ডিচেম্বৰ-জানুৱাৰী মাহৰ সময়খিনিত এতিয়া পূৰাদমে পাঠদান চলি আছে। তাতে ক'ভিড মহামাৰীৰ কাৰণে বছৰৰ প্ৰায় অৰ্ধেক কাল শ্ৰেণী কোঠাসমূহ বন্ধ হৈ আছিল। গতিকে এতিয়া ঠাণ্ডাৰ ভৰপক সময়খিনিত শ্ৰেণীৰ পাঠদানো ভৰপক হৈ পৰিছে। কিন্তু শীতৰ প্ৰকোপ চলা সময়খিনিত পাঠগ্ৰহণ কৰিবলৈ বিদ্যালয়লৈ যাব লগা হোৱা আমাৰ শিশুসকলে শীতৰ লগত মোকাবিলা কৰিব পাৰিছে নে নাই সেইটো অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে। লক্‌ডাউনৰ পৰৱৰ্তী কালৰ স্কুলত নিম্ন প্ৰাথমিকৰ শ্ৰেণীসমূহ আৰম্ভ হোৱাৰ আগতে উচ্চ প্ৰাথমিকৰ পৰা আৰম্ভ কৰি ওপৰৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকল বিদ্যালয়লৈ আহি আছিল। তেতিয়াৰে পৰা তেওঁলোকৰ ক্ষেত্ৰত দেখি আহিছোঁ যে পুৱা আঠ বজাতে উপস্থিত হ'ব লগা ছাত্ৰ-ছাত্ৰীসকলৰো কেইজনমানেহে নিজৰ জোখে-মাখে হোৱাকৈ ছুৱেটাৰ এটা পিন্ধি আহে। সৰহসংখ্যক আহে ছুৱেটাৰ নিপিন্ধাকৈ, কোনোবা আহে পুৰণা উঁৱলি যোৱা ছুৱেটাৰ এটা পিন্ধি, কোনোবাই ঘৰৰ আন কাৰোবাৰ ছুৱেটাৰ এটাকে পিন্ধি হলৌ-জলৌকৈ স্কুললৈ আহে। এই শিশুসকলক দেখি সহজে অনুমান কৰিব পাৰি যে তেওঁলোকৰ পিতৃ-মাতৃয়ে তেওঁলোকৰ কাৰণে এটা ছুৱেটাৰ যোগান ধৰিব নোৱাৰে। পুহ-মাঘৰ পুৱাৰ ফেৰফেৰীয়া বহাতত গাৰ নোম ডাল ডাল হোৱা শিশুবোৰে ঠাণ্ডাত কুঁচি-মুচি কেনেদৰে পাঠগ্ৰহণ কৰি আছে সেই হৃদয় বিদাৰক দৃশ্য নেদেখিলে কোনেও অনুমান কৰিব নোৱাৰে। সিফালে ৫ম মানৰ পৰা ১ম মানলৈকে সেই বয়সৰ শিশুসকলৰ অৱস্থা আৰু কিমান দুখদায়ক হৈ উঠিছে সেই কথা ভাবিবও নোৱাৰি। ঠাণ্ডাত কঁপি থকা শিশুৰ হৃদয় বিদাৰক দৃশ্য চাই আমাৰ শিক্ষকসকলে পাঠদান কৰি থাকিব লগা হৈছে।

পুহ-মাহৰ ঠাণ্ডাত পূৰ্ণপৰ্যায়ৰ পাঠগ্ৰহণৰ বাবে বিদ্যালয়লৈ আহিব লগা হোৱাটো আমাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এয়া প্ৰথম অভিজ্ঞতা। পৰিৱৰ্তিত পৰিস্থিতিত চৰকাৰে গ্ৰহণ কৰা সকলো নীতি-নিয়ম আমাৰ শিশু তথা তেওঁলোকৰ অভিভাৱকসকলে বিনা প্ৰতিবাদে গ্ৰহণ কৰিছে। কিন্তু শিশুৰ কুমলীয়া দেহাবোৰে শীতৰ প্ৰচণ্ড আক্ৰমণ গ্ৰহণ কৰিব পাৰিছে নে নাই তাক কোনে ভাবি চাইছে ? অৱশ্যে এইটো কথা ঠিক যে বৰ্তমান চৰকাৰ দিনত চৰকাৰী বিদ্যালয়ৰ প্ৰতিজন শিশুৱে বিনামূলীয়াকৈ দুযোৰকৈ ইউনিফৰ্ম সময় মতে লাভ কৰিছে। কিন্তু বিদ্যালয়লৈ আহিবৰ কাৰণে পুহ-মাঘৰ হাড় কঁপোৱা শীত নিবাৰণৰ বাবে যে মাথোঁ সেই ইউনিফৰ্মযোৰেই শেষ সম্বল সেই কথাটোও চৰকাৰে লক্ষ্য কৰা উচিত। এযোৰ ভাল কাপোৰে শিশুৰ মনত সদায় অপাৰ আনন্দ প্ৰদান কৰাই নহয়, শিশুৰ মনটোও ঊৰ্দ্ধগামী কৰি তোলে। তাৰ বিপৰীতে সাধাৰণ সাজপাৰে শিশুৰ মনটো নিঃকিন কৰি তোলে। ঠাণ্ডাত ছুৱেটাৰ এটা পিন্ধি আহিব নোৱৰা বা হলৌ-জলৌকৈ ঘৰৰ কাৰোবাৰ ছুৱেটাৰ এটা পিন্ধি স্কুললৈ অহা শিশুৱে অকল ঠাণ্ডাত কষ্ট পোৱাই নহয়, তেনেকুৱা অৱস্থাই শিশুৰ মনটোকো দাৰিদ্ৰতাৰ হেঁচাই কষ্ট দিয়ে। গতিকে চৰকাৰে অকল শীত নিবাৰণৰ কাৰণেই নহয়, শিশুৰ মনবোৰক চহকী কৰি তুলিবলৈ তেওঁলোকক ইউনিফৰ্ম হিচাপে ধুনীয়া ধুনীয়া ছুৱেটাৰ একোটাও যোগান ধৰক।

ফোন ঃ ৯৪০১৭-০০৬৬৪

*◆◆◆ভাৰত স্বাধীন হ'ল বুলি চিঞৰা ৰাজেন্দ্ৰ প্ৰসাদে তেওঁলোকৰ স্বাধীন ভাৰতৰ সংসদৰ প্ৰথম দিনাই এনেদৰে মূৰ দোৱাইছিল ব্ৰিটিছ আৰু কমনৱেল্থ দেন্দ্ৰসমূহৰ ওচৰত। জৱাহৰলাল নেহৰু, ৰাজেন্দ্ৰ প্ৰসাদ আৰু স্বাধীনতা সংগ্ৰামৰ যুঁজাৰুসকলে ব্ৰিটিছৰ সৈতে এক গোপন চুক্তিত উপনীত হৈছিল যে শাসনৰ বাঘজৰি ভাৰতীয়সকলে পাব, কিন্তু ভাৰতত ব্ৰিটিছৰ অৰ্থনৈতিক লুণ্ঠনৰ স্বাধীনতা সদায়ে চলি থাকিব। নহ'লেনো ডিব্ৰুগড় জিলাৰ বাঘজান চাহ বাগিচাত মেকলিন এণ্ড মেগৰে বালিজান নৰ্থ চাহ বাগান ৰাৱেন টী লিমিটেড, বৰডুবি চাহ বাগিচাত জৰ্জ উইলিয়ামছন মেগৰে, দেওশাল চাহ বাগিচাত ৰাৱেন টী কোম্পানী কোম্পানী এটা নাগৰিক হ'ব নোৱাৰে। আৰু সেয়েহে তেওঁলোকৰ কোনো মৌলিক অধিকাৰ নাথাকে◆◆◆*

# ভাৰতীয় সংবিধানে আমাক কি দিলে?




**যুধাজিৎ দাস**

১৯৪৭ চনৰ ১৪ আগষ্টত নিশা দিল্লীৰ সংবিধান সভাৰ (Constituent Assembly) মজিয়াৰ পৰা জৱাহৰলাল নেহৰুৱে দেশবাসীৰ উদ্দেশ্যে কৈছিল— 'দৰিদ্ৰতা দূৰীকৰণৰ বাবে আমাৰ দ্ৰুত সংস্কাৰ আৰু ব্যাপক শিল্পায়নৰ প্ৰয়োজন। ইয়াৰ পৰা প্ৰাপ্ত সম্পদ দেশৰ মানুহৰ মাজত সমভাৱে বিতৰণ হ'ব। ইয়াৰ ফলত সকলো দেশবাসীয়েই উপকৃত হ'ব।

স্বাধীনতাৰ দোকমোকালিতে নেহৰুৱে ৰাষ্ট্ৰৰ সম্পদ সকলোৰে মাজত সমবিতৰণৰ প্ৰতিশ্ৰুতি দিলে, কিন্তু তেওঁ আৰু স্বাধীনতা সংগ্ৰামৰ কাণ্ডাৰীসকলে পিছত ভাৰতীয় সংবিধানৰ চৰিত্ৰ অতিকেন্দ্ৰিক কৰি তুলিলে আৰু অসমৰ নিচিনা সম্পদশালী ৰাজ্যসমূহৰ পৰা সম্পদ লুণ্ঠন কৰি হিন্দী বলয়ৰ পুঁজিপতি শোষকগোষ্ঠী আন্তঃৰাষ্ট্ৰীয় ধনিক শ্ৰেণীৰ হাতত গোট খোৱাৰ সুবিধা উলিয়াই দিলে। সাজিলে অসমৰ নিচিনা সম্পদশালী দুখীয়া ৰাজ্যৰ ধনেৰে দিল্লী, কলকাতা, মুম্বাইত আকাশলংঘী অট্টালিকা। দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ত ব্ৰিটিছে যেতিয়া সৰিয়হ ফুল দেখিলে আৰু জাপানী সৈন্যই ব্ৰিটিছ অধিকৃত ভাৰততো তাণ্ডৱ আৰম্ভ কৰিলে। তেতিয়া বগা চাহাবসকলে উপায়ান্তৰ হৈ দ্বিতীয় বিশ্ব যুদ্ধত ভাৰতৰ সহযোগিতা আদায় কৰাৰ বাবে ছাৰ ষ্টেটফোৰ্ড ক্ৰিপ্ছৰ নেতৃত্বত এটা প্ৰতিনিধি দল ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু জিন্নাৰ মুছলিম লীগৰ সৈতে আলোচনাৰ বাবে পঠালে। ক্ৰিপ্ছে ভাৰতীয়সকলে নিজক শাসন কৰাৰ বাবে সংবিধান লিখি উলিয়াবৰ বাবে ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু জিন্নাৰ মুছলিম লীগৰ হাতত এখন 'আধাৰ প্ৰস্তাৱ' দিছিল। ক্ৰিপ্ছৰ এই আধাৰ প্ৰস্তাৱত লিখা আছিল— (ক) ভাৰতৰ ভৱিষ্যৎ সংবিধানখন এখন নিৰ্বাচিত সংবিধান পৰিষদৰ দ্বাৰা ৰচনা কৰা হওক, য'ত ভাৰতীয় লোক আৰু ভাৰতীয় ৰাজ্যসমূহৰ প্ৰতিনিধি থাকিব। (খ) সংবিধানখনে 'ইণ্ডিয়া ড'মিনিয়ন' গঠন কৰিব, য'ত সকলোবোৰ প্ৰদেশ যুক্তৰাষ্ট্ৰৰ সম-অংশীদাৰ হ'ব। (গ) সংবিধানখনে একমাত্ৰ 'ভাৰত যুক্তৰাষ্ট্ৰ' গঠন কৰিব, য'ত সকলোবোৰ ভাৰতীয় ৰাজ্য অন্তৰ্ভুক্ত কৰা হ'ব।

ছাৰ ক্ৰিপ্ছৰ নেতৃত্বত ব্ৰিটিছ প্ৰতিনিধি দলটোৱে দিয়া এই প্ৰস্তাৱটো থাওকতে নাকচ কৰিলে। কেবিনেট মিছনৰ প্ৰস্তাৱ কাৰ্যকৰী কৰিবলৈ জাতীয় কংগ্ৰেছ আৰু মুছলিম লীগে প্ৰক্ৰিয়া আৰম্ভ কৰোঁতেই ভাৰতীয় পুঁজিপতি শোষকগোষ্ঠী আৰু স্বাধীনতা আনি নিজৰ শোষণৰ পথ সুগম কৰিবলৈ সপোন দেখা ভাৰতীয় কেবিনেট মিছনে এখন শক্তিশালী কেন্দ্ৰৰ পৰিৱৰ্তে ৰাজ্য বা গ্ৰুপসমূহক অধিক ক্ষমতা দিব খুজিছে। কেবিনেট মিছনৰ প্ৰস্তাৱ মৰ্মে এখন সংবিধান ৰচনা কৰিবলৈ হ'লে সম্পদশালী ৰাজ্যসমূহৰ পৰা (অসমৰ নিচিনা) সম্পদ লুণ্ঠন কৰি আনি অতিকেন্দ্ৰিক কেন্দ্ৰীয় চৰকাৰ এখন গঠন কৰিব পৰা নাযাব আৰু আজিৰ নিচিনাকৈ ভাৰতৰ চুকে-কোণে পৰি থকা সম্পদ লুণ্ঠন কৰি 'দিল্লী'ত স্তূপীকৃত কৰিব নোৱাৰিব। ভাৰতীয় পুঁজিপতি আৰু সামন্ত প্ৰভুসকলৰ (যিসকল ছদ্মৱেশেৰে সোমাই পৰিছিল জাতীয় কংগ্ৰেছ আৰু মুছলিম লীগত) প্ৰাক্ স্বাধীনতা কালৰ চিন্তা আছিল সমগ্ৰ ৰাজ্যৰ পৰা অতিকেন্দ্ৰিক শাসন ব্যৱস্থাৰে সম্পদ লুণ্ঠন কৰি দিল্লীত থুপিকৃত কৰা হওক আৰু কৌশলেৰে সেইবোৰ সিহঁতৰ মাজত ভগাই-পিটাই ল'ব পৰাৰ সাংবিধানিক সুবিধা ৰখা হওক। সেয়েহে কেবিনেট মিছনৰ প্ৰস্তাৱ কাৰ্যকৰী কৰা প্ৰক্ৰিয়াটো যাতে আগনাবাঢ়ে ভাৰতীয় পুঁজিপতি আৰু সামন্ত প্ৰভুসকলেই এটা সময়ত বাধাৰ সৃষ্টি কৰিলে। ইয়াতেই অন্যান্য ৰাজ্যসমূহৰ লগতে অসমত থকা সম্পদ অসমত ৰাখি ৰাজ্যৰ জনগণেই ভোগ কৰিব পৰাৰ অধিকাৰ বৰ্তাই ৰখাৰ সোণালী পথটোও বন্ধ কৰিলে ভাৰতীয় পুঁজিপতি আৰু সামন্ত প্ৰভুসকলেই।

নীতিগতভাৱেই কেবিনেট মিছনৰ প্ৰস্তাৱ স্বাধীনতা যুঁজৰ অগ্ৰণী নেতাসকলে প্ৰথমে মানি লৈছিল। জাতীয় কংগ্ৰেছ আৰু মুছলিম লীগ উভয়েই উঠিপৰি লাগিছিল কেবিনেট মিছনৰ প্ৰস্তাৱবোৰ কাৰ্যকৰী কৰাৰ বাবে। সেই প্ৰস্তাৱ মৰ্মে আনকি 'সংবিধান পৰিষদ'ৰ নিৰ্বাচন হ'ল। পিছত কংগ্ৰেছ আৰু মুছলিমৰ মাজত সংঘাত হ'ল কেবিনেট মিছনৰ প্ৰস্তাৱৰ গ্ৰুপিঙৰ দফাসমূহৰ ব্যাখ্যাক লৈ। দৰাচলতে কেবিনেট মিছনৰ প্ৰস্তাৱ মানি লোৱাৰ পিছতো গ্ৰুপিং প্ৰসংগটোক লৈ কংগ্ৰেছ আৰু লীগৰ মাজত মনোমালিন্য আৰম্ভ হৈছিল দেখাত। নেদেখাত কাৰণ হিচাপে ক্ৰিয়া কৰিছিল কেবিনেট মিছনৰ প্ৰস্তাৱটোত, য'ত লিখা আছিল এইখন ভাৰত ইউনিয়নে কেৱল বৈদেশিক পৰিক্ৰমা, প্ৰতিৰক্ষা আৰু যোগাযোগ এই তিনিটাহে বিষয় চাব। এই ৰাজ্যসমূহৰ হাতত সম্পদ সংগ্ৰহকে ধৰি বেছি ক্ষমতা থাকিব আৰু কেন্দ্ৰ কেৱল ৰাজ্যবোৰক বহিঃ আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ পহৰাদাৰী হ'ব। এই কথা ভাৰতীয় পুঁজিপতি আৰু সামন্ত প্ৰভুসকলেই মানি ল'ব নোৱাৰিলে আৰু তেওঁলোকে লগাই দিলে জাতীয় কংগ্ৰেছ আৰু মুছলিম লীগৰ কেবিনেট মিছনৰ প্ৰস্তাৱ বিফল কৰিবলৈ। হিন্দী বলয়ৰ এই প্ৰভুসকলক লাগে অতিকেন্দ্ৰিক এখন ভাৰত ইউনিয়ন আৰু ভাৰতীয় সংবিধান, যাৰ সহায়ত অসমৰ নিচিনা সম্পদশালী ৰাজ্যসমূহৰ সম্পদ দিল্লীলৈ আনি ভগাই-পিটাই খাব পাৰি। কোনো ৰাজ্যই লেশমানো স্বাধীনতা উপলব্ধি কৰিব নোৱাৰে। ২২-১১-১৯৪৯ তাৰিখে লোকনাথ মিশ্ৰই কৈছিল— 'এই সংবিধানে ৰাইজক ভোটটো প্ৰতি পাঁচ বছৰত এবাৰকৈ দি সন্তুষ্ট থাকিবলৈ কৈছে। তাৰ পিছত ক্ষমতাত থকাসকলক কাও-বাও কৰি, তোষামোদ কৰি কিবা এটা ল'বা।' ১১-১১-১৯৪৯ তাৰিখে শেঠ দামোদৰ স্বৰূপে আকৌ কৈছিল—



'যদি গণ ভোট হয় এই সংবিধান বাতিল কৰিব। কাৰণটো বুজাত তেনেই সহজ। এই সংবিধান সেইসকলেই ৰচিছিল যিসকল আচলতে জনগণৰ প্ৰতিনিধি নহয়।' ২১-১১-৪৯ তাৰিখে সংবিধান পৰিষদৰ আন এজন সদস্য আলগুৰায় শাস্ত্ৰীয়ে আকৌ কৈছিল— 'আমি দুৰ্ভগীয়া জনগণক একেবাৰে আওকাণ কৰিলো। তেওঁলোকৰ প্ৰতি কোনো কাণসাৰ নকৰিলো, গতিকে তেওঁলোকে ভাবিব যে বগা মানুহৰ হাতৰ পৰা মাত্ৰ ক'লা মানুহৰ হাতলৈ তেওঁলোক হস্তান্তৰ হ'ল।

১৯৪৭ চনৰ ভাৰতৰ স্বাধীনতা আইনখন পূৰ্ণ পাঠে দেখুৱালে ভাৰতৰ শাসনৰ বাঘজৰি হিন্দী বলয়ৰ ক'লা চাহাবসকলে ল'লে যদিও ব্ৰিটিছ বা বিদেশৰ লুণ্ঠনৰ সুৰুঙাটো আইনখনত ৰাখি দিয়া হ'ল। ৰাৱনে, মেগৰ, ব্ৰুকবণ্ড আদি ব্ৰিটিছ আৰু বিদেশী কোম্পানীবোৰে ভাৰতৰ স্বাধীনতা সংক্ৰান্তীয় আইনৰ সেই সুৰুঙাৰেই অসমত আজিও লুণ্ঠন চলাই আছে। ১৯৫০ চনৰ ৩১ জানুৱাৰীৰ দিনা তথাকথিত স্বাধীন ভাৰতৰ সংসদৰ অধিৱেশনত মুকসি কৰি ড° ৰাজেন্দ্ৰ প্ৰসাদে কৈছিল— 'India is a soverign, Democratic Republic, but she is hes to continue her association with the commonwealth of nation– There by we donot limit out freedom in any way, but we indicate our desire of continued friendship and co-operation with the group of Nations represeented in the common wealth.'

ভাৰত স্বাধীন হ'ল বুলি চিঞৰা ৰাজেন্দ্ৰ প্ৰসাদে তেওঁলোকৰ স্বাধীন ভাৰতৰ সংসদৰ প্ৰথম দিনাই এনেদৰে মূৰ দোৱাইছিল ব্ৰিটিছ আৰু কমনৱেল্থ দেন্দ্ৰসমূহৰ ওচৰত। জৱাহৰলাল নেহৰু, ৰাজেন্দ্ৰ প্ৰসাদ আৰু স্বাধীনতা সংগ্ৰামৰ যুঁজাৰুসকলে ব্ৰিটিছৰ সৈতে এক গোপন চুক্তিত উপনীত হৈছিল যে শাসনৰ বাঘজৰি ভাৰতীয়সকলে পাব, কিন্তু ভাৰতত ব্ৰিটিছৰ অৰ্থনৈতিক লুণ্ঠনৰ স্বাধীনতা সদায়ে চলি থাকিব। নহ'লেনো ডিব্ৰুগড় জিলাৰ বাঘজান চাহ বাগিচাত মেকলিন এণ্ড মেগৰে বালিজান নৰ্থ চাহ বাগান ৰাৱেন টী লিমিটেড, বৰডুবি চাহ বাগিচাত জৰ্জ উইলিয়ামছন মেগৰে, দেওশাল চাহ বাগিচাত ৰাৱেন টী কোম্পানী কোম্পানী এটা নাগৰিক হ'ব নোৱাৰে। আৰু সেয়েহে তেওঁলোকৰ কোনো মৌলিক অধিকাৰ নাথাকে। 'দ্য ষ্টেট ট্ৰেডিং কৰ্প'ৰেশ্বন নামৰ কোম্পানীটোৱে ১৯৫৬ চনৰ কোম্পানী আইন মতে পঞ্জীয়নভুক্ত এটা কোম্পানী আৰু এই কোম্পানীটো ভাৰতীয় সংবিধানৰ ১৯নং ধাৰা অনুসৰি এজন নাগৰিক হ'ব নোৱাৰে আৰু কোম্পানীটোৱে নাগৰিকৰ মৌলিক অধিকাৰ পোৱাৰ দাবী কৰিব নোৱাৰে। এই মন্তব্য কৰিছিল উচ্চতম ন্যায়ালয়ে যেতিয়া ষ্টেট ট্ৰেডিং কৰ্প'ৰেশ্বন আৰু ব্যৱসায়িক কৰ বিষয়া এজনৰ মাজত বহুদিন ধৰি গোচৰ চলিছিল। এই গোচৰটো সন্দৰ্ভতে মাননীয় উচ্চতম ন্যায়ালয়ে কৈছিল যে যদি এটা কোম্পানীক ভাৰতীয় সংবিধানৰ সংশ্লিষ্ট আইন মতে এজন নাগৰিক বুলি ধৰা হয় তথাপি এটা বিদেশী কোম্পানীৰ এই দেশৰ নাগৰিকত্বৰ অধিকাৰ নাই আৰু তেওঁলোকে সংবিধানৰ ১৯নং ধাৰাত থকা মৌলিক অধিকাৰ পাবলৈ দাবী কৰিব নোৱাৰে।

উচ্চতম ন্যায়ালয় ভাৰতীয় সংবিধানখনৰ ৰক্ষক। উচ্চতম ন্যায়ালয়ৰ ৰায়বোৰ থকা সত্ত্বেও ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰই কিন্তু অসম বা পূৰ্বাঞ্চলত বিদেশী কোম্পানীবোৰে ভাৰতীয় সংবিধানৰ ১৯নং অনুচ্ছেদত থকা মৌলিক অধিকাৰবোৰৰ সুবিধা অসম বা পূৰ্বাঞ্চলত থলুৱা লোকতকৈ অধিক বেছিকৈ ভোগ কৰিছে। চাহ ব্যৱসায়ত থকা মেকলিন মেগৰকে ধৰি অসমৰ সকলো বিদেশী চাহ কোম্পানীকে নিৰাপত্তাৰ বাবে চৰকাৰে দিছে সুকীয়া সশস্ত্ৰ বাহিনীৰ লোক আৰু চাহ খেতিৰ বাবে দিছে হাজাৰ হাজাৰ হেক্টৰ মাটিৰ বীজ, আবণ্টন।

এয়া ভাৰতীয় সংবিধানৰ সম্পত্তিৰ অধিকাৰকে বিদেশী কোম্পানীবোৰে ভোগ কৰা নাই নে? এইবোৰ মাত্ৰ এটা উদাহৰণহে। এনে অধিক উদাহৰণ আছে। এতিয়া চিন্তা কৰক অসমবাসীয়ে এই সংবিধানখনৰ পৰা পাইছোঁ কি?

# ভাৰতবৰ্ষত শূন্য সহনশীলতা একমাত্ৰ শ্ল'গানতহে পৰিণত হ'ল... !



**ভূপেন মহন্ত**

ভাৰতবৰ্ষত বিজেপি দলৰ চৰকাৰে শাসন চলোৱা প্ৰথমটো কাৰ্যকাল শেষ কৰি দ্বিতীয়টো কাৰ্যকালৰো এটা বছৰ অতিক্ৰম কৰিলে। অসমতো বিজেপি চৰকাৰৰ প্ৰথমটো কাৰ্যকাল শেষ হ'বৰ হ'ল। আৰু কেইটামান মাহৰ পিছতে অসমত নিৰ্বাচন সমাগত। পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ কেলেংকাৰি, দুৰ্নীতি-ভ্ৰষ্টাচাৰত অতিষ্ঠ হৈ ৰাইজে এক নতুন পৰিৱৰ্তনৰ আশাত কংগ্ৰেছক ওফৰাই নৰেন্দ্ৰ মোডী নেতৃত্বাধীন বিজেপি চৰকাৰক শাসনৰ গাদীত বহুৱালে। আৰু অসমতো হ'ল সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন বিজেপি চৰকাৰ। সকলোৱে ভাবিলে এইবাৰ নিশ্চয় দেশলৈ পৰিৱৰ্তন আহিবই। আৰম্ভ হৈ গ'ল শূন্য সহনশীলতাৰ শ্ল'গান। দুৰ্নীতি বিনাশৰ প্ৰথম পৰ্যায় হিচাপে একে ৰাতিৰ ভিতৰতে ভাৰতীয় টকাৰ আমূল পৰিৱৰ্তন ঘটোৱা হ'ল। তাৰ বাবে জনসাধাৰণক কোৱা হ'ল— ক'লা ধনৰ সাম্ৰাজ্য ধ্বংস কৰাৰ কথা। কিন্তু ইয়াৰ ছবিখন পৰৱৰ্তী সময়ত ভাৰতৰ জনতাই দেখিলে ইয়াৰ সুফল-কুফলৰ ছবিখন।

কিমান ঘূৰি আহিল ক'লা ধন বগা হৈ? ইয়াৰ হিচাব কিন্তু কাৰো হাতত নাই। ইয়াৰ লগে লগে আৰম্ভ হ'ল শূন্য সহনশীলতাৰ তালফাল লগোৱা শ্ল'গান। দুৰ্নীতি-কেলেংকাৰি নিৰ্মূলৰ বজোৱা হ'ল জয়ঢোল। কিন্তু সম্প্ৰতি সেই জয়ঢোলৰ শব্দ বাজিল কেৱল সাধাৰণ শ্ৰেণীৰ লোকৰ কৰ্ণকুহৰতহে। কেলেংকাৰিৰ সম্ৰাটসকলে তেওঁলোকৰ সাম্ৰাজ্য চলাই গ'ল নিৰ্বিবাদে। সেই ঢোলৰ শব্দই তেওঁলোকৰ নোম এডালকে লৰাব নোৱাৰিলে।

এফালে ভাৰতীয় নাগৰিকৰ সৰহসংখ্যকেই খাবলৈ নাপাই হাহাকাৰ কৰি মৰিছে, আনফালে, ৰাজভঁৰালৰ কোটি কোটি ধন খৰচ কৰি কেৱল চমক সৃষ্টিৰ বাবেই নিৰ্মাণ কৰা হৈছে পেটেলৰ সু-উচ্চ প্ৰতিমূৰ্তি। এফালে চৰকাৰে সকলো ধৰ্মৰ, লোকৰ সম-মৰ্যাদাৰ কথা কয়, আকৌ আনফালে এইখন চৰকাৰৰ দিনতে ধৰ্মনিৰপেক্ষ ভাৰতবৰ্ষত ধৰ্মীয় উন্মাদনা, অসহিষ্ণুতা বৃদ্ধি পাবলৈ ধৰিছে। ক্ৰমান্বয়ে যেন ধৰ্মৰ ভিত্তিত মানুহক ভাগ ভাগ কৰিবলৈ চেষ্টা কৰা হৈছে। এতিয়াহে যেন একাংশই চিনি পালে যে তেওঁলোক সনাতনী হিন্দু ধৰ্মৰ লোক। কিন্তু আমি যিহেতু হিন্দুৱেই এতিয়া আকৌ বেলেগকৈ কিয় চিনাকি দিব লগা হ'ল হিন্দু বুলি। কোনো বেলেগ ধৰ্মৰ বাবে আমাৰ হিন্দু ধৰ্মৰ ক্ষতি হোৱা আমি আজিলৈকে ক'তো দেখা নাই। কথা হ'ল হিন্দু হিন্দু কৰাত কাৰো আপত্তি থাকিব নোৱাৰে। আপত্তি এইখিনিতহে আছে যে সনাতনী হিন্দু হৈ আন ধৰ্মক হীন চকুৰে চোৱাটো। বেলেগ ধৰ্মৰ প্ৰতি অশালীন মন্তব্য কৰাটোতহে। হিন্দু ধৰ্মৰ কোনো শাস্ত্ৰতে নাই আন ধৰ্মক বেয়া চকুৰে চোৱা, অশালীন মন্তব্য কৰাৰ কথা। আনহাতে, ভাৰতবৰ্ষ যিহেতু ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ গতিকে ইয়াত কোনো ক্ষেত্ৰতে ধৰ্মৰ বিদ্বেষ থাকিবই নোৱাৰে। ই সংবিধানবিৰুদ্ধ। সেয়ে ভাৰতবৰ্ষত সকলো ধৰ্মৰে সমান অধিকাৰ, বাক্-স্বাধীনতাৰ অধিকাৰ আৰু সমানে নিজৰ নিজৰ ধৰ্ম প্ৰচাৰ কৰাৰ অধিকাৰ আছে। অৱশ্যে সেয়া সকলো হ'ব লাগিব সংবিধানৰ গণ্ডিৰ ভিতৰত। এটা কথা অৱশ্যে ঠিক— ধৰ্মৰ নামত হিন্দুৱেই হওক, মুছলমানেই হওক অথবা আন ধৰ্মৰ লোকেই হওক কোনেও অসহিষ্ণুতাৰ সৃষ্টি কৰিব নোৱাৰিব এইখন দেশত। সমাজবৰ্জিত কাম কৰি সমাজত বিশৃংখলতাৰ সৃষ্টি কৰিব নোৱাৰিব। তেনে কৰাৰ অধিকাৰ ভাৰতীয় সংবিধানে কাকো দিয়া নাই। কোনোবা এটা সম্প্ৰদায়ৰ কোনোবা এজনে কিবা এটা গৰ্হিত কাম কৰিলে বুলিয়েই তাকে লৈ সমগ্ৰ জাতিটোকে দোষাৰোপ কৰাটো কেতিয়াও গ্ৰহণযোগ্য নহয়। এনেবোৰ কথা-কাণ্ডই সমাজত অসূয়া-অপ্ৰীতিৰ সৃষ্টি হোৱাৰ সম্ভাৱনাহে অধিক। কিন্তু বৰ্তমান সময়ত ভাৰতবৰ্ষত ধৰ্মক লৈ অসহিষ্ণুতাৰ পৰিৱেশ এটাহে যেন গঢ় লৈ উঠিছে এনে অনুভৱ হৈছে। আচলতে কোনো ধৰ্মই আমাৰ মাজত অশান্তিৰ সৃষ্টি কৰা নাই অথবা কোনো বেলেগ ধৰ্মই আমাৰ ধৰ্মটোক গ্ৰাস কৰিবলৈও বিচৰা নাই। তথাকথিত ধৰ্মৰ নামত গোড়ামি, অপপ্ৰচাৰ, অশালীন টিপ্পনী আদিবোৰেহে সমাজত বিভেদৰ সৃষ্টি কৰি আহিছে। হিন্দু ধৰ্মত যদি কালিমা সানে তেন্তে এনেবোৰ কাৰ্যহে কালিমা সানিব। শূন্য সহনশীল চৰকাৰে এনেবোৰ কথাত গুৰুত্ব আৰোপ কৰিব লাগে। একাংশ লোকে সমাজত বেয়া কাম, চুৰি-ডকাইতি বা সমাজত অন্যান্য অশান্তিৰ সৃষ্টি কৰি আহিছে। কিন্তু তাৰ বাবে এটা সম্প্ৰদায়ক জগৰীয়া কৰি থকাটো কিমান যুক্তিসংগত কথা! অপৰাধী অপৰাধীয়েই। বিভেদকামী সদায় বিভেদকামীয়েই। অপৰাধীৰ কোনো জাত-পাত, ধৰ্ম নাই। অপৰাধীৰ শ্ৰেণী বিভাজন কৰাটো কেতিয়াও যুক্তিসংগত কথা হ'ব নোৱাৰে। কিন্তু আজি কিছুদিনৰ পৰা কোনোবা এজনে দোষ কৰিলে সেই লোকজন কোন ধৰ্মৰ সেইটোতহে বেছিকৈ গুৰুত্ব দিয়া দেখা পাওঁ। এনেবোৰ কথাই সমাজত শান্তিৰ বাণী নিবিলায়, বৰঞ্চ বেছিকৈ অশান্তিৰ পৰিৱেশহে সৃষ্টি কৰে। শূন্য সহনশীলতাৰ কথা কোৱা এখন চৰকাৰৰ দিনত সহনশীল হোৱাৰ অৱকাশ যেন নোহোৱা হৈহে আহিছে এনে কিছুমান কাৰণত। উগ্ৰ ইছলামবাদ অথবা উগ্ৰ হিন্দুত্ববাদ কোনোটোৱেই সমৰ্থনযোগ্য নহয়। হ'ব নোৱাৰে। বৰ্তমান সময়ত একাংশই সমাজত ধৰ্মীয় অসহিষ্ণুতাৰ সৃষ্টি কৰি দেশৰ বাতাৱৰণ কলুষিত কৰি তুলিছে। এনেবোৰ কাৰ্য কৰাতকৈ ভাল কাম, ভাল আদৰ্শৰে আজিৰ নৱ-প্ৰজন্মক শুদ্ধ পথ দেখুৱাই আগুৱাই নিলেহে দেশৰ উন্নতি হ'ব। 'সবকা সাথ সবকা বিকাশ আৰু বিশ্বাস' কথাষাৰৰ সঁচা অৰ্থত প্ৰয়োগ হ'ব। আৰু এখন সুস্থ দেশ, সুস্থ সমাজ গঢ় লৈ উঠিব। মুঠৰ ওপৰত এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰত আমি কেতিয়াও কোনো কাৰণতে, কোনো দিন ধৰ্মীয় অসহিষ্ণুতা কামনা নকৰো। এইখন ভাৰতবৰ্ষত সকলোৰে, সকলো ধৰ্মৰে সমান অধিকাৰ থকাটো উচিত। তাৰ লগে লগে যি ধৰ্মৰ লোকেই বেয়া কাম কৰিব সেইটো কেতিয়াও আমি সহ্য কৰিব নালাগিব। বেয়া সদায় বেয়াই। ইয়াৰ বিৰুদ্ধে আইন আছে। আইনে তাক বাধা দিব। নিয়ন্ত্ৰণ কৰিব। আমি তাকে লৈ আইন হাতত তুলি লোৱাটো আইনবিৰুদ্ধ হ'ব। আৰু তাকে লৈ আমি এটা ধৰ্মক বা সম্প্ৰদায়ক দোষী সজোৱা প্ৰৱণতা বাদ দিব লাগিব। তেতিয়াহে শূন্য সহনশীলতাৰ অৰ্থ থাকিব।

ৰাজ্যৰ শাসনাধিষ্ঠিত ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰৰ দিনত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে শূন্য সহনশীলতাৰ নীতি আৰু প্ৰশাসনৰ সকলোবোৰ বিভাগতে দুৰ্নীতি ৰোধৰ যি শ্ল'গান সকলো সময়তে আওৰাই থাকে সেয়া বাস্তৱ ক্ষেত্ৰত কিমানখিনি সফল হৈছে অসমৰ ৰাইজে তেওঁলোকৰ বিগত চাৰে চাৰি বছৰীয়া শাসন কালত দেখিবলৈ পাইছে। দুৰ্নীতিৰ শিপাডাল অসমত বহু গভীৰলৈ শিপাই আছে। ইয়াক উঘালি পেলোৱাটো ইমান সহজসাধ্য নহয়। যদি এই দুৰ্নীতিৰ সৈতে নেতা-মন্ত্ৰী, বিয়াগোম বিষয়া-আমোলা, কৰ্মচাৰী জড়িত হৈ থাকে, তেনেহ'লে এই দুৰ্নীতি ৰোধ কৰাটো আৰু অসম্ভৱ হৈ পৰে। অৱশ্যে বৰ্তমানৰ মুখ্যমন্ত্ৰীগৰাকীয়ে এইক্ষেত্ৰত চেষ্টা কৰি থকাটো শুভ লক্ষণ। তথাপি বৰ্তমান প্ৰায় সকলো বিভাগতে দুৰ্নীতি-কেলেংকাৰিয়ে বিভাগসমূহক গেলাই পেলাইছে। কেলেংকাৰি নোহোৱাকৈ এই চৰকাৰৰ দিনত এটা পৰীক্ষাও পাতিব পৰা নাই। সকলোতে কেলেংকাৰি। কিছুদিন পূৰ্বে ৰাজ্য তোলপাৰ লগোৱা এছ আই কেলেংকাৰিয়ে সকলোকে জোকাৰি গ'ল। ৰক্ষকেই ভক্ষক হৈ পৰিল। তাতে আকৌ মুখ্যমন্ত্ৰীগৰাকীৰ বিভাগতে এই কেলেংকাৰি। কেলেংকাৰিত শাসকীয় বিজেপি দলৰ লোককে ধৰি আৰক্ষীৰ প্ৰাক্তন উচ্চ পৰ্যায়ৰ বিষয়াকে ধৰি বৰ্তমানৰ বিষয়াও সাঙোৰ খাই পৰিল। আৰক্ষীৰ জালতো পৰিল সেইসকল লোক। বাতৰি মতে বহু ৰাজনৈতিক ব্যক্তি তথা বিষয়া-কৰ্মচাৰী সাৰিও গ'ল এই কেলেংকাৰিৰ আউটিৰ পৰা। এই এছ আই কেলেংকাৰিয়েই হ'ল বৰ্তমান বিজেপি চৰকাৰৰ দিনত সৰ্ববৃহৎ কেলেংকাৰি। শূন্য সহনশীল নীতিৰ কথা কৈ থাকিলেই দুৰ্নীতি নিৰ্মূল হ'ব বুলি ভাবি থাকিলে পৰৱৰ্তী কালত কেলেংকাৰি-দুৰ্নীতিয়ে অসমত পুনৰ ভয়ংকৰ ৰূপ যে নল'ব ইয়াৰ নিশ্চয়তা নাই। পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দুৰ্নীতি-কেলেংকাৰিৰ বাবেই ৰাইজে কংগ্ৰেছক অসমত শাসনৰ পৰা ওফৰাই পেলালে। আৰু এক নতুন পৰিৱৰ্তনৰ আশা কৰি সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন বিজেপি চৰকাৰক শাসনত বহুৱালে। কিন্তু ৰাইজে পুনৰ সেই একেখন ছবিৰেই পুনৰাবৃত্তি দেখিবলৈ পালে। লংকালৈ যিয়েই যায় সিয়েই ৰাৱণ হয় কথাষাৰ সঁচা প্ৰমাণিত হয় যেন লাগে এনেবোৰ কথা-কাণ্ড দেখিবলৈ পালে। শূন্য সহনশীল শব্দটোৰ সঁচা অৰ্থত ব্যৱহাৰ কৰক মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। এতিয়া যি দেখিবলৈ পোৱা গৈছে 'শূন্য সহনশীল' বাক্যাংশ এটা শ্ল'গানতহে পৰিণত হৈছে। শ্ল'গান দুৰ্নীতিমুক্ত, নহয় স্বচ্ছ ভাৰত, স্বচ্ছ অসম, শূন্য সহনশীলতা আমাৰ সকলোৰে কাম্য।

ফোনঃ ৬০০২২-৫৫২০১

# আমি 'কা' কিয় মানিম?




**ভূপেশ খাটনিয়াৰ**

ভাৰতবৰ্ষৰ প্ৰান্তীয় কোণত অৱস্থিত অথচ প্ৰচুৰ পৰিমাণে প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ অসমৰ নিচিনা এখন ৰাজ্যত স্বাধীনতাৰ পাছৰে পৰা নিয়োগহীনতাৰ পৰিৱেশ বৰ্তি থকাটো অতিকৈ দুখজনক। বৰ্তমান অসমৰ পঞ্জীয়নভুক্ত শিক্ষিত বা প্ৰশিক্ষিত নিবনুৱাৰ সংখ্যা প্ৰায় ২০ লাখ। পঞ্জীয়ন নকৰা নিবনুৱাৰ সংখ্যা ইয়াৰ লগত যোগ কৰিলে এই সংখ্যাটো আৰু অধিক বৃদ্ধি পাব। চৰকাৰীয়ে হওক বা বেচৰকাৰী খণ্ডতে হওক, এইসকল নিবনুৱাক নিযুক্তি দিবলৈ পৰ্যাপ্ত ব্যৱস্থা চৰকাৰে এতিয়াও গ্ৰহণ কৰিব পৰা নাই। বজাৰ আৰু পথাৰ দখলৰ কথা কোৱা চৰকাৰৰ হাতত নাই কিদৰে দক্ষতা আৰু কাৰিকৰী প্ৰশিক্ষণেৰে উদ্যোগীকৰণৰ পৰিৱেশ সৃষ্টি কৰিব পৰা যায় তাৰ কোনো বাস্তৱসন্মত উপায়। কেৱল হিতাধিকাৰী সৃষ্টিৰে যুগ যুগ ধৰি অসমীয়া লোকক কৰি আহিছে প্ৰৱঞ্চনা। যাৰ ফলত প্ৰজন্মৰ পাছত প্ৰজন্ম হৈ পৰিছে হতাশ, স্বপ্ন আৰু স্বপ্ন ভংগৰ আলিদোমোজাত বাট বিচাৰি নোপোৱা আমাৰ প্ৰজন্মই নেতাৰ নেগুৰত ধৰি ঘূৰি ফুৰিব লগা হৈছে। কিন্তু নিয়োগহীনতাৰ এই চূড়ান্ত পৰিৱেশৰ পাছতো শাসনাধিষ্ঠিত বিজেপি চৰকাৰে ধৰ্মৰ ভিত্তিত বিদেশীক ভাৰত তথা অসমত সংস্থাপিত কৰিবলৈ বিচাৰিছে। এখন সম্পদশালী ৰাজ্য হোৱাৰ পাছতো ভাৰতৰ আন ৰাজ্যৰ সমানে উন্নয়ন, নিয়োগ, বিকাশ আদিৰ ক্ষেত্ৰত আগবাঢ়িবলৈ সক্ষম নোহোৱা অসমে এতিয়া বোজা ল'ব লাগিব এইসকল লোকৰ। গতিকে আমি অসমবাসী ৰাইজৰ পক্ষে যে নাগৰিকত্ব সংশোধনী আইন ২০১৯ কেতিয়াও হ'ব নোৱাৰে ইয়াৰ সাৰমৰ্ম উপলব্ধি কৰি আমি সকলোৱে দলে ইয়াৰ ঘোৰ বিৰোধিতা কৰিব লাগিব।

ফোনঃ ৯৭০৬১-৪৫০৯৯

বজাৰ আৰু পথাৰ দখলৰ কথা কোৱা চৰকাৰৰ হাতত নাই কিদৰে দক্ষতা আৰু কাৰিকৰী প্ৰশিক্ষণেৰে উদ্যোগীকৰণৰ পৰিৱেশ সৃষ্টি কৰিব পৰা যায় তাৰ কোনো বাস্তৱসন্মত উপায়। কেৱল হিতাধিকাৰী সৃষ্টিৰে যুগ যুগ ধৰি অসমীয়া লোকক কৰি আহিছে প্ৰৱঞ্চনা।

## ‘প্ৰেমৰাগ’

■ হিৰোচিমা বৰা পাঠক



ভালপোৱা...
মৰম....
নে নিচা..... ?
হয়তো হঠাৎ প্ৰাণ পাই উঠা
এটি ৰাগিলগা আবেগ।
এটি ধাননিৰ দৰে সেউজীয়া সপোন,
আৰু চাৰিওফালে আৱৰি থকা
তুমি তুমি যেন এটা সত্বা।

আৰু মই ....
তোমাৰ দিশভ্ৰষ্ট প্ৰেমিক।।

তোমাৰ প্ৰেমত মাতাল ন'হলেও
সাগৰৰ নিলা সিঁচি দিব বিচাৰো
তোমাৰ দুচকুত,
তেজাল বেলিৰ অবিৰ সানি
তোমাকো ৰাঙলী কৰিব বিচাৰো
মোৰ প্ৰেমৰ ৰাগীত।

চুই চাবলৈ মন যায়
তোমাৰ দুখনি গাল,
কাণৰ কেৰু।
সাগৰৰ সমান হেঁপাহ মোৰ
দুচকুত সুৰুযমুখীৰ স্বপ্ন...
মই প্ৰেমিক,
তোমাৰ আজন্ম প্ৰেমিক।

*ফোন ঃ ৯৯৫৪২৪৪৩৬৯*

## সিহঁতৰ শোকৰ জোৱাৰবোৰ

■ পল্লৱী গোস্বামী

সিহঁতৰ শোকৰ জোৱাৰবোৰ
শীতে গভীৰ কৰি তোলে।

ফটা নিহালিখন টানি
সিহঁতে কত ৰাতি
উজাগৰে পাৰ কৰে।

শীতে সোঁৰৰাই দিয়ে
আঘোণৰ আচ্ছাদন।


সিহঁতে হেপাঁহবোৰ পূৰ্ণ কৰে
লেলাউটিৰ সীমনাৰে
ভোগালীৰ ভোগজৰা বুলি।

সম্ভৱতঃ
কোনোকালেই শীতে
সিহঁতক আকোঁৱালি ন'লব নেকি
ভোগৰ অংশীদাৰ কৰি।

চিৰদিন সিহঁতৰ শুকান ওঁঠযুৰিত
বাজি নুঠিব নেকি
বিহু, উৰুকাৰ ৰাতি
এক প্ৰত্যাশাৰ বাঁহী।

# দলবাগৰা ৰাজনীতি আৰু যুৱ-প্ৰজন্ম

■ ফুকন ৰাজবংশী



শগুন আৰু আজিকালিৰ ক্ষমতালিপ্সু তথাকথিত ৰাজনীতিকসকলৰ মাজত এটা ডাঙৰ মিল আছে। শগুনে যিমান ওপৰেৰে উৰি থাকিলেও চকু পৃথিৱী পৃষ্ঠৰ মৰাশতে থাকে, একেদৰে আজিকালিৰ ৰাজনীতিকসকলেও যিমানেই উচ্চ পদবীত নাথাকক কিয়, ক্ষমতালাভৰ লালসা তেওঁলোকে কাহানিও নাপাহৰে। লাগিলে দেশ, দলীয় নীতি, আদৰ্শ ৰসাতলে যাওক, তালৈ তেওঁলোকৰ কোনো ভ্ৰূক্ষেপ নাই। নিৰ্বাচনৰ পিছৰ তিনিটামান বছৰ সাধাৰণ ৰাইজৰ পৰা এক নিৰ্দিষ্ট দূৰত্বত থাকি অতি সন্তৰ্পণে লক্ষ কৰে ৰাজনীতিৰ বতাহ কোনপিনে বলিছে। তাৰ কিবা উমান পোৱা মাত্ৰকেই নিজৰ দল, নীতি, আদৰ্শ, ৰাইজক দিয়া প্ৰতিশ্ৰুতি সকলো পাহৰি আগন্তুক নিৰ্বাচনত জিকাৰ সম্ভাৱনা থকা দলটোৰ নেতাসকলৰ লগত যোগাযোগ আৰম্ভ কৰে। সমান্তৰালভাৱে নিজৰ পুৰণি দলটোৰ নেতৃত্বৰ লগত আৰম্ভ কৰি দিয়ে ব্লেকমেইলিঙৰ ৰাজনীতি। এটা পৰ্যায়ত নিজকে ধুৱা তুলসীৰ পাত বুলি দাবী কৰি যিমান পাৰি আগৰ দলৰ নেতৃত্বৰ কুৎসা ৰতনা কৰি যোগ দিয়ে আন এটা দলত। এয়াই হৈছে এতিয়াৰ ৰাজনীতিৰ মূল মন্ত্ৰ। দেশ যিফালে যায় গৈ থাকক, জনসাধাৰণ ভোকত ককবকাই থাকে থাকক, মোৰ চকীখন থাকিলেই হ'ল। অৱশ্যে, শগুনে পেটৰ ভোক গুচাই অজানিতে হলেও পৃথিৱীখন পৰিষ্কাৰ কৰি পেলায়। আনহাতে এতিয়াৰ ৰাজনীতিকে তেওঁলোকৰ পেটৰ আৰু মনৰ ভোক গুচাই কেতিয়ানো নিজেই পৃথিৱীখনৰ আৱৰ্জনা হৈ যায় গমকে নাপায়।

এতিয়াৰ ৰাজনীতি ৰাইজক সেৱা কৰা নহয় যেন জনপ্ৰতিনিধি কিনাবেচাৰ এখন খেল। তাকেই আমি বিটিচিৰ সদ্য সমাপ্ত পৰিষদীয় নিৰ্বাচনৰ ক্ষেত্ৰত দেখিলোঁ। যি দলৰে নহওক কিয়, চৰকাৰ গঠন কৰিব পৰাকৈ তেওঁলোকৰ দলে পৰ্যাপ্ত আসন লাগিলে নেপাওঁকেই, ফলাফল ঘোষণাৰ পিছত নিৰ্বাচিত প্ৰতিনিধিসকল মহানগৰীৰ বিলাসী হোটেলত জিৰণি ল'ব লাগে নে যিসকল মানুহৰ ভোট লৈ তেওঁলোক নিৰ্বাচিত হ'ল সেই মানুহখিনিৰ ওচৰলৈ যাব লাগে? সেইখিনি সৌজন্যও প্ৰতিনিধিসকলৰ নহ'ল। এনে ধৰণৰ কথাবোৰে স্পষ্ট কৰে যে হৰ্চ ট্ৰেডিঙৰ ভয়ত প্ৰতিনিধিসকলক হোটেলত সুমুৱাই থাকিবলৈ কোনো প্ৰভাৱশালী শক্তিৰ দ্বাৰা বাধ্য কৰোৱা হৈছে। আৰু সেই প্ৰভাৱশালী শক্তি যে বিজেপিৰ ৰাজ্যিক আৰু কেন্দ্ৰীয় নেতৃত্ব সেই কথা এতিয়া কাৰো বুজিবলৈ বাকী নাই। চৰকাৰ গঠন কৰিবলৈ অতি কমেও একৈশখন আসনৰ প্ৰয়োজন হোৱা বিপিএফ দলৰ মুৰব্বীগৰাকীয়ে মাত্ৰ সোতৰখন আসন লাভ কৰি কিদৰে চৰকাৰ গঠন কৰাৰ দাবী কৰে বাৰু ? এইবোৰ হৈছে সাধাৰণ জনতাক বঞ্চনা কৰা কথা।

পশ্চিমবংগত দলবাগৰা নেতাৰ উজান আমি দেখিলোঁ। বিগত মাহৰ মাত্ৰ এটা সপ্তাহতে পশ্চিমবংগৰ শাসনাধিষ্ঠিত দলটোৰ পৰা দলত্যাগ কৰি কেইবাজনো বিধায়কৰ লগতে ৰাজ্যিক পৰ্যায়ৰ বিষয়বাবত থকা নেতায়ো নিশাটোৰ ভিতৰতে অন্য দলৰ শৰণাপন্ন হ'ল। যি দলৰ ছত্ৰছায়াত থাকি এজন সাধাৰণ সদস্যৰ পৰা এগৰাকী পৈনত নেতা হৈ বিধায়ক, সাংসদ, মন্ত্ৰী পৰ্যন্ত হয়, সেই দলটো বা তেওঁলোকৰ নেতৃত্ব হঠাতেনো ইমান বেয়া হৈ যায়নে যে বছৰৰ পিচত বছৰ ধৰি উঠোতে বহোতে কুৎসা ৰতনা কৰা একোটা দল বা তাৰ নেতৃত্বৰ গাত ইমান ভাল গুণ আহি যায় যি হিমন্ত বিশ্ব শৰ্মাই গুজৰাটৰ পানীৰ পাই পেৰে মুছলমানৰ তেজ বয় বুলি কৈ একালৰ গুজৰাটৰ মুখ্যমন্ত্ৰী এতিয়াৰ দেশৰ প্ৰধানমন্ত্ৰীজনক ভৰ্ৎসনা কৰিছিল, এতিয়া সেইজন মন্ত্ৰী মোডীৰ পৰম ভক্ত হৈ পৰিল। ৰাষ্ট্ৰীয় পৰ্যায়ৰ কথা নকলোৱেই যেনিবা, অসমতে যে কিমান এনেকুৱা ৰাজনীতিকৰ নাম ওলাব যাৰ নীতি, আদৰ্শ, কথা আৰু কামৰ মাজত কোনো মিল নাই ৰাজ্যখনৰ শাসনাধিষ্ঠিত চৰকাৰখনৰ মুখ্যমন্ত্ৰীজনৰ পৰা আৰম্ভ কৰি বিধায়কলৈ কোনজন নেতা কোনটো দলৰ পৰা আহি কেনেকৈ আজিৰ স্থান পালে তাৰ চিত্ৰাংকন কৰিলে হয়তো চিত্ৰকৰৰে আঁত হেৰাই যাব। এয়াই নেকি এতিয়াৰ ৰাজনীতিৰ আদৰ্শ? জ্যেষ্ঠসকলৰ এনে কাণ্ডবোৰ দেখি কনিষ্ঠসকলে কোন বাটে আগুৱাব? গণতন্ত্ৰ বুলিবলৈ থাকিবনে কিবা?

আমি কত আশা আৰু ভৰষাৰে এজন প্ৰাৰ্থীক আমাৰ বহুমূলীয়া ভোটটো দিওঁ, নিৰ্বাচনৰ পিছতে যে তেওঁ আন এটা দললৈ গুচি যায়, আমাৰ ভোটটোও এজনৰ পৰা আন এজনলৈ বদলি কৰিব পৰা নিয়ম এটা দাবী কৰাৰ অধিকাৰ নিশ্চয় আমাৰো আছে আৰু সেই সময় আহি পৰিছে। কিয়নো সাধাৰণ ভোটাৰ ৰাইজক গিনিপিগ সজাই তেওঁলোকে একমাত্ৰ গাদী আহৰণৰ স্বাৰ্থতে বাঘে-চাগে পানী খাই হ'লেও ৰাজনীতি কৰে। আচলতে এয়া কোনোপধ্যে ৰাজনীতি হ'বই নোৱাৰে। ই এটা খুল্লাম খুল্লা কৰা দুৰ্নীতি। এই ক্ষেত্ৰত শাসক বিৰোধী বুলি কোনো বিভাজন নাই। লক্ষ্য আৰু উদ্দেশ্য সকলোৰে একেই। ফলস্বৰূপে আমাৰ সমাজৰ এক বৃহদাংশ লোক বিপথে পৰিচালিত হৈ আছে। ক্ৰমাৎ এই পৰিঘটনাই বিপদ মাতিব বিশ্বৰ ভিতৰতে বৃহৎ গণতান্ত্ৰিক ৰাষ্ট্ৰখনৰ। যেতিয়া নিজৰ মাজতে উমি উমি জ্বলি থকা জুইকুৰা বিদ্ৰোহলৈ পৰিৱৰ্তিত হ'ব তেতিয়া গণতন্ত্ৰক চম্ভালা সহজ হৈ নাথাকিব। হয়তো এনেবোৰ কথা চিন্তা কৰিয়েই তদানীন্তন জনতা দলৰ মিত্ৰজোঁটৰ কেন্দ্ৰীয় চৰকাৰে ১৯৭৮ চনত “দলত্যাগ বিৰোধী আইন” প্ৰৱৰ্তন কৰিছিল। কিন্তু কোনো অজ্ঞাত কাৰণত এই আইন নিস্তেজ হৈ থাকিল। দলবাগৰা ৰাজনীতিকৰ সংখ্যা কমাতকৈ দিনক দিনে বাঢ়িহে গ'ল। অতি সম্প্ৰতি এনেকুৱা এটা পৰ্যায়ত ৰাজ্যৰ বা দেশৰ ৰাজনীতি ভৰি থৈছে যে কাৰ্লমাৰ্ক্স কোৱা “ৰাজনীতি দুৰ্জনৰ শেষ আশ্ৰয়স্থল” (Politics is the last resort of scoundrel), এই কথাষাৰ আখৰে আখৰে শুদ্ধ বুলি প্ৰতিপন্ন হ'বলৈ ধৰিছে। কাৰণ ইয়াৰ আগলৈ গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, শৰৎ চন্দ্ৰ সিংহ, গোলাপ বৰবৰা, লক্ষ্যধৰ চৌধুৰী, দীনেশ চন্দ্ৰ গোস্বামী আদিৰ দৰে কিছুসংখ্যক সৎ, গুণী-জ্ঞানী, দেশহিতৈষী নেতা থকাৰ বাবে কাৰ্লমাৰ্ক্সৰ কথাষাৰে পূৰ্ণতা পোৱা নাছিল। বিগত শতিকাৰ শেষৰটো দশকৰ পৰা ৰাজনীতিৰ ভেজালকৰণ স্পষ্ট হৈ এতিয়া বিশুদ্ধখিনি চকুত নপৰাই হ'ল।

আমাৰ দেশৰ মুঠ জনসংখ্যাৰ ৬৫ শতাংশৰে বয়স ৩৫ বছৰতকৈ কম। এইসকল যুৱ জনতাৰ ওপৰতে দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰি আছে। এই প্ৰজন্ম যিফালে গতি কৰিব, উত্তৰ প্ৰজন্ময়ো সেই পথেই ল'ব আৰু প্ৰবীনসকলেও নিজৰ পথ এৰি এই যুৱপ্ৰজন্মৰ পথেৰে আগুৱাবলৈ বাধ্য হ'ব। আজিৰ উন্নত প্ৰযুক্তিয়ে প্ৰত্যেকটো ভাৰতীয় পৰিয়ালকে এই কথাই শিকাইছে। সেইবাবে প্ৰতিটো দিনৰ প্ৰতিটো খোজ এই প্ৰজন্মই অতি সন্তৰ্পণে দিয়া ভাল। ভোটটো দিয়াৰ আগত সেই সমষ্টিটোত প্ৰাৰ্থীজনৰ গ্ৰহণযোগ্যতা পুংখানুপুংখভাৱে বুজি লোৱা উচিত। প্ৰাৰ্থীজনৰ অতীত আৰু বৰ্তমানৰ কথা আৰু কামবোৰৰ সাদৃশ্য আছেনে নাই, ন্যূনতম শিক্ষাগত অৰ্হতাখিনি আছেনে নাই, তেওঁৰ দূৰদৰ্শিতা, বাকপটুতা, জাতীয় চেতনাবোধ আদি সকলো চালিজাৰি চাইহে ভোটটো দিয়া উচিত। কাৰণ, শিক্ষাদীক্ষা নথকা, গাৱঁলীয়া হোজা মানুহখিনিয়েতো সৰু সৰু কথাতে ভোল গৈ যিকোনো প্ৰাৰ্থীকে ভোটটো দিব পাৰে। সেয়া হোৱাটোৱেই স্বাভাৱিক। কিন্তু একৈশ শতিকাৰ যুৱক এজন হৈয়ো যদি মটৰচাইকেলৰ কেইলিটাৰমান পেট্ৰলৰ বিনিময়ত নিজৰ বিনামূলীয়া ভোটটো বিক্ৰী কৰে তেন্তে আকাংক্ষিত জনপ্ৰতিনিধি এজন আমি কেনেকৈ পাম? প্ৰতিনিধিজন ভাল হ'লে তেওঁ যি দলৰে নহওক কিয়, তেওঁ কোনোপধ্যেই নিজৰ নীতি, আদৰ্শৰ লগত আপোচ নকৰে। কিন্তু ইয়াৰ বিপৰীতে প্ৰাৰ্থীজনৰ স্বভাৱ-চৰিত্ৰ বেয়া হ'লে সমগ্ৰ দলটোকেই এদিন দূষিত কৰিব পাৰে। তেনে হ'লে সেই দলৰ চৰকাৰখনে ৰাইজৰ হিতাৰ্থে কি কাম কৰিব সেয়া সহজেই অনুমেয়।

কোনো এটা দলৰ আদৰ্শক আকোঁৱালি ল'ব নোৱাৰি নিজৰ আদৰ্শৰ লগত মিল থকা দল এটাত যিকোনো মানুহে যোগদান কৰিব পাৰে। কিন্তু আন দল এটাত যোগদান কৰাৰ অন্তৰ্নিহিত কাৰণ যেতিয়া ক্ষমতা লিপ্সা হয় আৰু সেয়া তেওঁৰ কথা-কামত স্পষ্ট হয়, তেনে প্ৰাৰ্থীক সকলোৱে দূৰতে বিদূৰ কৰা উচিত। এটা কথা ঠিক যে যদিহে আমি আমাৰ ভোটাধিকাৰৰ সদ্ব্যৱহাৰ কৰি উপযুক্ত প্ৰাৰ্থীজনক নিৰ্বাচিত কৰাত বিফল হওঁ, জনহিতৈষী চৰকাৰ এখন কোনোপধ্যে আশা কৰিব নোৱাৰোঁ। প্ৰতিটো নিৰ্বাচনতে প্ৰতিটো সমষ্টিতে বহুকেইজন এনেকুৱা প্ৰাৰ্থীয়ে প্ৰতিদ্বদ্বন্দ্বিতা আগবঢ়ায়, যি সমাজখনৰ উত্তৰোত্তৰ বিকাশ কামনা কৰাই নহয় তাক কাৰ্য্যতো ৰূপায়ণ কৰিব পাৰে। কিন্তু একমাত্ৰ ভোটাৰৰ সচেতনতাৰ বাবে উপযুক্ত প্ৰাৰ্থীসকলে পৰ্যাপ্ত ভোট নাপাই নিৰ্বাচনত হাৰিবলগীয়া হয়। কিন্তু আধুনিক শিক্ষাৰে শিক্ষিত নৱপ্ৰজন্মৰ পৰা ইয়াৰ ব্যতিক্ৰম নিশ্চয় সমাজখনে আশা কৰিব পাৰে আৰু সেই আশা বাস্তৱায়িত কৰাটো নৱপ্ৰজন্মৰ দায়িত্বও।

*ফোন ঃ ৯৮৬৪৯৩৯২০৯*



গল্প

# অনাকাংক্ষিত

■ জহিৰুল ইছলাম

কথাবোৰ নকওঁ বুলিও ক'ব নোৱৰাকৈ থাকিব নোৱাৰিলে লস্কৰে। শিখামণি এতিয়া চহৰৰ নিলগতে এটা ভাৰা-ঘৰৰ বাসিন্দা। কণমানি ছোৱালীজনীক বুকুত সাবটি দেখিছে জীয়াই থকাৰ সপোন।

মই ধৰিব পৰা নাছিলোঁ হঠাৎ শিখামণিৰ কথা সোধাত লস্কৰে তেনেদৰে কথাবোৰ কিয় কৈছে—

ঃ “কি হৈছে ক'চোন। ইমান আবেগিক কিয় আজি? কিবা গণ্ডগোল লগা নাইতো?

ঃ “কি কম, তই নাজান হ'বলা?

ঃ “কছম, মই একো নাজানো। অৱশ্যে মায়ে মোক কালি এবাৰ তোৰ খবৰ পাওঁনে নাপাওঁ সুধিছিল। মই একো কোৱা নাছিলোঁ। আচলতে মই ব্যৱসায় সূত্ৰে দিল্লীলৈ যোৱাত যোৱা তিনিমাহ কাৰো লগত যোগাযোগ কৰিব পৰা নাছিলোঁ। মোৰ মোবাইল ফোনটোও ৰেলত গৈ থকা অৱস্থাত চোৰে লৈ যায়। মুঠতে সকলো ধৰণৰ যোগাযোগৰ পৰা বিচ্ছিন্ন হৈ পৰিছিলোঁ। মাত্ৰ দুদিনমান হৈছে ঘৰলৈ অহা। তোৰ নম্বৰ পাওঁতে আকৌ এদিন গুছি গ'ল।”

ঃ “বাৰু, তহঁত ডাঙৰ মানুহ, আমাৰ খবৰ নল'লেও হ'ব।”

ঃ “ধেৎ তেৰি, ইমান ফৰ্মেল ন'হবিচোন ৰ' মই গা-ধুই তহঁতৰ ঘৰলৈ গৈ আছোঁ।”

ঃ “নাই, নাই, নাহিবি , মই এতিয়া ঘৰত নাই।”

ঃ “মানে–?”

ঃ “মই গুৱাহাটীলৈ গুচি আহিছোঁ।”

ঃ “গুৱাহাটীৰ ক'ত?“

ঃ “দিছপুৰৰ ওচৰতে ৰূম এটা ভাৰা লৈ আছোঁ।”

ঃ“ ঠিক আছে। পিছত কথা পাতিম।”

ফোনটো কাটি দি মই কথাবোৰ ভাবি-ভাবি অস্থিৰ হৈ পৰিলোঁ। বিভিন্ন প্ৰশ্নই মনৰ মাজত খেলিমেলি লগাব ধৰিলে। তেনেতে মায়ে –

ঃ “বোপা গা-ধুই আহ। ভাত ঠাণ্ডা হৈ যাব। খাই উঠি বোৱাৰীক লৈ আহ গৈ। মাজনীৰ ছৰ্দি লগাৰ কথা শুনিছিলোঁ। তোৰতো ব্যৱসায় বাদে একোৰে খবৰ নাই। কোন মৰে-কোন জীয়ে,- খবৰ ৰাখনে তই?”

মাৰ অভিমান মিশ্ৰিত খং, বৰ ভাল লাগে। সেইবাবে মাজে-মধ্যে শুনিও নুশুনাৰ ভাও ধৰি গালি খাওঁ।

সময়ৰ চাকনৈয়াত জীৱনৰ ছন্দপতন। জীৱনৰ পৰা হেজাৰ সপোনে কেতিয়া মেলানি মাগে নীৰৱে, ধৰিবই নোৱাৰি। অনামিকাৰ লগত যোৱা পাঁচবছৰে বহু অভিজ্ঞতাই হৈছে মোৰ। কিদৰে শূন্য হাতৰ পৰা এজন প্ৰতিষ্ঠিত ব্যৱসায়ী হ'ব পাৰি, তাৰ পাঠ যেন মই তাইৰ পৰাই পাইছোঁ। হয়তো সেই বাবেই আজি লৈকে আমাৰ মাজত কোনো সমস্যাই মুৰ দাঙি উঠিব পৰা নাই। ছোৱালীজনীৰ জন্মৰ সময়তো মই সময় দিব পৰা নাছিলোঁ তাইৰ লগত থাকি অলপ সাহস দিবলৈ। তথাপি কিয়বা অলপো অভিযোগ কৰা নাই তাই। মাজে সময়ে অলপ অভিমান কৰে যদিও সেয়াও ভালপোৱাৰ বহিৰ্প্ৰকাশ।

ৰাতি ন বাজি ত্ৰিছ মিনিট। তামোল এখন খাওঁ বুলি বৈশ্যদাৰ দোকানলৈ গ'লো। বৈশ্যদাৰ দোকানত ৰাতি এঘাৰমান বজালৈকে ভিৰ থাকে। গুৱাহাটী অভিমুখী নৈশ বাছ বোৰ আহি লাটুমৰ হোটেলৰ সন্মুখত ৰয়। বাছ-ষ্টাফ খিনিয়ে নৈশ আহাৰ গ্ৰহণ কৰি বৈশ্যৰ দোকানত তামোল-পাণ, বিড়ি-ছিগাৰেট খোৱাটো সিহঁতৰ দৈনন্দিন কাৰ্য। দোকানৰ বাৰান্দাত কেৰম বোৰ্ড এখন আছে। দিনটো বিৰামহীনভাবে বিভিন্নজনৰ সংস্পৰ্শলৈ আহে। মাজে-মাজে ময়ো সিহঁতৰ লগত খেলোঁ। জ্বাৰৰ দিনত বাল্ব এটা জ্বলাই দি কেৰম খেলৰ মজাই বেলেগ; কিন্তু আজি কিয়বা কেৰম বোৰ্ডখন খালী হৈ পৰি আছে। বৈশ্যদাক সুধি গম পালোঁ আজি সিহঁতৰ মাজত কাজিয়া হৈছিল। এনেতে হঠাৎ লস্কৰৰ ফোন।

ঃ “হেল্লো, ক”’

মই লাহেকৈ বৈশ্যদাৰ পৰা তামোল আৰু ছাধা এপেকেট লৈ ঘৰৰ ফালে খোজ দিলোঁ।

ঃ “কি হৈছে ক'চোন?”

ঃ “যোৱা দুমাহ আগলৈকে মোৰ আৰু শিখামণিৰ মাজত সম্পৰ্ক ঠিকেই আছিল; কিন্তু হঠাৎ এদিন শিখামণিয়ে মোক ক'লে মই আৰু তোমাৰ লগত থাকিব নোৱাৰোঁ। মোৰ মুৰত সৰগ ভাগি পৰা যেন লাগিল। প্ৰথমাৱস্থাত মই ছিৰিয়েছ বুলি ভবা নাছিলোঁ যদিও পৰৱৰ্তী সময়ত সেয়া যেন বদ্ধমূল হৈ পৰিল। মোৰ কি অপৰাধ, একো খুলি নোকোৱাকৈ তাই কিয় গুছি গ'ল? মই নাজানোঁ। চেষ্টা কৰিও বিফল হৈছিলোঁ। অন্ততঃ এবাৰ ক'বলৈ অনুৰোধ কৰিছিলোঁ; কিন্তু তাই নক'লে।”

ঃ “ঐ তোৰ কিবা বেলেগৰ লগত —?”

ঃ “ধেৎ তেৰি, তই তেনেকৈ কিয় কৈছ? মোৰ কোনটো কথা তই নাজান, ক'চোন?”

ঃ “জানো যদিও- থাকিবও পাৰে। বৰ্তমান যি যুগ জামানা আহিছে। কোনে, কেতিয়া– ”

ঃ “তই এই বিষয়ে শিখামণিক সুধিবি। ময়ো এই সম্পৰ্কে জানিব বিচাৰোঁ। কাৰণ মোৰ কি এনে অপৰাধ আছিল যাৰ শাস্তি মই জীৱনটো বব লাগিব? এবাৰ অন্ততঃ মোক সুযোগ দিব লাগিছিল, মই যদি কিবা অপৰাধ কৰিছিলোঁ। অৱশ্যে ইমান দিনে এটা কথাত মোৰ সন্দেহ হৈছে, হয়তো সেইটোৱেই মুখ্য কাৰণ হ'ব পাৰে”

ঃ “কি কথা ক'চোন।”

ঃ “মই নকওঁ। নহ'বও পাৰে। অৱশ্যে তই জান সেই বিষয়ে।”

ফোনটো হঠাৎ সংযোগ বিচ্ছিন্ন হ'ল। আকৌ দুবাৰমান চেষ্টা কৰিলোঁ যদিও চুইচ অফ।

কথাবোৰ অলপ জটিল যেন অনুমান কৰি আমাৰ শ্ৰীমতীৰ লগত কথাখিনি আলোচনা কৰি এটা উপায় উলিয়াবলৈ থিৰাং কৰি মাত লগালো-

ঃ “হেৰা শুনিছানে? “অলপ আহাচোন এই ফালে।” আহিলত কথাটো উত্থাপন কৰিলোঁ।

শিখামণি আৰু লস্কৰৰ বিবাহ বিচ্ছেদৰ কথাটো তুমি কি কাৰণত হৈছে বুলি ভাবি আছা, অলপ কোৱাচোন।

ঃ “মই কেনেকৈ কম?”

ঃ “তথাপি,- ধাৰণা এটা নিশ্চয় কৰিছা”।

ঃ “মই যিটো ভাবিছোঁ হয়তো সেইটোৱেই।”

ঃ“ কি ভাবিছা? কোৱাচোন বাৰু।”

ঃ “সন্দেহ( ?) হয়তো সন্দেহৰ চিকাৰ হৈছে শিখাই।”

ঃ “কাকলৈ সন্দেহ কৰিলে? আজিলৈকে শিখামণিৰ বাহিৰে দ্বিতীয এজনী ছোৱালীৰ চেহেৰা ভালকৈ নেদেখা ল'ৰাজনক ইমান ডাঙৰ শাস্তি দিয়াটো মুঠেই ঠিক হোৱা নাই। তাই পস্তাব লাগিব, চাবা তুমি।”

তাৰ পিছত লস্কৰক বিচাৰি কেবাবাৰো গুৱাহাটীলৈ গৈছিলোঁ যদিও সি মোক লগ নিদিয়াকৈ পাৰ কৰিলে যোৱা এটা বছৰ। শিখামণিক বিচাৰিও সিহঁতৰ ঘৰলৈ দুবাৰমান গৈছিলোঁ যদিও ঘৰৰ মানুহে মোক ঠিকনা নিদিয়াকৈ উভতাই পঠিয়াইছিলে।

সময় সন্ধিয়া। মই মাজনীৰ লগত টিভি চাই আছিলোঁ। শ্ৰীমতীয়ে পাক-ঘৰত ৰন্ধাত ব্যস্ত। হঠাৎ অ'টো এখন গেটৰ সন্মুখত ৰখাৰ শব্দত খিৰিকীখন খুলি ভুমুকি মাৰি চালোঁ। কোনোবা আহিছে যেন অনুমান কৰি মাজনীক টিভিৰ ৰিমটটো হাতত দি গেট খন খুলি দিবলৈ মই বাহিৰলৈ গ'লো। গেটখন খুলি দি দেখিলোঁ সৰু ছোৱালী এজনী কোলাত লৈ থিয় হৈ আছে এগৰাকী মহিলা। মুখখন ওৰণিৰে ঢকা কাৰণে প্ৰথমে ধৰিবলৈ অসুবিধা হৈছিল যদিও-“ আপুনি ভালে আছেনে”-বুলি সোধাত হে গ'ম পালোঁ। যাক বিচাৰি মই কেবাবাৰো গৈ নিৰাশ হৈছিলোঁ তাইক হঠাৎ তেনে অৱস্থাত আমাৰ ঘৰলৈ অহা দেখি আচৰিত হোৱাই নহয়, আৱেগিকো হৈ পৰিছিলোঁ। ঘৰত আলহী অহাৰ সম্ভেদ পাই শ্ৰীমতীও আগবাঢ়ি আহি খবৰ-খাতি লোৱাৰ লগতে ছোৱালীজনীক কোলাত লৈ মৰম কৰিব ধৰিলে।

ৰাতি শিখামণিৰ পৰা সকলো ঘটনাৰ বিৱৰণ শুনি প্ৰশ্ন জাগিল মনলৈ, ‘সম্পৰ্কবোৰ ইমান ঠনুকা নে’? কণমানি ছোৱালীজনীক লগত লৈ শিখাই বাস কৰে গোৱালপাৰা চহৰৰ নিলগতে এটা ভাৰা-ঘৰত। ঘৰৰ অমতত বিয়াত বহা বাবে ঘৰৰ মানুহেও তাইক সঁহাৰি দিয়া নাছিল এনেহেন বিপদৰ দিনতো। পাহৰি গৈছে সম্পৰ্কৰ এনাজৰী। শিখাৰ দেউতাক এল, পি স্কুলৰ হেড মাষ্টৰ আছিল। এটা সময়ত সম্পৰ্ক মানি ল'বলৈ চেষ্টা কৰিছিল যদিও নোৱাৰিলে।

শিখামণিয়ে বুজিব পাৰিছে কিমান ডাঙৰ অপৰাধত অপৰাধী তাই। লস্কৰে ৰক্ষা কৰা এক পবিত্ৰ সম্পৰ্কত কালিমা সানি নিজে উপলব্ধি কৰিছে যে–

“দেখা সত্যৰ আঁৰত যে আন এটা সত্য লুকাই থাকে”- শিখাই সেইজনীৰ ওচৰলৈও গৈছিল যাক কেন্দ্ৰ কৰি আজি এই অৱস্থাৰ সন্মুখীন হৈছে সিহঁত। ফলত প্ৰায়শ্চিত্তৰ বাট বিচাৰি আহিছে মোৰ ওচৰলৈ; কিন্তু কথাটো মোৰ দেৰি হোৱা যেন লাগিছে কাৰণ যোৱা প্ৰায় এবছৰ ধৰি মোৰ লগত যোগাযোগ নাই লস্কৰৰ। কি কৰে, ক'ত থাকে? একো খবৰ নাই। ফোন নম্বৰটোও বিকল। শিখামণিয়ে কথাবোৰ কওঁতে আবেগিক হৈ চকুলো টুকিছে।

ময়ো ৰ'ব নোৱাৰি কথাবোৰ সামৰিব দিলোঁ। ৰাতিপুৱা কিবা এটা দিহা কৰা যাব বুলি সান্তনা দি মই টিভি ৰূমত গৈ শুই পৰিলোঁ। মোবাইলটো চাৰ্জৰ পৰা খুলি অলপ ফেচবুকৰ আপডেট চাওঁ বুলি মোবাইলটো অন কৰিলোঁ। ওৱাটছপ আপডেটত বহু কিবাকিবিৰ লগতে “অনাকাংক্ষিত” ওৱাটছপ গ্ৰুপত অচিনাকি নম্বৰৰ পৰা এটা ভিডিঅ লিংক। টাইম লাইনত--

“এজন ত্ৰিছ বছৰীয়া যুৱকৰ অকাল মৃত্যু“ লিংকটোত ক্লিক কৰিলোঁ। তাৰ পিছত যি দেখিলোঁ–।

ৰাতিটো কোনোমতে সিহঁতক গম নিদিয়াকৈ উজাগৰে পাৰ কৰিলোঁ। পুৱা সোণকালে শিখামনিৰ লগত তাইকো ওলাব ক'লোঁ গুৱাহাটীলৈ যাম বুলি। তাৰ পিছত এখন অন্ধকাৰ আকাশ আৰু অনাকাংক্ষিত জীৱন।

*ফোন ঃ ৭০০২২৮৮৪৩০*



অণুগল্প

# পৰম্পৰা

■ ৰাগিণী আলম্যান

ঃ আইতা এইটো কি ? ইয়াৰে কি কৰে? একেবাৰে হাতীৰ শুড় ডালৰ দৰে দেখোন।

ঃ হাঃ হাঃ মাজনী, এই হাতীৰ শুড় ডালেৰে চাউল খুন্দি চিৰা, সান্দহ, পিঠাগুৰি আদি তৈয়াৰ কৰা হয়।

ঃ অ' হয় নেকি আইতা মই ইমানদিনে মি'ৰ গ্ৰাইণ্ডাৰতহে পিঠাগুৰি খুন্দা দেখিছোঁ আৰু বাকীবোৰ দোকানৰ পৰা কিনিহে আনে পাপাই।

ঃ এইবোৰ আমাৰ অসমীয়া সংস্কৃতিৰ আপুৰুগীয়া সম্পদ। যেনেকৈ গামোচা, পাট-মুগা কাপোৰ ঠিক তেনেকৈ ঢেঁকী, জাকৈ-খালৈ আদিও আমাৰ অসমৰ চহা জীৱনৰ অংগ। এইবোৰ তোমালোকেই জীয়াই ৰাখিব লাগিব।

ঃ আইতা তুমি চিন্তা নকৰিবা এই সম্পদবোৰ আমি জীয়াই ৰাখিম। কথা দিলোঁ তোমাক। এইবুলি মুম্বাইৰ পৰা অহা নাতিনীয়েকে আইতাকৰ কোলাত বহি ভিতৰত থকা মাকক চিঞৰি মাতিলে।

অলপ পাছতে সন্ধিয়াটো এটা আপোন আপোন লগা শব্দই চৌপাশে বিহুৰ বতৰা দিলে।

*ফোন ঃ ৯১০১৪ ৭৬০৬৫*

# সাৰথি-১০৪

■ দিবাকৰ ৰেণু

৩১ ডিচেম্বৰ, খৃষ্টীয় নৱবৰ্ষক আদৰিবলৈ সকলো মত্ত। চৌদিশে কোলাহল। সিদিনাখন মাজৰাতি দুবছৰীয়া কণমানিজনীয়ে পেটটো খামুচি আৰু কাঁহি কাঁহি কুকুহাই আছে। সন্তানৰ অসুখত মাক দেউতাকৰ কিমান কষ্ট হয়, সেয়া সৰুৰে পৰা অনুভৱ কৰিছোঁ-কিমান হিচাপ কৰি কৰি আমাক পিতৃ-মাতৃয়ে নিৰ্মাণ কৰিছে, পিতৃ-মাতৃ হোৱাৰ পিছতহে বিশেষভাৱে অনুভৱ হয়। পূৰ্বতে তেনে একো সমস্যা নথকা শিশুটিৰ এই অৱস্থাত আমি কাক কি ক'ম, কালৈ ফোন কৰিম, কোনে পৰামৰ্শ দিব আদি অনেক চিন্তাই হেঁচা মাৰি ধৰিলে। বিপদ অকলে নাহে। বিপদত ধৈৰ্য্যয়ো কেতিয়াবা বিশ্বাসঘাতকতা কৰে। কিন্তু কি কৰোঁ-দুয়ো সন্তানটিৰ সেই অৱস্থা অসহায়ভাৱে চাই থাকিলোঁ। পেটত অলপ তেল মালিচ কৰি দিলোঁ, নাই তাই বহুত কষ্টৰে কান্দি থাকিল। শেষত মনলৈ আহিল অসম চৰকাৰৰ সাৰথি-১০৪ ৰ কথা। অসম চৰকাৰে প্ৰৱৰ্তন কৰা বহুকেইটা সেৱা নাম মাত্ৰহে আছেগৈ। সেয়া আমাৰ অভিজ্ঞতালব্ধ। পূৰ্বতে ১০৮ ত ফোন কৰি চিকিৎসকৰ গালি খোৱা অভিজ্ঞতা আছে। কিন্তু উপায়বিহীনহৈ ১০৪ ত ফোন লগালোঁ। লগে লগে সিটো মূৰত এগৰাকী পুৰুষ কণ্ঠ ভাহি আহিল। তেখেতক আমাৰ ফোনৰ কাৰণ কোৱাত অতি সুন্দৰভাৱে পৰামৰ্শ দিলে। তেখেতে ঘৰুৱা দ্ৰব্যৰে আমাক যিখিনি পৰামৰ্শ দিলে, সেই পৰামৰ্শমতে আগবাঢ়িলোঁ। চিকিৎসকজনৰ নম্ৰ আৰু আন্তৰিকতাই আমাক মুগ্ধ কৰি তুলিলে। তেখেতে সকলো গান বাজনাত মত্ত থকাৰ সময়তো নিজৰ সেৱা সুন্দৰভাৱে আগবঢ়াই আমাক সুপৰামৰ্শ দিয়াৰ বাবে ধন্যবাদ জনালোঁ। চিকিৎসকজনে সেয়া তেখেতৰ কৰ্তব্য বুলি ক'লে। চিকিৎসকজনৰ পৰামৰ্শই কাম দিলে। ছোৱালীজনী সুস্থহৈ উঠিল। পিছদিনা তাইক ভালেই সুস্থ দেখা গ'ল। ফিডবেক বিচাৰি পিছদিনাখন আকৌ আমালৈ এটি ফোন আহিল এটি বিশেষ নংৰ পৰা। আমি উৎফুল্ল হৈ তেখেতসকলৰ সেৱাৰ বাবে কৃতজ্ঞতা জনালোঁ।

চৰকাৰী চাকৰি সকলোৱে কৰে। কিন্তু সেৱাৰ মনোভাৱেৰে কিমানজনে কৰে। সাৰথি-১০৪ সেৱাৰ স্বাস্থ্য কৰ্মীসকলে যি সেৱাৰ মনোভাবেৰে চাকৰি কৰি আছে, এয়া অত্যন্ত সুখদায়ক বুলি অনুভৱ হ'ল।

সাৰথি শব্দটোৰ এক মহত্বপূৰ্ণ অৰ্থ আছে। পূৰ্বতে ৰজাৰ ৰথ চলোৱা ব্যক্তি গৰাকীক সাৰথি বোলা হৈছিল। জীৱনৰ একান্ত লগৰী গৰাকীকো সাৰথি বোলা হয়। ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানৰ অধীনত অসম চৰকাৰৰ এটি বিশেষ সেৱাৰ নামো সাৰথি। অসম চৰকাৰে বিনামূলীয়াকৈ মোবাইল বা টেলিফোনৰ সহায়ত এই সেৱা আগবঢ়াই আহিছে।

সাৰথি ‘১০৪’স্বাস্থ্য তথা হেল্পলাইন সেৱা ২৪×৭ ঘণ্টাই উপলব্ধ। ‘১০৪’ নংত ডাইল কৰি স্বাস্থ্য বিষয়ক সকলোধৰণৰ প্ৰশ্নৰ উত্তৰ এই সেৱাৰে লাভ কৰাৰ সুযোগ গ্ৰহণ কৰিব পাৰি। এই সেৱাই অসমৰ তিনি কোটি জনসংখ্যক সু-সংহত মানৱ কলাসন্মত হেল্প লাইনৰ জৰিয়তে আৱৰি আছে। এই উদ্যোগৰ লক্ষ্য হৈছে চাৰিটা ভিন্ন ভাষা- অসমীয়া, বাংলা, হিন্দী আৰু ইংৰাজী ত স্বাস্থ্য সংক্ৰান্ত তথ্য সৰবৰাহ কৰা।


সঁচাকৈ সাৰথি-১০৪ সেৱা অসহায় লোকৰ বাবে সাৰথি বা বন্ধু স্বৰূপ। আমি সাৰথি-১০৪ ৰ অধিক উন্নতি কামনা কৰিলোঁ লগতে সকলো স্বাস্থ্য কৰ্মীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

*ফোন ঃ ৮৬৩৮১৪৩৮১৫*

**তেখেতে ঘৰুৱা দ্ৰব্যৰে আমাক যিখিনি পৰামৰ্শ দিলে, সেই পৰামৰ্শমতে আগবাঢ়িলোঁ। চিকিৎসকজনৰ নম্ৰ আৰু আন্তৰিকতাই আমাক মুগ্ধ কৰি তুলিলে।**

# আজি আমেৰিকা যুক্তৰাষ্ট্ৰত বিডেনৰ অভিষেক

## হিংসাৰ পৰিৱৰ্তে সহনশীল হ'বলৈ আহ্বান আমেৰিকাবাসীক, বিদায়ৰ প্ৰাক্‌ক্ষণত আৱেগিক ফাৰ্ষ্ট লেডী মেলানিয়া



**ৱাশ্বিংটন, ১৯ জানুৱাৰী ঃ** বিশ্বৰ সৰ্বশক্তিশালী দেশখনৰ ৰাষ্ট্ৰপতি পদত কাইলৈ অধিষ্ঠিত হ'ব জ' বিডেন। বিগত আঢ়ৈমাহ ধৰি বিডেনৰ ৰাজ অভিষেকক লৈ বিশ্বজুৰি উৎকণ্ঠা আৰু অনিশ্চয়তাই বিৰাজ কৰা পৰিলক্ষিত হৈছিল। কিন্তু আমেৰিকবাসীৰ সমৰ্থন আৰু জনমতৰ ওচৰত সেওমানি কাইলৈ ড'নাল্ড ট্ৰাম্পে হোৱাইট হাউচ এৰিবলৈ ৰাজী হৈছে। ইয়াৰ প্ৰাকক্ষণত আজি ফাৰ্ষ্ট লেডী মেলানিয়া ট্ৰাম্পে শেষবাৰৰ বাবে নিজৰ সমৰ্থক আৰু দেশবাসীক সম্বোধন কৰা দেখা গ'ল। নিজৰ বাৰ্তাত আৱেগিক ভাষাৰে মেলনিয়া ট্ৰাম্পে কয় যে ট্ৰাম্পৰ যিসকল সমৰ্থক বা অনুৰাগী আছে তেওঁলোক যাতে ধৈৰ্যশীল আৰু সহনশীল হৈ থাকে। কোনো কাৰণতে হিংসাত্মক কাৰ্য প্ৰশ্ৰয় দিব নালাগে। এনে কাৰ্যৰ দ্বাৰা ন্যায় লাভ কৰিব নোৱাৰি। সকলো আমেৰিকানে নিজকে দেশখনৰ সৰ্বশ্ৰেষ্ঠ নাগৰিক বা ৰাষ্ট্ৰদূত হিচাপে দায়িত্ব পালন কৰিব লাগে। সকলোৱে একত্ৰিত হৈ দেশৰ অখণ্ডতা ৰক্ষা আৰু উমৈহতীয়া শত্ৰুৰ বিৰুদ্ধে চলোৱা যুঁজত সহযোগ কৰিব লাগে। হিংসা আৰু ঘৃণাৰ বিৰুদ্ধে প্ৰেম আৰু ভালপোৱাৰে প্ৰত্যুত্তৰ দিব লাগে। হিংসাৰ বিৰুদ্ধে শান্তিৰ বাৰ্তা প্ৰেৰণ কৰিব লাগে। এনেকৈয়ে মেলানিয়াই আজি হোৱাইট হাউচ ত্যাগৰ প্ৰাকক্ষণত প্ৰদান কৰা বক্তব্যই বিশেষ তাৎপৰ্য বহন কৰিছে। কিয়নো যোৱা ৬ জানুৱাৰী তাৰিখে বিদায়ী ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সমৰ্থকে কেপিটেল হিল অঞ্চলত হিংসাত্মক আক্ৰমণ আৰু ধ্বংসাত্মক কাৰ্যত জড়িত হৈছিল ট্ৰাম্পৰ সমৰ্থকসকল। এই ঘটনাত এগৰাকী মহিলাসহ চাৰিজন লোকৰ মৃত্যু হৈছিল। ইয়াৰ কাৰণ আছিল এয়ে যে সেইদিনা আমেৰিকান কংগ্ৰেছে দেশখনৰ পৰৱৰ্তী ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচনত বিজয়ী হোৱা বুলি জ' বিডেনক প্ৰমাণপত্ৰ প্ৰদান কৰিছিল। ইয়াৰ পূৰ্বে বিগত বৰ্ষৰ ৩ নৱেম্বৰত দেশখনৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ অন্তিম ভোটগ্ৰহণ হৈছিল আৰু সেইদিনাৰ পৰাই হৈছিল ভোট গণনা। আমেৰিকাৰ নিৰ্বাচনী পদ্ধতি মতে ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হ'বলৈ ইলেক্ট্ৰ'ৰেল কলেজ ভোট নিম্নতম ২৭০টা লাভ কৰিব লাগিব। এইবাৰৰ নিৰ্বাচনত ড'নাল্ড ট্ৰাম্পে ২৩২আৰু জ' বিডেনে ৩০৬টা ভোট লাভ কৰিছিল। কিন্তু এই নিৰ্বাচন অবৈধ আৰু ভোটগ্ৰহণ তথা গণনাত ৰিগিং হোৱা বুলি অভিযোগ আনিছিল ট্ৰাম্পে। ভোট গণনা স্থগিত ৰাখিবলৈ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল ট্ৰাম্প। আনকি নিজৰ সমৰ্থকৰ জৰিয়তে ট্ৰাম্পে নিৰ্বাচনত জয়ী হোৱা বুলি প্ৰচাৰ চলাইছিল। ট্ৰাম্পে নিজে হোৱাইট হাউচ ত্যাগ নকৰে বুলিও ঘোষণা কৰিছিল। নিজকে বিজয়ী বুলি নিজেই কৰিছিল ঘোষণা। ট্ৰাম্পৰ এনে কাম-কাজে দেশখনত গৃহযুদ্ধৰ পৰিৱেশৰ সৃষ্টি কৰিছিল। সকলো আমেৰিকানে ট্ৰাম্পৰ এনে কাৰ্যক গৰিহণা দিছিল। বিশ্বৰ বহু দেশে ট্ৰাম্পৰ গতিবিধি লক্ষ্য কৰিছিল। ফলত কেবাখনো দেশে জ' বিডেনক শুভেচ্ছা জনাবলৈ সংকোচবোধ কৰিছিল। এনেধৰণৰ কঠিন পৰিস্থিতিৰ মাজতে আমেৰিকান কংগ্ৰেছৰ ঘোষণাৰ পিছত ফেচবুক, টুইটাৰ আদিয়ে ট্ৰাম্পৰ সকলো একাউণ্ট চিৰদিনৰ বাবে বাতিল কৰিছিল।



এনেকৈয়ে ট্ৰাম্পৰ বিৰুদ্ধে আনকি মহাভিযোগ উত্থাপনৰ বাবেও আমেৰিকাৰ সদন প্ৰস্তুত হ'বলৈ বাধ্য হোৱাৰ পৰিস্থিতি উদ্ভৱ হৈছে। গতিকে আভ্যন্তৰীণ সংঘাতৰ মাজতে ট্ৰাম্পে হোৱাইট হাউচ এৰিবলৈ বাধ্য হৈছে আৰু মেলানিয়া ট্ৰাম্পে আজি নিজৰ শেষ বাৰ্তাৰ জৰিয়তে সমৰ্থক আৰু দেশবাসীক সকলোধৰণৰ হিংসাত্মক কাৰ্য পৰিত্যাগ কৰিবলৈ আৱেগিক ভাষাৰে আহ্বান জনাইছে।

# ডিজাৰ্ট নাইট-২১ ঃ আকাশ মাৰ্গত ৰাফেল বিমানেৰে ভাৰত-ফ্ৰান্সৰ যুদ্ধ অনুশীলন

**নতুন দিল্লী, ১৯ জানুৱাৰী ঃ** বিশ্বৰ অন্যতম শক্তিশালী আৰু অপ্ৰতিৰোধ্য যুঁজাৰু বিমান ৰাফেলৰ অধিকাৰী হৈ পৰা ভাৰতে এতিয়া আকাশমাৰ্গত ফ্ৰান্সৰ সৈতে যুদ্ধৰ অনুশীলনৰ বাবে প্ৰস্তুত হৈছে। দুয়োখন দেশৰ যুটীয়া অনুশীলনৰ কাৰ্যসূচীৰ নাম ৰখা হৈছে ডিজাৰ্ট নাইট-২১। এই কথা প্ৰকাশ কৰিছে ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে। ফ্ৰান্সৰ পৰা ইতিমধ্যে বহুকেইখন ৰাফেল বিমান ক্ৰয় কৰি



ভাৰতৰ বায়ুসেনা বাহিনীৰ অস্ত্ৰৰ ভঁৰাল টনকিয়াল কৰি তুলিছে ভাৰত চৰকাৰে। এনেধৰণে মজুত ৰখা ৰাফেল বিমানৰ জৰিয়তে অহা ২০ আৰু ২৪ জানুৱাৰীৰ ভিতৰত যোধপুৰৰ মহাকাশত অনুশীলন চলোৱা হ'ব। ইতিমধ্যে দেশৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে স্পষ্ট কৰিছে যে ভাৰতত ইতিমধ্যে মজুত ৰখা আৰু ফ্ৰান্সৰ পৰা ক্ৰয় কৰা ৰাফেল বিমানৰ অনুশীলন যোধপুৰৰ আকাশমাৰ্গত ফ্ৰান্সৰ বিমান বাহিনীৰ যৌথ উদ্যোগত সম্পন্ন কৰা হ'ব। এই অনুশীলনীত ৰাফেল বিমানৰ উপৰিও ব্যৱহাৰ কৰা হ'ব মিৰাগ-২০০০, শু-৩০, আই এল-৭৮ আদি যুঁজাৰু বিমানসমূহ। ভাৰতে ইতিমধ্যে ৰাফেল বিমান ক্ৰয় কৰি বায়ুসেনাৰ অস্ত্ৰভাণ্ডাৰত সংযোজন ঘটোৱাৰ লগে লগে বিশ্ববাসীৰ চকু থৰ হৈ পৰিছে। কাৰণ বিশ্বৰ অন্যতম সৰ্বাধিক শক্তিসম্পন্ন আৰু দূৰ লক্ষ্যভেদী যুদ্ধবিমান হিচাপে ৰাফেলৰ সুনাম বিশ্বজুৰি আছে। সেয়েহে ফ্ৰান্সৰ বায়ু সেনাৰ জৰিয়তে ভাৰতৰ আকাশমাৰ্গত ৰাফেলৰ অনুশীলনে লাভ কৰিছে বিশ্বজুৰি বিশেষ চৰ্চা।

# পঞ্জাৱ নেশ্বনেল বেংকৰ গ্ৰাহকলৈ দুঃসংবাদ

**নতুন দিল্লী, ১৯ জানুৱাৰী ঃ** ইটোৰ পিছত সিটো দুৰ্যোগত ব্যতিব্যস্ত হৈ পৰিছে ৰাষ্ট্ৰীয়কৃত বেংক পাঞ্জাৱ নেচনেল বেংকৰ গ্ৰাহকসকল। কিছুদিন ধৰি প্ৰৱঞ্চক আৰু জালিয়াতিৰ কৱলত পৰি বেংকটো দেউলীয়া হৈছিল আৰু গ্ৰাহকৰ জমা ধন উলিয়াই নিয়াৰ ক্ষেত্ৰত প্ৰতিবন্ধকতা আৰোপ




[ক]ৰিছিল। লাহে লাহে চৰ্তভিত্তিক [স্ব]ভাৱিক অৱস্থা আৰু লেনদেন [প্ৰ]ক্ৰিয়া আৰম্ভ হৈছিল যদিও অহা ফেব্ৰুৱাৰীৰ পৰা বেংকটোৰ [এ]টিএম গ্ৰাহকসকলৰ ক্ষেত্ৰত পুনৰ নিষেধাজ্ঞা আৰোপ কৰা হৈছে। সেই অনুসৰি গ্ৰাহকসকলৰ সুৰক্ষাৰ নাম লৈ লেনদেনৰ ক্ষেত্ৰত কেতবোৰ কঠিন চৰ্তাৱলী প্ৰযোজ্য কৰিব খোজা হৈছে। যিবোৰ এটিএমত ইভিএম সংযুক্ত হৈ থকা নাই সেই এটিএমসমূহৰ পৰা ধনৰ লেনদেনৰ ক্ষেত্ৰত যাতে কোনো গ্ৰাহক প্ৰৱঞ্চকৰ জালত পৰিব নোৱাৰে তাৰ বাবে নিজৰ নিজৰ গ্ৰাহকলৈ এলানি নিৰ্দেশনা প্ৰেৰণ কৰা বুলি ব্যক্ত কৰা হৈছে। আনহাতে এটিএম ব্যৱহাৰকাৰীসকলৰ মোবাইল নামাৰত এবাৰ ব্যৱহাৰ কৰিব পৰা পাচৱৰ্ড প্ৰেৰণ কৰা হ'ব আৰু ইয়াৰ জৰিয়তেহে লেনদেন প্ৰক্ৰিয়া সম্পন্ন কৰিব পাৰিব বুলি ব্যক্ত কৰিছে।

# পৰাক্ৰম দিৱস ঃ নেতাজীৰ জন্মদিন উদ্‌যাপনৰ সিদ্ধান্ত কেন্দ্ৰীয় চৰকাৰৰ

## মমতাই পদযাত্ৰাৰে জনাব প্ৰত্যাহ্বান

**কলকাতা, ১৯ জানুৱাৰী ঃ** দেশৰ বৰেণ্য স্বাধীনতা সংগ্ৰামী নেতাজী সুভাষ চন্দ্ৰ বসুৰ জন্মদিৱস এইবাৰ কেন্দ্ৰীয় চৰকাৰে নতুন কাৰ্যসূচীৰে উদযাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ



কৰিছে। সেই অনুসৰি কলকাতাৰ ভিক্টৰিয়া মেম'ৰিয়েল হলত নেতাজীৰ জন্মদিনটো পৰাক্ৰম দিৱস হিচাপে উদযাপন কৰিব। এই কথা ৰাজহুৱাভাৱে অৱগত কৰিছে কেন্দ্ৰীয় চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰালয়ে। উল্লেখ্য যে প্ৰতি বছৰে ২৩ জানুৱাৰী তাৰিখে নেতাজী সুভাষ চন্দ্ৰ বসুৰ জন্মদিন উদযাপন কৰি আহিছে দেশবাসীয়ে। এইবাৰ পশ্চিমবংগ চৰকাৰে শাসকীয় তৃণমূল কংগ্ৰেছৰ দলীয় কাৰ্যসলূচীৰ অধীনত পদযাত্ৰাৰে সমগ্ৰ ৰাজ্য পৰিভ্ৰমণ কৰিব। স্থানীয়ভাৱে নিজ নিজ অঞ্চলত পদযাত্ৰা কৰি বাসিন্দাসকলৰ মাজত সজাগতা বৃদ্ধি আৰু নেতাজীৰ সম্পৰ্কত সকলোকে অৱগত কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। কিন্তু আগন্তুক পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰাকক্ষণত ভোটাৰৰ মন জয় কৰিবলৈ কেন্দ্ৰীয় চৰকাৰেও লৈছে পদক্ষেপ। দেশৰ স্বাধীনতাৰ বাবে ব্ৰিটিছৰ অন্ধকাৰ কাৰাগাৰৰ পৰা পলাই গৈ বিদেশৰ ভূমিত স্বাধীনতা সেনানী গঠন কৰি বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰা নেতাজীৰ প্ৰতি দেশবাসীৰ মৰম আৰু কৃতজ্ঞতা তুলনাবিহীন। পশ্চিমবংগত সেয়েহে চৰকাৰীভাৱে নেতাজীৰ জন্মদিন জাকজমকতাৰে উদযাপন কৰা হয়। কিন্তু নিৰ্বাচনৰ প্ৰাকক্ষণত বিজেপিয়েও জন্মদিনৰ নামত ভোটাৰৰ কাষ চপাৰ বাবে সুযোগ লৈছে। এই অনুষ্ঠানলৈ দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহিব বুলি স্থানীয়ভাৱে প্ৰচাৰ চলোৱা হৈছে। কেৱল এই বছৰেই নহয় আগন্তুক প্ৰতি বছৰতে পৰাক্ৰম দিৱস উদযাপন কৰা হ'ব বুলি স্পষ্ট কৰা হৈছে।

# ছুৰাটত লোমহৰ্ষক ঘটনা শায়িত শ্ৰমিকৰ ওপৰেৰে পাৰ হ'ল ট্ৰাক, নিহত ১৫

**ছুৰাট, ১৯ জানুৱাৰী ঃ** গুজৰাট প্ৰদেশৰ ছুৰাট নগৰত সংঘটিত এক লোমহৰ্ষক ঘটনাই সৃষ্টি কৰিছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। একাংশ গৃহহীন শ্ৰমিকে পদপথত আশ্ৰয় গ্ৰহণ কৰিছিল আৰু তাতেই টোপনি গৈছিল। কিন্তু এখন ট্ৰাকে এই শায়িত শ্ৰমিকসকলক পদপথত আশ্ৰয় লোৱাৰ অধিকাৰৰ পৰাও বঞ্চিত কৰিলে। শুই থকা শ্ৰমিকসকলৰ ওপৰেৰে পাৰ হৈ যোৱা ট্ৰাকখনৰ এনে লোমহৰ্ষক কাণ্ডত লগে লগে মৃত্যু হ'ল ১৫ জনৰ। চিকিৎসালয়ত অন্য ছয়জনে মৃত্যুৰ সৈতে যুঁজি থকা বুলি কোৱা



হৈছে। ইফালে প্ৰধানমন্ত্ৰীয়ে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে আৰু মৃত শ্ৰমিকসকলৰ নিকটাত্মীয়লৈ ২ লাখ টকাৰ এককালীন সাহায্য ঘোষণা কৰিছে। ঘটনাৰ বিৱৰণী মতে এই ঘটনাটো ছুৰাট জিলাৰ কোচাম্বা নামৰ স্থানত সংঘটিত হৈছিল। এই শ্ৰমিকসকল ৰাজস্থানৰ বানছাৰা প্ৰদেশৰ পৰা কামৰ সন্ধানত গৈছিল। দুৰ্ঘটনা সংঘটিত কৰা ট্ৰাকখনত আছিল কুঁহিয়াৰ বোজাই আৰু অন্যান্য সামগ্ৰী। ট্ৰাক চালকে নিয়ন্ত্ৰণ হেৰুৱাই ফুটপাথত এনেদৰে দুৰ্ঘটনা সংঘটিত কৰিবলৈ বাধ্য হ'ল বুলি স্থানীয় আৰক্ষীয়ে তথ্য প্ৰকাশ কৰিছে। আনহাতে গুজৰাটৰ মুখ্যমন্ত্ৰী বিজয় ৰূপানীয়ে নিজাকৈ দুই লাখ টকাৰ ক্ষতিপূৰণ প্ৰদান কৰিব বুলি ঘোষণা কৰিছে। ইফালে ৰাজস্থানৰ মুখ্যমন্ত্ৰী অশোক গেহলটেও এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে আৰু নিজ ৰাজ্যৰ পৰা কামৰ সন্ধানত গৈ গুজৰাটৰ পদপথত মৃত্যুক সাৱটি ল'বলগা হোৱা অৱস্থা অতিশয় দুখজনক বুলি ব্যক্ত কৰিছে।

# ৩৮ জনৰ জঘন্য কামনাৰ বলি কেৰালাৰ নাবালিকা

**মালাপ্পুৰম ১৯ জানুৱাৰী ঃ** কেৰালা প্ৰদেশৰ মালাপ্পুৰম অঞ্চলৰ এটি শিশু সুৰক্ষা কেন্দ্ৰত আশ্ৰয় গ্ৰহণ কৰা নাবালিকা কিশোৰীৰ ভাষ্যই সকলোৰে অন্তৰ চুই গৈছে। শিশু কল্যাণ সমিতিয়ে এইগৰাকী নাবালিকাক উদ্ধাৰ কৰি আশ্ৰয় আৰু শুশ্ৰূষা প্ৰদান কৰিছে। সৌভাগ্যবশতঃ প্ৰাণ ৰক্ষা পৰা নাবালিকাগৰাকীৰ ভাষ্য অনুসৰি ২০১৬ চনৰ পৰা তেওঁক প্ৰায় দুকুৰিজন ব্যক্তিয়ে বলপূৰ্বক ধৰ্ষণ কৰিছে। প্ৰথমে ১৩ বছৰ বয়সতে এনে জঘন্য কাণ্ডৰ বলি হ'ব লগা হৈছিল। স্থানীয় আৰক্ষী উপ পৰিদৰ্শক মহম্মদ হানিফাই বিগত ডিচেম্বৰ মাহত তেওঁক পালাক্কা অঞ্চলত উদ্ধাৰ কৰিছিল। ইয়াৰ পূৰ্বে চাইল্ডহোমত আশ্ৰয় গ্ৰহণ কৰি আছিল কিশোৰীগৰাকী। চাইল্ড হোমত এবছৰতকৈ অধিক কাল থকাৰ পিছত স্থানীয় নিৰ্ভয়া কেন্দ্ৰলৈ তেওঁক প্ৰেৰণ কৰা হৈছে। ইতিমধ্যে শিশু সুৰক্ষা আইনৰ অধীনত গোচৰ ৰুজু কৰা হৈছে আৰু কিশোৰীগৰাকীৰ ভাষ্যৰ ভিত্তিত এখন পাঁচজনীয়া তদন্ত সমিতি গঠন কৰা হৈছে।

# জাপানক লাগে ভাৰতৰ প্ৰশিক্ষিত দক্ষ কৰ্মী

## দুই দেশৰ মাজত সহযোগিতাৰ চুক্তি স্বাক্ষৰ



**নতুন দিল্লী, ১৯ জানুৱাৰী ঃ** ভাৰতীয় কৰ্মসন্ধানী আৰু সুদক্ষ কৰ্মীৰ বাবে ভাল খবৰ আহিছে। আজি জাপান চৰকাৰ আৰু ভাৰত চৰকাৰে পাৰস্পৰিক সহযোগিতাৰ চুক্তি স্বাক্ষৰ কৰিছে সুদক্ষ কৰ্মীৰ নিযুক্তিৰ দুৱাৰ খুলিবৰ বাবে। সেই অনুসৰি জাপানৰ ১৪টা বিশেষ বিশেষ শাখাত প্ৰয়োজন হৈছে দক্ষ কৰ্মীৰ। এই কৰ্মীসকলক ভাৰত চৰকাৰে প্ৰেৰণ কৰিব বুলি প্ৰতিশ্ৰুতি দিছে। সেয়েহে বৈদেশিক মন্ত্ৰালয়ৰ সচিব পৰ্যায়ৰ এই চুক্তিয়ে একাংশ কৰ্মসন্ধানীৰ বাবে ভাগ্যৰ উন্মেষ নিশ্চিতভাৱে ঘটাবলৈ সক্ষম হ'ব। আজি স্বাক্ষৰিত চুক্তি সম্পৰ্কত ভাৰতৰ বৈদেশিক সচিবে কয় যে ভাৰতৰ মানৱ সম্পদৰ দক্ষতা আৰু কৌশলৰ ওপৰত জাপানৰ সম্পূৰ্ণ আস্থা আৰু বিশ্বাস আছে। সেয়েহে তেওঁলোকৰ বহুতো বিভাগত প্ৰয়োজন হৈছে ভাৰতীয় সুদক্ষ কৰ্মীৰ। কমেও পাঁচ বছৰৰ বাবে জাপানত কাৰ্যনিৰ্বাহ কৰাৰ সুযোগ আছে। যিসকল লোকে জাপানী ভাষা ইতিমধ্যে শিকি লৈছে তেওঁলোকে দেশখনত কৰ্ম সংস্থাপন লাভ কৰিবলৈ সক্ষম হ'ব বুলি ব্যক্ত কৰিছে। উল্লেখ্য যে জাপানে এনেদৰে ভাৰতৰ পৰা দক্ষ কৰ্মীৰ আমদানি বিচাৰি এইবাৰেই প্ৰথম চুক্তিবদ্ধ হোৱা নাই। ২০১৬ চনতো উৎপাদন খণ্ডৰ বাবে ভাৰতৰ পৰা কৰ্মীৰ আমদানি কৰিছিল। দহ বছৰৰ বাবে ত্ৰিশ হেজাৰতকৈ অধিক দক্ষ কৰ্মী ভাৰতত সংস্থাপিত কৰিছিল। ইয়াৰ পিছত ২০১৭ চনতো কাৰিকৰী শাখাত জাপান চৰকাৰে ভাৰতৰ পৰা কৰ্মী আমদানি কৰিছিল। এইবাৰো চৈধ্যটা বিভাগত ভাৰতীয় কৰ্মীৰ নিশ্চিত নিযুক্তিৰে নতুনকৈ সহযোগিতা চুক্তি স্বাক্ষৰ কৰা হয়।

# চীন-হু কৰ্তৃপক্ষক জগৰীয়া কৰিলে কৰ'না ভীতি সঞ্চাৰৰ বাবে

**জেনেভা, ১৯ জানুৱাৰী ঃ** বিশ্ব স্বাস্থ্য সংস্থা চমুকৈ হু কৰ্তৃপক্ষ আৰু চীন দেশৰ চৰকাৰৰ প্ৰতি কৰ'না ভাইৰাছৰ নামত অনাহক ভীতি সঞ্চাৰ কৰা হৈছিল। ফলত সমগ্ৰ বিশ্ববাসী আতংকিত হৈ পৰিছিল। এনে শংকাময় পৰিস্থিতিৰ বাবে প্ৰকৃত তথ্যতকৈ অপপ্ৰচাৰ আৰু ভুৱা তথ্যই অধিক প্ৰচাৰ লাভ কৰিছিল। যাৰ বাবে বাস্তৱ পৰিস্থিতি পাহৰি বিশ্বৰ বহু নাগৰিকে আতংক আৰু অনিশ্চয়তাৰ মাজত দিন অতিবাহিত কৰিবলৈ বাধ্য হৈছিল। এই বক্তব্য আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এক নিৰপেক্ষ সমিতিৰ। কৰ'না ভাইৰাছৰ মহাতংক



সম্পৰ্কত পৰিস্থিতি অধ্যয়নৰ বাবে নিউজীলেণ্ডৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী হেলেন ক্লাৰ্ক আৰু লিবাৰিয়ানৰ ৰাষ্ট্ৰপতি এলেন জনছনৰ নেতৃত্বত এখন সমিতি গঠন কৰা হৈছিল। এই সমিতিয়ে কৰ'না সংক্ৰমণ আৰু অপপ্ৰচাৰ সম্পৰ্কত অধ্যয়ন চলাইছিল। তেওঁলোকে নিজৰ প্ৰতিবেদন যোৱা ১৮ জানুৱাৰীত অৰ্থাৎ এদিনৰ পূৰ্বে ৰাষ্ট্ৰসংঘৰ মজিয়াত দাখিল কৰিছে। আন্তঃৰাষ্ট্ৰীয় সংবাদ সংস্থা চি এন এনৰ উদ্ধৃতিৰে এই নিৰপেক্ষ সমিতি প্ৰতিবেদনৰ তথ্যই বিশেষ চৰ্চা লাভ কৰা দেখা গৈছে। সমিতিয়ে উল্লেখ কৰিছে যে কৰ'না ভাইৰাছ বা ক'ভিড ১৯ সম্পৰ্কত বিশ্ব স্বাস্থ্য সংস্থাই প্ৰয়োজনতকৈ কম সময়তে নিজৰ সৰ্বশেষ সিদ্ধান্ত জাহিৰ কৰিছিল। যি সময়ত বিশ্ববাসীয়ে এনে ভাইৰাছৰ অৱস্থিতি সম্পৰ্কে উমান পোৱা নাছিল, তেতিয়াই বিশ্ব স্বাস্থ্য সংস্থাই নিজৰ সিদ্ধান্ত গ্ৰহণ আৰু প্ৰচাৰ কৰি আতংক বিয়পাই দিছিল। আনহাতে চীন চৰকাৰৰ কৰ্তৃপক্ষই এই ভাইৰাছৰ সংক্ৰমণ আৰু চিকিৎসা সম্পৰ্কে যথোচিত পদক্ষেপ গ্ৰহণ কৰাৰ পৰিৱৰ্তে সংবাদ মাধ্যমৰ জৰিয়তে ভাইৰাছৰ ভয়াৱহতাৰ বিষয়ে প্ৰচাৰ চলোৱাত গুৰুত্ব দিছিল। ইয়াৰ বাবেই বহু দেশ ব্যাপকভাৱে ক্ষতিগ্ৰস্ত হৈছিল আৰু ভয়-আতংকৰ মাজত বহুতে অতিশয় নিৰাশ আৰু অসহায় সময় পাৰ কৰিব লগা হৈছিল বুলি নিৰপেক্ষ সমিতিৰ প্ৰতিবেদনত উল্লেখ কৰা হৈছে।

# ৫০ হাজাৰ ভোটৰ ব্যৱধানত পৰাজিত হ'ব মমতা

## নন্দীগ্ৰামত শুভেন্দু অধিকাৰীৰ প্ৰত্যাহ্বান

**কলকাতা, ১৯ জানুৱাৰী ঃ** তৃণমূল কংগ্ৰেছ এৰি বিজেপিলৈ গমন কৰা প্ৰাক্তন মন্ত্ৰী শুভেন্দু অধিকাৰীয়ে নন্দীগ্ৰামত পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতাস বেনাৰ্জীক ৫০ হাজাৰ ভোটৰ ব্যৱধানত পৰাজিত কৰিব বুলি ঘোষণা কৰিছে। অন্যথা তেওঁ ৰাজনীতিৰ পৰা সন্যাস ল'ব বুলিও ব্যক্ত কৰিছে। উল্লেখ্য যে মমতা বেনাৰ্জীয়ে এদিনৰ পূৰ্বে নন্দীগ্ৰামত আয়োজন কৰিছিল বিশাল দলীয় সভাৰ। এই সভাতে পশ্চিমবংগৰ মুখ্যমন্ত্ৰীগৰাকীয়ে বিজেপিক প্ৰত্যাহ্বান জনাই কৈছিল যে তেওঁ এইবাৰ নন্দীগ্ৰামত প্ৰতিদ্বন্দ্বিতা কৰিব। শুভেন্দুৰ নাম নোলোৱাকৈ মমতাই ব্যক্ত কৰিছিল যে একাংশ ব্যক্তিয়ে তৃণমূল কংগ্ৰেছ এৰি যোৱাৰ বাবে ভালেই হৈছে। এইসকল লোকে তৃণমূলৰ পৰা সুবিধা ল'ব আৰু বেলেগ দলৰ সেৱা কৰে। গতিকে আগন্তুক নিৰ্বাচনত নন্দীগ্ৰামত বিজেপিক পৰাভূত কৰিব বুলি পশ্চিমবংগৰ মুখ্যমন্ত্ৰীগৰাকীয়ে দলীয় সভাত ব্যক্ত কৰিছিল। মমতা বেনাৰ্জীৰ এই বক্তব্যই স্বাভাৱিকতে নন্দীগ্ৰামত উৎসাহজনক পৰিস্থিতিৰ সৃষ্টি কৰিছিল। কিয়নো শুভেন্দু অধিকাৰীয়ে তৃণমূল কংগ্ৰেছৰ পৰা নন্দীগ্ৰাম সমষ্টি কাঢ়ি আনিছিল বাওপন্থী দলৰ ৩৪ বছৰৰ প্ৰতিনিধিত্বৰ অৱসান ঘটাই। ২০১১ চনৰ পৰা দুটা নিৰ্বাচনত বিজয়ী হোৱা শুভেন্দু আছিল মমতা বেনাৰ্জীৰ অতিশয় ঘনিষ্ঠ আৰু দল আৰু চৰকাৰৰ বহু গুৰুত্বপূৰ্ণ দায়িত্ব লাভ কৰা ব্যক্তি। তেনেস্থলত বিজেপিয়ে এইজন নেতাক



কৌশলেৰে নিজৰ দললৈ নিয়াৰ পিছত নন্দীগ্ৰামৰ দলীয় নেতা-কৰ্মী একপ্ৰকাৰ হতাশ হৈছিল। ইয়াৰ বিপৰীতে মমতা বেনাৰ্জীৰ উদ্দাত্ত আহবানৰ পিছত নন্দীগ্ৰামৰ পৰিস্থিতি পৰিৱৰ্তন হ'বলৈ আৰম্ভ কৰিছিল। এইক্ষণতে শুভেন্দু অধিকাৰীয়ে আজি কয় যে অৰ্ধ লক্ষ ভোটৰ ব্যৱধানত তেওঁক অৰ্থাৎ মমতা বেনাৰ্জীক পৰাজিত কৰা হ'ব। অন্যথা ৰাজনীতিৰ পৰা সন্যাস ল'ব বুলিও ঘোষণা কৰে। এনেকৈয়ে এসময়ৰ বিশ্বাসী আৰু ঘনিষ্ঠ নেতাৰ মাজতে এতিয়া পশ্চিমবংগত ক্ষমতা দখলৰ যুঁজ চলিছে।

# মমতাৰ পুনৰ বিস্ফোৰণ, মাওবাদীতকৈ ভয়ংকৰ বিজেপি

**কলকাতা, ১৯ জানুৱাৰী ঃ** ৰাজনীতি আদৰ্শ আৰু দৰ্শনৰ ওপৰত নিৰ্ভৰ কৰে। কোনোবাই কাপোৰ সলোৱাৰ দৰে দল সলাব পাৰে কিন্তু আদৰ্শ সলনি কৰিব নোৱাৰে। যিসকলে দল এৰিব বিচাৰিছে তেওঁলোকে শীঘ্ৰে এৰি যোৱা উচিত। যিসকলে বিজেপিত যোগদান কৰিব বিচাৰে তেওঁলোক নিজৰ আদৰ্শ বিসৰ্জন দি বিজেপিলৈ গুচি যোৱা উচিত। এই বক্তব্য পশ্চিমবংগৰ মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ মুৰব্বী মমতা বেনাৰ্জীৰ। আজি ৰাজৰখনৰ পুৰুলিয়া অঞ্চলত আয়োজিত এক দলীয় সভাত এই বক্তব্য প্ৰদান কৰিছে দলত্যাগী নেতা-কৰ্মীসকলক উদ্দেশ্য কৰি। মমতা বেনাৰ্জীয়ে লগতে কয় যে কোনোবাই ছদ্মৱেশ ধৰি থকাতকৈ মুকলিকৈ সেই দলত যোগদান কৰা উচিত। কিয়নো বিজেপি হ'ল মাওবাদী বা নক্সালবাদী সংগঠনতকৈয়ো অধিক ভয়াৱহ আৰু ক্ষতিকৰ দল। পুৰুলিয়াৰ বিশাল জনসভাত তেওঁ কয় যে কিছুসংখ্যক লোকে লোকসভা নিৰ্বাচনত বিজেপিৰ মিছা প্ৰতিশ্ৰুতিত ভোল গৈ ভোট দিছিল। বিজেপিৰ প্ৰাৰ্থীক জয়ী কৰিছিল। এতিয়া প্ৰায় দুবছৰ হ'ল সেই বিজেপি প্ৰাৰ্থী বা এম পি সকলে কেইদিন ৰাইজৰ কাষলৈ আহিছে। দুৰ্যোগৰ সময়ত সেই বিজেপি এম পি বা নেতাসকলে দিয়া প্ৰতিশ্ৰুতি পালন কৰি ৰাইজক সকাহ দিছেনে, এনেকৈয়ে জনসভাত তীক্ষ্ণ প্ৰশ্নবানেৰ থকাসৰকা কৰে পশ্চিমবংগৰ মুখ্যমন্ত্ৰীজনে। তেওঁ লগতে কয় যে বিজেপিয়ে নিজৰ আইটি কোষ স্থাপন কৰিছে আৰু নিতৌ অপপ্ৰচাৰ, ভুল তথ্য আৰু দলটোৰ ভুৱা প্ৰতিশ্ৰুতি প্ৰচাৰ কৰি আহিছে। দেশৰ বিশ্বাসযোগ্য সংবাদ মাধ্যমকো বিজেপিৰ আই টি কোষে বিচলিত কৰিছে। ৰাইজৰ ওচৰলৈ সত্য আৰু তথ্যভিত্তিক সংবাদ দাঙি ধৰাত বিজেপি আই টি কোষ সম্পূৰ্ণ ব্যৰ্থ হৈছে। তেওঁলোকে নিজে নিজে ৱাটছএপ গ্ৰুপ খুলি লৈছে। পশ্চিমবংগলৈ আহি বীৰচামুণ্ডাক অপমান কৰিছে। তেওঁলোকে পশ্চিমবংগক বাঙাল হিচাপে ইতিকিং কৰিছে কিন্তু ভোটৰ বাবে এইসকল এতিয়া কাঙাল হৈ পৰিছে।

# মহঙা হ'ব সংসদ ভৱনৰ কেণ্টিনৰ খাদ্য

**নতুন দিল্লী, ১৯ জানুৱাৰী ঃ** দেশৰ সংসদ ভৱনৰ আভ্যন্তৰত অৱস্থিত কেণ্টিনত সুলভ মূল্যৰ পুষ্টিকৰ খাদ্য উপলব্ধ আছিল সকলো মন্ত্ৰী, সাংসদ, বিষয়া আদিৰ বাবে। কিন্তু সেই সুলভ মূল্যৰ ব্যৱস্থা এতিয়া অতীত হ'বলৈ আগুৱাইছে। এই কথা প্ৰকাশ কৰিছে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই। আজি অধ্যক্ষগৰাকীয়ে ব্যক্ত কৰে যে আগন্তুক বাজেট অধিৱেশনৰ পিছত সংসদৰ কেণ্টিনৰ খাদ্যৰ মূল্য মুকলি বজাৰৰ অন্যান্য খাদ্যৰ মূল্যৰ সৈতে সমান হ'ব। কাৰণ বাজেট অধিৱেশনত চৰকাৰে কেণ্টিনৰ খাদ্যৰ বাবে প্ৰদান কৰা ৰাজ সাহায্য প্ৰত্যাহাৰ কৰিবলৈ সিদ্ধান্ত লৈছে। অধ্যক্ষগৰাকীয়ে প্ৰকাশ কৰা মতে বছৰি আঠ কোটিতকৈ অধিক টকা ৰাজ সাহায্য হিচাপে প্ৰদান কৰা হয়। এইবাৰ বাজেট অধিৱেশন অহা ২৯ জানুৱাৰীৰ পৰা অনুষ্ঠিত হ'ব। এই অধিৱেশনতে আগন্তুক বিত্তীয় বৰ্ষৰ বাবে বাজেট দাখিল কৰা হ'ব। এই বাজেটত সংসদৰ কেণ্টিনৰ বাবে ধাৰ্য কৰা ৰাজ সাহায্য কৰ্তন কৰা হ'ব। ফলত ইমানদিনে সুলভ মূল্যৰ খাদ্য গ্ৰহণ কৰি অহা কাৰ্য বন্ধ হৈ পৰিব।



এক সাংস্কৃতিক অনুষ্ঠানত অভিনেতা কিশোৰ দাস আৰু অভিনেত্ৰী প্ৰিয়ংকা বৈশ্য, মৰিয়নিত

লাহৰীঘাটত অগপ দলৰ মহিলা পৰিষদৰ সাধাৰণ অধিৱেশন

# বহুসংখ্যক কংগ্ৰেছ-এআইইউডিএফ দলৰ লোক অগপত যোগদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৯ জানুৱাৰী ঃ** নিৰ্বাচনৰ আগে আগে বিভিন্ন ৰাজনৈতিক দলৰ বিভিন্ন ধৰণৰ যোগদান সভা, সাংগঠনিক সভা, প্ৰচাৰ সভা, যুৱ মৰ্চা, মহিলা মৰ্চাকে আদি কৰি বহু সভা-সমিতি অনুষ্ঠিত হৈছে। তেনে ক্ষেত্ৰত পিছপৰি থকা নাই অ গ প দলো ।আজি মৰিগাঁও জিলাৰ লাহৰীঘাট সমষ্টিৰ ৰজা গাধোৱা গাঁও পঞ্চায়তৰ কমিনিউটী হলত দিনৰ ১ বজাত লাহৰীঘাট বিধান পৰিষদৰ উদ্যোগত মহিলা পৰিষদৰ সাধাৰণ অধিৱেশন অনুষ্ঠিত হয়। লাহৰীঘাট সমষ্টিৰ ২৪টা পঞ্চায়তৰ কেইবা শতাধিক মহিলাৰ উপস্থিতিত অনুষ্ঠিত হোৱা অধিৱেশনত বহুসংখ্যক মহিলাই কংগ্ৰেছ আৰু এ আই ইউ ডি এফ দলৰ পৰা অ গ প দলত আনুষ্ঠানিকভাৱে যোগদান কৰে। নতুনকৈ যোগদান কৰা মহিলাসকলক ভৰ্তি ৰছিদৰ লগতে একোখনকৈ ফুলাম গামোচাৰে বিধান পৰিষদৰ সভাপতি গুলজাৰ হুছেইনে আদৰণি জনায়। সভাত সভাপতিত্ব কৰে বিধান পৰিষদৰ স্থায়ী সভাপতি গুলজাৰ হুছেইনে। উদ্দেশ্য ব্যাখ্যা আৰু আদৰণী পৰ্বৰ আঁত ধৰে সম্পাদক খজল উদ্দিনে। সভাত মুখ্য অতিথি হিচাপে থাকে কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ সদস্য জীৱন চন্দ্ৰ বৰা, সভাপতি উপেন খাটনীয়াৰ। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে কেন্দ্ৰীয় মহিলা সমিতিৰ কাৰ্যবাহী সভানেত্ৰী মামণি বৰা বাইদেউ । উল্লেখ্য যে এই অধিৱেশনতে লাহৰীঘাট সমষ্টিৰ ২৪টা পঞ্চায়ত মিলাই ১৬জনীয়া সদস্যৰে এখন পূৰ্ণাংগ বিধান পৰিষদ কমিটী গঠন কৰা হয়। সেই মৰ্মে সভানেত্ৰী শকুন্তলা বৰদলৈ, কাৰ্যকৰী সভানেত্ৰী অঞ্জলি হাজৰিকা, উপ-সভানেত্ৰী জোছনাৰা বেগম, আছিয়া বেগম, তিলোত্তমা সিংহ, সম্পাদিকা ক্ৰমে মন্দিৰা ৰাভা আৰু ছাহনাজ বেগমকে আদি কৰি বাকী সদস্যসকলো বিভিন্ন পদবীত দায়িত্ব দিয়া হয়। লক্ষ্য এটাই — আগন্তুক নিৰ্বাচনত লাহৰীঘাট সমষ্টিৰ পৰা স্থানীয় অগপ দলৰ পৰা গুলজাৰ হুছেই নক জিকাই দিছপুৰলৈ পঠিয়াব লাগে।

উত্তৰ গুৱাহাটী আউনীআটী কমলদেৱ উচ্চ বিদ্যালয়

# ১৯৮৯ বৰ্ষৰ ছাত্ৰৰ 'পুনৰ মিলন' অন্তৰংগ আলাপ অনুষ্ঠানৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ১৯ জানুৱাৰী ঃ** কামৰূপ জিলাৰ অন্তৰ্গত তীৰ্থনগৰী উত্তৰ গুৱাহাটীৰ আউনীআটী কমলদেৱ উচ্চ বিদ্যালয় অসমৰ ভিতৰতে এখন প্ৰাচীনতম শিক্ষানুষ্ঠান ।১৮৬৭ চনতে স্থাপিত বিদ্যালয়খনৰ এক ঐতিহ্যমণ্ডিত ইতিহাস আছে। ১৯৮৯ চনত বিদ্যালয়খনৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ বিভিন্ন কৰ্মক্ষেত্ৰত আত্মনিয়োগ কৰা ছাত্ৰসকলৰ দ্বাৰা দিনজোৰা কাৰ্যসূচীৰে এক অন্তৰংগ আলাপ "পুনৰ মিলন" পৰ্বৰ আয়োজন কৰা হৈছে। অহা ২৩ জানুৱাৰী শনিবাৰে পুৱা ৯.৩০ বজাত "মিলন পৰ্ব"ৰ শুভাৰম্ভ হ'ব আউনীআটী কমলদেৱ উচ্চ বিদ্যালয়ত গছপুলি ৰোপণ আৰু সমূহীয়া ফটো ছেছনৰ জৰিয়তে। ১০.৩০ বজাত উত্তৰ গুৱাহাটী শিলসাঁকোস্থিত উদিত লক্ষ্মী বিবাহ ভৱন প্ৰেক্ষাগৃহত মিলন পৰ্বৰ শুভ উন্মোচন কৰা হ'ব। ছাত্ৰসকলৰ অন্তৰংগ আলাপ অনুষ্ঠানৰ লগতে সেই কালৰ আঠগৰাকী যশস্বী শিক্ষাবিদ যথাক্ৰমে বীৰেন গৈহাৰী, বাণীকান্ত চক্ৰৱৰ্তী, প্ৰদীপ নাথ, প্ৰমোদ তামুলী, বিকাশ বৰুৱা, ফণী ডেকা, গিৰীশ মেধি আৰু বিপিন চক্ৰৱৰ্তীক সম্বৰ্ধনা জনোৱা হ'ব। অনুষ্ঠানত আউনীআটী কমলদেৱ উচ্চ বিদ্যালয় গৌৰৱ, গৰিমা অক্ষুন্ন ৰাখিবলৈ পৰামৰ্শ সন্নিৱিষ্ট স্মাৰক পত্ৰ প্ৰেৰণ কৰা হ'ব। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান আৰু নৈশ সাঁজ গ্ৰহণৰ অন্তত প্ৰথমবাৰৰ বাবে আয়োজিত ১৯৮৯ বৰ্ষৰ ছাত্ৰৰ মিলন পৰ্ব সম্পন্ন হ'ব বুলি আয়োজক সমিতিয়ে জানিবলৈ দিছে।

## বহিঃৰাজ্যত হত্যাৰ সন্দেহ বোকাখাতৰ যুৱকক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ১৯ জানুৱাৰী ঃ** বহিঃৰাজ্যত পুনৰ হত্যাৰ সন্দেহ কৰা হৈছে বোকাখাতৰ পৱিত্ৰ পেগু নামৰ যুৱকজনক । বোকাখাতৰ আমটেঙাৰ ২নং বালিজান গাঁৱৰ পৱিত্ৰ বেংগালুৰুৰ চিকবালাৰপুৰৰ ষ্টাৰ ষ্ট্ৰীল ইণ্ডাষ্ট্ৰী নামৰ এটা ব্যক্তিগত কোম্পানীত কৰ্মৰত আছিল। ১১ জানুৱাৰীত ঘৰলৈ বুলি কোম্পানীৰ পৰা ছুটী লৈ লগৰ এজন সমনীয়াৰ সৈতে সন্ধিয়া চেহাড্ৰীপুৰম ৰে'ল ষ্টেচনলৈ আহে । ৰে'ল ষ্টেচনৰ পৰাই সন্ধিয়া ৫ বজাত ঘৰলৈ ফোন কৰি পৱিত্ৰ ঘৰ অহাৰ কথা জনায়। সেয়াই পৱিত্ৰৰ ঘৰলৈ শেষ ফোন আছিল। তাৰ পাছৰ পৰা পৱিত্ৰৰ সৈতে ঘৰৰ লোকে ফোনত সংযোগ কৰি বিফল হৈছিল । কিন্তু সোমবাৰে সন্ধিয়া তাতেই কৰ্মৰত তেওঁৰ ভাতৃয়ে চেহাড্ৰীপুৰম আৰক্ষী থানাত মৃত অৱস্থাত পৱিত্ৰক পাবলৈ সক্ষম হয়। দুখীয়া পৰিয়ালটিৰ দ্বিতীয় সন্তান পৱিত্ৰৰ এই মৃত্যু সহজভাৱে ল'ব পৰা নাই পৰিয়ালৰ লগতে স্থানীয় লোকে । প্ৰায় ২০ হাজাৰ নগদ টকা লৈ ঘৰলৈ অহা পৱিত্ৰক ৰে'ল ষ্টেচনতে কোনো দুষ্কৃতিকাৰীয়ে পৰিকল্পিতভাৱে হত্যা কৰাৰ সন্দেহ কৰিছে পৰিয়ালৰ লোকে । কাৰণ পৱিত্ৰৰ লগত মোবাইলৰ আৰু নগদ ধন মৃতদেহৰ সৈতে লাভ কৰা নাই চেহাড্ৰীপুৰম আৰক্ষীয়ে। এতিয়া দুখীয়া পৰিয়ালটিয়ে পৱিত্ৰ মৃতদেহ ওভতাই আনিবৰ বাবে বোকাখাত থানাত এখন এজাহাৰ দাখিল কৰিছে আৰু দোষীক কঠোৰ শাস্তিৰ দাবী জনাইছে।

বজালী জিলাত ভৱানীপুৰ ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ অন্তৰ্ভুক্ত

# বৰপেটা জিলাৰ গৰেমাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ ব্লক পৰ্যায়ৰ স্বাস্থ্য কেন্দ্ৰলৈ উন্নীতৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, গৰেমাৰী, ১৯ জানুৱাৰী ঃ** বৰপেটা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ অধীনৰ গৰেমাৰী স্বাস্থ্য কেন্দ্ৰটো বৃহৎ অঞ্চলৰ হাজাৰ হাজাৰ ৰাইজৰ একমাত্ৰ আশা-ভৰসাৰ স্বাস্থ্য কেন্দ্ৰ। ৰাইজৰ সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি পূৰ্বৰ চৰকাৰৰ কাৰ্যকালত অসমৰ স্বাস্থ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২০১০ চনৰ ২৪ ছেপ্টেম্বৰত গৰেমাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰি ৰাইজৰ সেৱাৰ বাবে সুবিধা প্ৰদান কৰি দিছিল। কিন্তু পৰিতাপৰ বিষয় যে গৰেমাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত প্ৰতি দিনে ২০০-৩০০ গৰাকী কৈ ৰোগীৰ স্বাস্থ্য স্বাস্থ্য পৰীক্ষা মাত্ৰ এগৰাকী চিকিৎসকে সেৱা কৰিবলগীয়া হোৱাত তেনেই অসুবিধাৰ সন্মুখীন হব লগা হৈছে । এনে অৱস্থাত বহুতো ৰোগীয়ে চিকিৎসা নাপাই ওভতি যাবলগীয়া হয় । স্বাস্থ্য কেন্দ্ৰটোত পৰ্যাপ্ত চিকিৎসক-নাৰ্ছৰ পদ নথকাত চিকিৎসা সেৱাৰ ক্ষেত্ৰত অসুবিধা হবলগীয়া হৈছে। ইতিমধ্যে নৱগঠিত বজালী জিলা ঘোষণা হোৱাত ভৱানীপুৰ ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ খন বজালী জিলাত অন্তৰ্ভুক্ত হোৱাত গৰেমাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ,হাউলী ছি এইচ চি আৰু হাউলী ৰাজ্যিক চিকিৎসালয়খন ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰবিহীন হৈ পৰিছে । বৰ্তমান গৰেমাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, হাউলী চি এইচ চি, হাউলী ৰাজ্যিক চিকিৎসালয় এলেকা সামৰি গৰেমাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ খন ব্লক পৰ্যায়ৰ স্বাস্থ্য কেন্দ্ৰ লৈ উন্নীত কৰাৰ প্ৰয়োজন হৈ পৰিছে ।ৰাইজৰ সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি গৰেমাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ দাবী সমিতিয়ে বৰপেটা বিধান সভা সমষ্টিৰ বিধায়ক গুনীন্দ্ৰ নাথ দাসৰ জৰিয়তে অসমৰ স্বাস্থ্য মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা,অসম স্বাস্থ্য বিভাগৰ আয়ুক্ত সচিব,অসম স্বাস্থ্য সেৱা সঞ্চালক,বৰপেটা জিলা উপায়ুক্ত ,বৰপেটা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ ওচৰত গৰেমাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ খন ব্লক পৰ্যায়ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ উন্নীত কৰাৰ বাবে স্থানীয় ৰাইজে দাবী উত্থাপন তৰিছে।

## জকাইৰ শাস্ত্ৰীয় নৃত্য আৰু সত্ৰীয়া প্ৰশিক্ষক অংকিতা কোঁৱৰক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১৯ জানুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অন্তৰ্গত ভোলানাথ কলাকেন্দ্ৰৰ উদ্যোগত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনস্থ ডিব্ৰুগড় জিলা সাংস্কৃতিক কেন্দ্ৰৰ দ্বাৰা আয়োজিত সত্ৰীয়া নৃত্যৰ কৰ্মশালা যোৱা ৪-১৮ জানুৱাৰীলৈ ডিব্ৰুগড় চৌকিডিঙীৰ সাহিত্যৰথী লক্ষীনাথ বেজবৰুৱা ভৱনত অনুষ্ঠিত হৈ যায়। কৰ্মশালাত মুখ্য প্ৰশিক্ষক হিচাপে অংকিতা কোঁৱৰ আৰু শিৱপ্ৰসাদ হাজৰিকাই প্ৰশিক্ষণ প্ৰদান আগবঢ়ায়। যোৱা ১৮ জানুৱাৰীত এই সত্ৰীয়া নৃত্যৰ সামৰণী অনুষ্ঠানত সত্ৰীয়া নৃত্য আৰু শাস্ত্ৰীয়ে নৃত্যৰ ওপৰত সাৱলীল আৰু মনোজ্ঞ ভাষণ আগবঢ়ায় ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিবেশ্য কলাকেন্দ্ৰৰ অধ্যাপক মৃণাল কুমাৰ বৰুৱা ডিব্ৰুগড় নন্দলাল বৰগোহাইৰ চিটি মহাবিদ্যালয় উপাধ্যক্ষা ড° মানসী বৰগোহাঞি আৰু বিশিষ্ট সাহিত্যিক অধিবক্তা প্ৰসেনজিত কুমাৰ গোস্বামীয়ে ।এই গাম্ভীৰ্যপূৰ্ণ মনোজ্ঞ অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা জকাই কোঁৱৰ গাঁৱৰ যুগকান্ত কোঁৱৰ আৰু জয়দা কোঁৱৰ একমাত্ৰ কন্যা সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষক অংকিতা কোঁৱৰক শাস্ত্ৰীয় আৰু সত্ৰীয়া নৃত্য বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী প্ৰদান কৰে।

## বিশ্বনাথ বিহমাৰী লালপুখুৰীত খহনীয়া প্ৰতিৰোধ আঁচনিৰ শুভাৰম্ভ মন্ত্ৰী ৰঞ্জিত দত্তৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিশ্বনাথ চাৰিআলি, ১৯ জানুৱাৰী ঃ** সোমবাৰে বিহালী সমষ্টিৰ অন্তৰ্গত বিহমাৰী গাঁও পঞ্চায়তৰ অধিনৰ লালপুখুৰী গাওঁত বিগত বৰ্ষৰ সমূহত হৈ থকা বুৰৈ নদীৰ খহনীয়া তাণ্ডৱ প্ৰতিৰোধৰ বাবে অসম চৰকাৰৰ SDRF শিতানৰ পৰা ১.১৫ কোটি টকাৰ আবন্টন দিয়ে ।ইফালে সোমবাৰে উক্ত খহনীয়া প্ৰতিৰোধ আঁচনিৰ শুভাৰম্ভ কৰে বিহালী সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেৱিনেট মন্ত্ৰী ৰঞ্জিত দত্তই । উক্ত শুভাৰম্ভ অনুষ্ঠানত উপস্থিত থাকে সভাত উপস্থিত থাকে বিহালী মণ্ডলৰ সভাপতি লাচিত বৰা বিশ্বনাথ জিলাৰ জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তা অৱনি গগৈ অভিযন্তা পৱিত্ৰ বৰা ঠিকাদাৰ প্ৰশান্ত কলিতা লগতে জলসম্পদ বিভাগৰ অন্যান্য বিষয় ববীয়া সকল ।আনহাতে কামৰ শুভাৰম্ভ কৰা স্থান এখনি সভা অনুষ্ঠিত হয় সভাত মন্ত্ৰী ৰঞ্জিত দত্তই খহনীয়া কামৰ বাবে চৰকাৰে প্ৰদান কৰা ধন কোনো এক টকা হৰলুকী নহয় তাৰ বাবে বিভাগীয় বিষয়া কৰ্মচাৰীক নজৰ দিবলৈ আহ্বান জনাই।

## সহস্ৰ আলোকৰ পোহৰেৰে জীপাল মুকালমুৱাৰ জয়সাগৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুকালমুৱা, ১৯ জানুৱাৰী ঃ** পৱিত্ৰ মাঘ মাহ উপলক্ষে সনাতনী হিন্দু সমাজত আৰম্ভ হৈছে মাঘী উৎসৱ । নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত জয়সাগৰ গাঁৱতো কালিৰে পৰা আৰম্ভ হৈছে মাঘী উৎসৱ ।পূৰ্বৰ পৰম্পৰা আৰু লোকবিশ্বাস অনুসৰি মাঘ মাহৰ চতুৰ্থ দিনটোৰ পৰা দুদিনীয়াকৈ জয়সাগৰ গাঁৱৰ ঐতিহাসিক শ্ৰীশ্ৰীকলীয়া ঠাকুৰ নামঘৰত আৰম্ভ হৈছে শতবৰ্ষ অতিক্ৰম কৰা মাঘী সভা । ১৮১৫ চনত গাঁৱখনত স্থাপন হোৱা ঐতিহাসিক শ্ৰী শ্ৰী কলীয়া ঠাকুৰ নামঘৰত কালি সন্ধিয়াৰ ভাগত প্ৰজ্বলন কৰা আলোকত আলোকিত হৈ পৰে অঞ্চলটো আৰু ভক্তি ৰসত বুৰ যায় সমগ্ৰ অঞ্চল । বৰপেটা সত্ৰৰ অধীনস্থ কলিয়া ঠাকুৰ শাখা সত্ৰত সন্ধিয়া নামঘৰৰ স্থায়ী দেউৰীয়ে বন্তি প্ৰজ্বলন কৰাৰ পিছতে গাঁৱখনৰ সহস্ৰাধিক পুৰুষ-মহিলা,যুৱক-যুৱতীয়ে বন্তি প্ৰজ্বলন কৰি প্ৰত্যেকে মনোকামনা পূৰণাৰ্থে প্ৰভু কলিয়া ঠাকুৰৰ আশিস লয় । তদুপৰি আজি দিনৰ ভাগত গাঁওৱাসীৰ উপস্থিতিত অনুষ্ঠিত হয় ৰাজহুৱা হোম-যজ্ঞ । গাঁওখনৰ হাজাৰ-হাজাৰ লোকৰ উপস্থিতিত অনুষ্ঠিত হয় হোম- যজ্ঞ পৰ্ব ।জয়সাগৰ গাঁও পৰিচালনা সমিতি (সমাজ কল্যাণ সমিতি) ৰ সভাপতি ধনীৰাম বৈশ্য আৰু সম্পাদক সঞ্জয় বৰ্মনে জানিবলৈ দিয়া মতে গাঁৱৰ মাঘী উৎসৱৰ পহিলা দিনটোত শ্ৰীশ্ৰীকলিয়া ঠাকুৰ নামঘৰত আহি যিয়ে যেনেকৈ মনোকামনা সিদ্ধিৰ বাবে প্ৰাৰ্থনা জনায় তেওঁ তেনেকৈয়ে ফল লাভ কৰে।




পানী যোগান সন্দৰ্ভত গুৱাহাটী প্ৰেছ ক্লাবত সাংবাদিকক সম্বোধন কৰাৰ মুহূৰ্তত বিশিষ্ট ব্যক্তিসকল

নিৰন্তৰ প্ৰগতিৰ পথত আগুৱাইছে মাজুলী জিলা

## চাৰে চাৰি বছৰত আমূল পৰিৱৰ্তন নদীদ্বীপ জিলাৰ পথ-যোগাযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১৯ জানুৱাৰী ঃ** জিলা গঠনৰ পাছৰে পৰা নিৰন্তৰ প্ৰগতিৰ পথত আগবাঢ়িছে মাজুলী। ৰাজ্য চৰকাৰৰ বিশেষ উদ্যোগত নদীদ্বীপ জিলাখনত ইতিমধ্যে সৰ্বদিশতে উন্নয়নৰ গতি ত্বৰান্বিত হৈছে। ২০১৬-১৭ বিত্তীয় বৰ্ষৰ পৰা জিলাখনৰ আন্তঃগাঠনি বিকশিত কৰিবলৈ গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে বিগত চাৰে চাৰি বছৰত মাজুলীৰ পথ-যোগাযোগ ব্যৱস্থা উন্নীতকৰণত বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰিছে ৰাজ্য চৰকাৰখনে। ৰাজ্যৰ লোকনিৰ্মাণ (পথ) বিভাগে জিলাখনৰ মূল পথসমূহ পুনৰনিৰ্মাণৰ উপৰি ভিতৰুৱা অঞ্চলসমূহকো সামৰি মাজুলীৰ প্ৰতিটো অংশতে বাট-পথৰ ব্যাপক উন্নতি সাধনৰ প্ৰয়াস অব্যাহত ৰাখিছে। মাজুলীত পথ যোগাযোগ ব্যৱস্থাৰ পূৰ্বৰ অতি দুৰ্বল আন্তঃগাথনি শক্তিশালী কৰি তোলাৰ বাবে লোকনিৰ্মাণ (পথ) বিভাগে ২০১৬-১৭ বিত্তীয় বৰ্ষৰ পৰা ২০২০-২১ বিত্তীয় বৰ্ষৰ সময়ছোৱাত মুঠ ৬২২.২৯৩ কোটি টকাৰ ২২৩খন পথ তথা দলং নিৰ্মাণ আঁচনি ৰূপায়ণৰ বাবে গ্ৰহণ কৰে। আগন্তুক দুটা বছৰৰ ভিতৰতে সম্পূৰ্ণ হৈ উঠিব লগা এই আঁচনিসমূহৰ দ্বাৰা জিলাখনত মুঠ ৫৩৩.৫৬২ কিলোমিটাৰ দৈৰ্ঘ্যৰ পকীপথৰ নিৰ্মাণ তথা মেৰামতিৰ লগতে ৩৭খন পকী দলং আৰু ১০খন কাঠৰ দলঙৰো নিৰ্মাণ কাৰ্য সামৰি লোৱা হৈছে। ইতিমধ্যে এই ২২৩খন আঁচনিৰ ভিতৰৰে ১৩৯খন আঁচনিৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱাৰ বিপৰীতে আন ৫৫খন আঁচনিৰ ৰূপায়ণ কাৰ্য অব্যাহত আছে। তদুপৰি, আন ২৯ টা পথ নিৰ্মাণৰ বাবে ৭৭খন আঁচনি প্ৰস্তুত কৰি ৭১ টা নিৰ্মাণকাৰী প্ৰতিষ্ঠানক কাম আৱণ্টনৰ প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ হৈ উঠাৰ লগতে আন ৬খন আঁচনিৰ কাম আৱণ্টনৰ বাবেও নিবিদা প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ কৰা হৈছে। উল্লেখ্য, লোকনিৰ্মাণ (পথ) বিভাগে বিগত চাৰে চাৰি বছৰত জিলাখনত ৰূপায়ণ কৰা আঁচনিসমূহৰ জৰিয়তে ইতিমধ্যে ২৬৭.৯৬২ কিলোমিটাৰ দৈৰ্ঘ্যৰ পকীপথৰ নিৰ্মাণ তথা মেৰামতি কাৰ্য সম্পূৰ্ণ কৰি তুলিছে। ২০১৬ চনত মাজুলীত মুঠ পকীপথৰ দৈৰ্ঘ্য আছিল মাথো ১২০.৩৬৮ কিলোমিটিৰ। আনহাতে, বিভাগটোৱে ২০১৬-১৭ বিত্তীয় বৰ্ষৰ পৰা চলিত বিত্তীয় বৰ্ষলৈ মাজুলীত ৩২খন পকী দলং নিৰ্মাণেৰে জিলাখনৰ প্ৰতিটো দুৰ্গম তথা ভিতৰুৱা অঞ্চলক বছৰৰ বাৰ মাহেই ব্যৱহাৰ উপযোগী পথ-যোগাযোগ আন্তঃগাথনিৰে সংযুক্ত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ বাবে বিভাগটোৱে এইসময়ছোৱাত মুঠ

## বৈঠালাংছ'ত সজাগতা দিৱস

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৈঠালাংছ', ১৯ জানুৱাৰী ঃ** বৃহত্তৰ বৈঠালাংছ' অঞ্চলৰ অগ্ৰনী শিক্ষা প্ৰতিষ্ঠান ঋষভ একাডেমীত মঙ্গলবাৰে সজাগতা দিৱস উদযাপন কৰা হয় ।নগাঁও জিলা নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত তথা ঋষভ এক সামাজিক অনুষ্ঠান নামৰ বেচৰকাৰী সস্থাৰ সহযোগত অনুষ্ঠিত কৰা মুকলি সভাখনিত কোভিডৰ ভেকচিন ব্যৱহাৰৰ সন্দৰ্ভত সজাগতা দিয়াৰ লগতে বৰ্তমান সময়ত কাৰিকৰী শিক্ষাৰ গুৰুত্ব সম্পৰ্কে সজাগতা প্ৰদান কৰে ক্ৰমে টংক কোঁৱৰ আৰু বিপ্ৰ ৰায়ে ।সজাগতা দিৱসৰ লগত সংগতি ৰাখি প্ৰথমতে স্বচ্ছ ভাৰত অভিযান আৰু বৃক্ষৰোপণ কাৰ্যসুচী ৰূপায়ন কৰে বেচৰকাৰী সংস্থাটিৰ সম্পাদক তথা সাংবাদিক টুটু নিগমে ।

## কে চি জাতীয় বিদ্যালয়ত শিল্পী দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১৯ জানুৱাৰী ঃ** ১৭জানুৱাৰীত ডিব্ৰুগড় জিলাৰ বৰবৰুৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত মানকট খনিকৰ মৌজাস্থিত লেকাইৰ অন্যতম শিক্ষানুষ্ঠান কে চি জাতীয় বিদ্যালয়ত ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ স্মৃতি শিল্পী দিৱস অনুষ্ঠিত হৈ যায় ।অনুষ্ঠানটোৰ সৈতে সংগতি ৰাখি ৰূপকোঁৱৰ জ্যোতি প্ৰসাদৰ প্ৰতিছৱিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰি কে চি জাতীয় বিদ্যালয়ৰ অধ্যক্ষ সমীৰণ কুমাৰ দাসে শিল্পী গৰাকী কৰ্মময় জীৱনৰ ওপৰত আলোকপাত কৰে ।অনুষ্ঠানত বিদ্যালয় খনৰ পৰিচালনা সমিতিৰ সভাপতি হেমন্ত হাজৰিকা ' শিক্ষক প্ৰবীণ গগৈ ' শিক্ষয়ত্ৰী অঞ্জুৱাৰা আহমেদে জ্যোতি সংগীত পৰিবেশন ' কবিতা আবৃত্তি কৰে কে চি জাতীয় বিদ্যালয়ৰ উপাধ্যক্ষা বৰ্ণালী বৰুৱা ' শিক্ষয়ত্ৰী দীপালি চলিহা' বিদ্যালয় খন ছাত্ৰ আকাশ দাসে ।শিল্পী দিৱস কাৰ্যসূচীৰ আতঁধৰে বিদ্যালয় খনৰ সম্পাদক নৰোত্তম চৰৰে।


## SOHRT NOTICE INVITING TENDER

**No.C/S. File No..435. of 2020-21/...............**

Scaled tenders eventually to be drawn in F-2 form affixing not refundable Court Fee Stamps of Rs. 8.25 (Rupees Eight and paise Twenty Five) only and with a validity period of 180 (One Hundred and Eighty) days are invited from the registered contactors APWD Bldg. works for the work as detailed below and will be issued in the Office of the undersigned from 22-1-2021 to 25-1-2021and received upto 14.00 hours of 27-1-2021 t0 29-1-2021 and will be opened on 29-01-2021 the same date at 2.30 pm in the office of the undersigned.

| Gr. No. | Name of Work | Approx. Value of work | Bid security (in Rs.) (For Gen. category) | Bid security (in Rs.) (For SC/ST/OBC/ MOBC/UGE) | Cost of Docume ntlPO /D.D/ Banker | Time of completi on | Eligibility of Contractor |
|---|---|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 |
| 1 | Renovation and upgradation work of Chief Secretary's State L evel Conference Hall (Group= A) including extension of the existing hall at 3rd floor,Block-C,Janata Bhawan | 1795523.00 | 35910.00 | 17955.00 | 1000 | 30day | Class- I (A,B,C) Bldg. & Class-II & III category Contractor only |
| 2 | Construction of proposed office room for ***DAK section of*** Chief Secretary's office and providing working staff table with computer and cabinet, sanitary, water supply and internal electrification at C Block,3rd floor of Janata Bhawan | 1854630.00 | 37093.00 | 18546.00 | 1000.00 | 30 day | |
| 3 | Renovation of proposed office room of public Enterprise Department by providing work station with a facility of computer and internet, wall cabinet and internal electrification at 3rd floor, C Block-,Janata Bhawan | 838604.00 | 16772.00 | 8386.00 | 500.00 | 30day | |

1. Details particulars and tender papers will be issued to the eligible contractor or their authoriz ed agents with attested signature in application from 22-01-2021 to. 25-1-2021 upto 2.00 P.M.
2. IPO and bid security must be payable in favour of She " The Executive Engineer, P WD, PCC Division, Dispur, Ghy-6" .
3. Contractor must have prequalification documents having similar nature of works executed for last (Three) years.
4. The Contractor will have to submit upto date registration certificate for the year 2020-21 ,GST,E.P.F.PAN Card,L abour L icence Partnership deed/Power of attorney in case of Proprietorship firm dully attested by self.
5. If for any reason last date of receiving or issuing tender paper is a declared holiday/bandh, tender will received and opened on the next working day
6. The undersigned will be the sole authority to cancel or accept any tender without showing any reason.
7. The short NIT will be a part of the contract agreement.
8. Other details can be seen in the tender document
9. Please note that payment will be made subject to receipt of, financial sanction and F.O.C. from the Government.

Sd/-
Executive Engineer, P.W.D.
PCC Division. Dispur, Ghy-6

Janasanyog/C/10388/20


ভূমিপট্টা প্ৰদান অনুষ্ঠানৰ প্ৰস্তুতি পৰ্বৰ বুজ ল'লৈ মুখ্যমন্ত্ৰীয়ে

# শিৱসাগৰৰ জেৰেঙা পথাৰত ২৩ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কৰিব অংশগ্ৰহণ

## সকলো বিভাগৰ বিষয়াসকলৰ মাজত সু-সমন্বয়ৰে প্ৰস্তুতিপৰ্ব ক্ষিপ্ৰতাৰে সম্পন্ন কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শিৱসাগৰ, ১৯ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি শিৱসাগৰৰ জেৰেঙা পথাৰত অহা ২৩ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অংশগ্ৰহণেৰে অনুষ্ঠিত হ'বলগীয়া ভূমি পট্টা প্ৰদান অনুষ্ঠানৰ সবিশেষ প্ৰস্তুতিৰ বুজ লয়। জেৰেঙা পথাৰত উপস্থিত হৈ মুখ্যমন্ত্ৰী সোণোৱালে প্ৰস্তুতিৰ বিভিন্ন কাম-কাজ পৰিদৰ্শন কৰাৰ উপৰি শিৱসাগৰ জিলা প্ৰশাসন আৰু বিভিন্ন চৰকাৰী বিভাগৰ মুৰব্বী বিষয়াসকলৰ সৈতে এই সন্দৰ্ভত পৰ্যালোচনা কৰে। পৰ্যালোচনা কালত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শিৱসাগৰ ভ্ৰমণ উপলক্ষে শিৱসাগৰ তথা ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত আজি এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক মহান উদ্দেশ্যৰ বাবে শিৱসাগৰৰ ঐতিহাসিক জেৰেঙা পথাৰত উপস্থিত হ'ব। সেয়েহে এই সভাখন যাতে সৰ্বতোপ্ৰকাৰে নিয়াৰিকৈ সম্পন্ন হয় তাৰ বাবে প্ৰশাসন, আৰক্ষীৰ লগতে জনসাধাৰণে দায়বদ্ধতাৰে পদক্ষেপ ল'ব লাগিব। পৰ্যালোচনা কালত মুখ্যমন্ত্ৰীয়ে এই সভাখনৰ দায়িত্বত থকা বিভিন্ন বিভাগৰ বিষয়াসকলৰ মাজত সু-সমন্বয় ৰক্ষা কৰি কাম-কাজ পৰিচালনা কৰাৰ বাবেও নিৰ্দেশ দিয়ে। ক'ভিড-১৯ ৰ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে সভাস্থলিত উপস্থিত থকা সকলো জনসাধাৰণে যাতে মাস্ক পৰিধান কৰে সেইটো নিশ্চিত কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য বিভাগৰ কৰ্মকৰ্তাসকলক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে জনস্বাস্থ্য কাৰিকৰী, লোকনিৰ্মাণ, এপিডিচিএল, পৰিবহণ আদি বিভাগে ৰূপায়ণ কৰা কাম-কাজৰ অগ্ৰগতিৰো বুজ লয়। প্ৰস্তুতিমূলক ব্যৱস্থাসমূহ যাতে সঠিক আৰু ক্ষিপ্ৰতাৰে সম্পন্ন হয় তাৰ বাবে যাৱতীয় পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। উক্ত অনুষ্ঠানত আনুষ্ঠানিকভাৱে ভূমিপট্টা গ্ৰহণ কৰিবলগীয়া হিতাধিকাৰীসকলৰ আৰটিপিচিআৰ টেষ্ট কৰাৰ পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে প্ৰস্তুতিৰ বুজ লোৱাৰ সময়ত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী যোগেন মহন, সাংসদ দিলীপ শইকীয়া, ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাচা, বিধায়ক কুশল দুৱৰী, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান (আইন-শৃংখলা) জি পি সিং, জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়া তথা বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।




*ছিৰিএ এখন খেলত এচি মিলানৰ ইব্ৰাহিমভিছৰ দৰ্শনীয় প্ৰদৰ্শন। খেলখনত কেগলিয়াৰিৰ বিৰুদ্ধে এচি মিলান ২-০ গ'লত বিজয়ী হয়*

## কমলচন্দ্ৰ-লিলিমা সোণোৱাল আৰু ধীৰেণ চেতিয়া ফুটবলত ঘৰুৱা দল ধমন জয়ী

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, মৰাণ, ১৯ জানুৱাৰী ঃ** ডিব্ৰুগড় জিলাৰ ক্ৰীড়া প্ৰকল্প ধমনৰ উদ্যোগত ধমন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত যোৱা ৭ জানুৱাৰীৰ পৰা অনুষ্ঠিত হৈ অহা সপ্তম বাৰ্ষিক কমলচন্দ্ৰ-লিলিমা সোণোৱাল আৰু ধীৰেন চেতিয়া সোঁৱৰণী চলন্ত ট্ৰফী ফুটবল প্ৰতিযোগিতাত আজি গ্ৰুপ বিৰ দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত ঘৰুৱা দল ধমনে ঔফুলীয়া একাডেমীক ২-১ গ'লৰ ব্যৱধানত পৰাজিত কৰি ছেমিফাইনেলত উপনীত হৈছে। আজি খেলৰ প্ৰথমাৰ্ধৰ নিৰ্ধাৰিত সময়ত দুয়োটা দলেই স্ক'ৰ কৰাৰ ভালেকেইটা সুযোগ অপচয় কৰাৰ লগতে গলশূন্যভাৱে সমাপ্ত হয়। আনহাতে দ্বিতীয়াৰ্ধৰ আৰম্ভণিতে ঔফুলীয়া দলৰ ৰক্ষণবিভাগে আগবঢ়োৱা কঠিন প্ৰত্যাহ্বানক পৰাভূত কৰি ৯ মিনিটত ধমনৰ দক্ষ স্ক'ৰাৰ বিৰাজ সন্দিকৈয়ে খেলৰ প্ৰথমটো স্ক'ৰ কৰি দলক অগ্ৰগতি প্ৰদান কৰে। তুমুল উত্তেজনাময় খেলৰ মাজতে ৩০ মিনিটত পুনৰ বিৰাজে সন্দিকৈয়ে গল কৰি ফলাফল ২-০ কৰি তোলে। খেলৰ অন্তিম মুহূৰ্ত্তৰ ৩৪ মিনিটত ধমন দলৰ গলৰক্ষকৰ এটা ভুলৰ বাবে ঔফুলীয়াই পোৱা এটা পেনাল্টিৰে দলৰ খেলুৱৈ গৌতম চুতীয়াই গললৈ ৰূপান্তৰ কৰি ফলাফল ২- ১ হয়। আজি বিজয়ী দল ধমনে ২২ জানুৱাৰীত ৰজাআলিৰ আছাম টি স্পৰ্টচ্ একাডেমীৰ মুখামুখি হ'ব। আজিৰ খেল পৰিচালনা কৰে বিষ্ণুজ্যোতি লাচনে। লাইনত সহায় কৰে ত্ৰিদীপ ফুকন আৰু প্ৰশান্ত বৰুৱাই। চতুৰ্থ ৰেফাৰী আছিল উজ্জ্বলপ্ৰতিম বৰঠাকুৰ। আনহাতে প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেল ২১ জানুৱাৰীত কলীয়াপানীৰ ইউ এচ চিচি ফুটবল দল আৰু মৰাণ টাউনক্লাবৰ মাজত অনুষ্ঠিত হ'ব।

## ঋষভৰ নতুন অভিলেখ

**ব্ৰিছবেন, ১৯ জানুৱাৰী ঃ** টীম ইণ্ডিয়াৰ উইকেট ৰক্ষক বেটছমেন ঋষভ পণ্টে আজি ভাৰতক অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ঐতিহাসিক টেষ্ট জয়ৰ লগতে শৃংখলা বিজয়ৰ সফলতা দিয়ে। ইফালে, ঋষভে ব্ৰিছবেনত ৰাজকীয় ইনিংছ খেলি নতুন অভিলেখো গঢ়ে। টেষ্টত দ্ৰুততম গতিত এহেজাৰ ৰাণ কৰাৰ ভাৰতীয় উইকেট ৰক্ষক হোৱাৰ গৌৰৱ লাভ কৰে ঋষভে। উল্লেখ্য যে ২৭ খন টেষ্টত




এহেজাৰ ৰাণ কৰা ঋষভে ভংগ কৰে মহেন্দ্ৰ সিং ধোনিৰ (৩২ খন টেষ্টত এহেজাৰ ৰাণ) অভিলেখ। ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলা চাৰিখনীয়া টেষ্ট শৃংখলাটো ২-১ ৰ ব্যৱধানৰে দখল কৰিছে। ব্ৰিছবেনত অনুষ্ঠিত চতুৰ্থ টেষ্টত আজি ভাৰতে তিনি উইকেটত পৰাস্ত কৰে অষ্ট্ৰেলিয়াক। উল্লেখ্য যে অষ্ট্ৰেলিয়াই দিয়া ৩২৮ ৰাণৰ লক্ষ্য অনুসৰণ কৰি ভাৰতে আজি অন্তিম দিনা দ্বিতীয় ইনিংছত সাত উইকেট হেৰুৱাই ৩২৯ ৰাণ কৰি ঐতিহাসিক বিজয় লাভ কৰে। লগতে চাৰিখনীয়া টেষ্ট শৃংখলাটো ২-১ ৰ ব্যৱধানৰে দখল কৰিবলৈ সক্ষম হয় টীম ইণ্ডিয়াই। উল্লেখ্য যে ভাৰতৰ এই বিজয়ৰ নায়ক হ'ল ঋষভ। ঋষভে অপৰাজিত ৮৯ ৰাণ কৰি ভাৰতক ঐতিহাসিক বিজয় দিয়াৰ লগতে শৃংখলা জয় তথা ব'ৰ্ডাৰ-গাভাস্কাৰ ট্ৰফী হাতত লোৱাৰ গৌৰৱ দিয়ে।

### শৃংখলা দখলৰে লাভ ব'ৰ্ডাৰ-গাভাস্কাৰ ট্ৰফী

# অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ঐতিহাসিক জয় ভাৰতৰ

**ব্ৰিছবেন, ১৯ জানুৱাৰী ঃ** গৌৰৱৰ ইতিহাস গঢ়ি ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলা চাৰিখনীয়া টেষ্ট শৃংখলাটো ২-১ ৰ ব্যৱধানৰে দখল কৰিছে। ব্ৰিছবেনত অনুষ্ঠিত চতুৰ্থ টেষ্টত আজি ভাৰতে তিনি উইকেটত পৰাস্ত কৰে অষ্ট্ৰেলিয়াক। উল্লেখ্য যে অষ্ট্ৰেলিয়াই দিয়া ৩২৮ ৰাণৰ লক্ষ্য অনুসৰণ কৰি ভাৰতে আজি অন্তিম দিনা দ্বিতীয় ইনিংছত সাত উইকেট হেৰুৱাই ৩২৯ ৰাণ কৰি ঐতিহাসিক বিজয় লাভ কৰে। লগতে চাৰিখনীয়া টেষ্ট শৃংখলাটো ২-১ ৰ ব্যৱধানৰে দখল কৰিবলৈ সক্ষম হয় টীম ইণ্ডিয়াই। স্মৰ্তব্য যে অষ্ট্ৰেলিয়াই শৃংখলাৰ প্ৰথমখন দিবা-নৈশ টেষ্টত জয়লাভ কৰাৰ পাছত ভাৰতে শক্তিশালী প্ৰত্যাৱৰ্তন কৰি পৰৱৰ্তী তিনিওখন টেষ্টত অনবদ্য প্ৰদৰ্শন কৰি ঐতিহাসিক অনন্য সফলতা লাভ কৰিবলৈ সক্ষম হয়। দ্বিতীয় টেষ্ট জয়ৰে টীম ইণ্ডিয়াই শৃংখলাত ১-১ ত সমতা স্থাপন কৰাৰ পাছত তৃতীয় টেষ্টখন দৃঢ়তাৰে ড্ৰ খেলে। আনহাতে, নিৰ্ণায়ক চতুৰ্থ টেষ্টত আজি জয়লাভ কৰি ভাৰতে চাৰিখনীয়া টেষ্ট শৃংখলাটো ২-১ ৰ ব্যৱধানৰে দখল কৰিলে। ভাৰতীয় দলৰ আজিৰ এই বিজয় কেবাটাও দিশৰে অনন্য। নৱাগত খেলুৱৈৰে গঠিত ভাৰতীয় দলে ক্ৰিকেট পণ্ডিতৰ সকলো বিশ্লেষণক ভুল প্ৰমানিত কৰি কেংগাৰুৰ ভূমিত ধুলিস্যাৎ কৰিলে সৰ্বশক্তিৰ দল অষ্ট্ৰেলিয়াক। সুদীৰ্ঘ ৩২ বছৰ পাছত ব্ৰিছবেনত পৰাজয়ৰ সন্মুখীন হ'ল অষ্ট্ৰেলিয়া। উল্লেখ্য যে কালি ভাৰতে দ্বিতীয় ইনিংছ আৰম্ভ কৰি চাৰি ৰাণ কৰাৰ পাছত হাতত ১০ টা উইকেট থকা অৱস্থাত আজি জয়ৰ বাবে প্ৰয়োজন হয় ৩২৪ ৰাণৰ। পূৰা ইনিংছ আৰম্ভ কৰি ৩০ মিনিটৰ ভিতৰতে ভাৰতে অপেনাৰ ৰোহিত শৰ্মা (৭ ৰাণ) ৰ উইকেটতো হেৰুৱায়। কিন্তু আত্মবিশ্বাসী ভাৰতে চাপৰ সন্মুখীন হোৱাৰ বিপৰীতে যুদ্ধ জয়ৰ মানসিকতাৰে খেলি ইনিংছ আগুৱাই নিয়ে। ভাৰতৰ বিজয়ৰ ভেটি সুদৃঢ় কৰে আনজন অপেনাৰ শুভমন গিল আৰু চেতেশ্বৰ পূজাৰাই। গিলে অষ্ট্ৰেলিয়াৰ আক্ৰমণক প্ৰত্যুত্তৰ দিয়াৰ



বিপৰীতে পূজাৰাই দৃঢ়তাৰে উইকেটত খোপনি লয়। শতকীয় যুটি হয় উভয়ৰ মাজত। অনবদ্য বেটিং কৰা গিল (৯১) শতকৰ পৰা বঞ্চিত হয় যদিও ভাৰতে যে জয়ৰ লক্ষ্যলৈ যাব পাৰিব তাৰ দুৱাৰখন মুকলি কৰি দিয়ে। অধিনায়ক ৰাহানে (২৪) চমু ইনিংছ খেলিলেও দলৰ জয়ৰ ৰণনীতিৰ পৰিচয় কাৰ্যতঃ প্ৰতিফলিত কৰি দিয়ে। চাহ বিৰতিৰ পূৰ্বে পূজাৰৰ সংগী হ'বলৈ উইকেটলৈ আহে মেচৰ নায়ক ঋষভ পণ্ট। ভাৰতৰ জয়যাত্ৰাৰ সোণালী যাত্ৰা তেতিয়াৰ পৰাই আৰম্ভ হয়। ছিডনীত অনবদ্য ইনিংছ খেলিও ভাৰতক বিজয়লক্ষ্যত উপনীত কৰিব নোৱাৰাৰ দুখ আজি সুখলৈ ৰূপান্তৰ কৰে ঋষভে। উল্লেখ্য যে নতুন বল লৈ অষ্ট্ৰেলিয়াই ভাৰতৰ বেটিং স্তম্ভ পূজাৰাৰ (৫৬) লগতে মায়ংকক (৯) বিদায় দি প্ৰত্যাৱৰ্তনৰ আশা সজীৱ কৰে যদিও ঋষভৰ দৃষ্টিনন্দন বেটিঙত কেংগাৰু দলে আত্মসমৰ্পন কৰিবলৈ বাধ্য হয়। ৱাশ্বিংটন সুন্দৰৰ (২২) সহযোগত ঋষভে অপৰাজিত ৮৯ ৰাণ কৰি ভাৰতক ঐতিহাসিক বিজয় দিয়াৰ লগতে শৃংখলা জয় তথা ব'ৰ্ডাৰ-গাভাস্কাৰ ট্ৰফী হাতত লোৱাৰ গৌৰৱ দিয়ে। অষ্ট্ৰেলিয়াৰ বলিং বিভাগ বিধ্বস্ত হোৱাৰ মাজতে চাৰিটা উইকেট লাভ কৰে পেট কামিনছে। মুঠ ২২ টা উইকেট লাভ কৰা কামিনছ শৃংখলাৰ শ্ৰেষ্ঠ হয়।

## এয়া মোৰ কেৰিয়াৰৰ স্মৰণীয় সফলতা ঃ ঋষভ

**ব্ৰিছবেন, ১৯ জানুৱাৰী ঃ** 'এয়া মোৰ কেৰিয়াৰৰ শ্ৰেষ্ঠ লগতে স্মৰণীয় সফলতা।' এই মন্তব্য টীম ইণ্ডিয়াৰ উইকেট ৰক্ষক বেটছমেন ঋষভ পণ্টৰ। উল্লেখ্য যে আজি ঋষভে ব্ৰিছবেনত ৰাজকীয় ইনিংছ খেলি ভাৰতক অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ঐতিহাসিক টেষ্ট জয়ৰ লগতে শৃংখলা বিজয়ৰ সফলতা দিয়ে। মেচৰ শ্ৰেষ্ঠ হোৱা ঋষভে নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে দেশক বিজয় দিয়াৰ ইনিংছ সদায়ে গৌৰৱৰ স্মৰণীয় সফলতা। উল্লেখ্য যে ঋষভে অপৰাজিত ৮৯ ৰাণ কৰি ভাৰতক ঐতিহাসিক বিজয় দিয়াৰ লগতে শৃংখলা জয় তথা ব'ৰ্ডাৰ-গাভাস্কাৰ ট্ৰফী হাতত লোৱাৰ গৌৰৱ দিয়ে। ঋষভ উইকেটলৈ অহাৰ পৰাই ভাৰতৰ জয়যাত্ৰাৰ সোণালী যাত্ৰা আৰম্ভ হয়। ছিডনীত অনবদ্য ইনিংছ খেলিও ভাৰতক বিজয়লক্ষ্যত উপনীত কৰিব নোৱাৰাৰ দুখ আজি সুখলৈ ৰূপান্তৰ কৰে ঋষভে। চাহ বিৰতিৰ পূৰ্বে পূজাৰৰ সংগী হ'বলৈ উইকেটলৈ আহে মেচৰ নায়ক ঋষভ পণ্ট। আৰম্ভণি ধীৰ গতিৰে কৰি অন্তিম ১০ অভাৰত বিস্ফোৰক বেটিঙৰে অষ্ট্ৰেলিয়াৰ বলিং বিভাগক বিধ্বস্ত কৰে ঋষভে।

## আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিৰ পইণ্ট তালিকাৰ শীৰ্ষত ভাৰত

**ডুবাই, ১৯ জানুৱাৰী ঃ** ভাৰতে গৌৰৱৰ ইতিহাস গঢ়ি অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলা চাৰিখনীয়া টেষ্ট শৃংখলাটো ২-১ ৰ ব্যৱধানৰে দখল কৰিছে। এই সফলতাৰে ভাৰতে চলিত আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিৰ পইণ্ট তালিকাৰ শীৰ্ষ স্থানত উপনীত হোৱাৰ লগতে আই চি চিৰ টেষ্ট ৰেংকিঙতো এটা স্থান উত্তৰণ কৰিছে। ব্ৰিছবেনত অনুষ্ঠিত চতুৰ্থ টেষ্টত আজি ভাৰতে তিনি উইকেটত পৰাস্ত কৰে অষ্ট্ৰেলিয়াক। উল্লেখ্য যে অষ্ট্ৰেলিয়াই দিয়া ৩২৮ ৰাণৰ লক্ষ্য অনুসৰণ কৰি ভাৰতে আজি অন্তিম দিনা দ্বিতীয় ইনিংছত সাত উইকেট হেৰুৱাই ৩২৯ ৰাণ কৰি ঐতিহাসিক বিজয় লাভ কৰে। লগতে চাৰিখনীয়া টেষ্ট শৃংখলাটো ২-১ ৰ ব্যৱধানৰে দখল কৰিবলৈ সক্ষম হয় টীম ইণ্ডিয়াই। এই সাফল্যৰ বাবে ভাৰতে মুঠ ৪৩০ পইণ্ট লাভ কৰি আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিৰ পইণ্ট তালিকাৰ শীৰ্ষ স্থানত উপনীত হয়। দ্বিতীয়ত নিউজিলেণ্ড (৪২০ পইণ্ট) আৰু তৃতীয়ত অষ্ট্ৰেলিয়া (৩২২ পইণ্ট) আছে। ইফালে, ভাৰতে আই চি চিৰ টেষ্ট ৰেংকিঙতো তৃতীয়ৰ পৰা দ্বিতীয় স্থানলৈ উত্তৰণ কৰিছে। অষ্ট্ৰেলিয়াক চেৰ পেলাই ভাৰতে। নিউজিলেণ্ড (১১৮ পইণ্ট) শীৰ্ষত, ভাৰত (১১৭ পইণ্ট) দ্বিতীয়ত আৰু অষ্ট্ৰেলিয়া (১১৩ পইণ্ট) তৃতীয় স্থানত আছে।

## মাকুমত হেণ্ডবলৰ আন্তঃজিলা চাব-জুনিয়ৰ(গাৰ্লছ) আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ডুমডুমা, ১৯ জানুৱাৰী ঃ** অসম হেণ্ডবল সন্থাৰ তত্ত্বাৱধানত আৰু তিনিচুকীয়া জিলা হেণ্ডবলৰ উদ্যোগত আজি মাকুমৰ ৰজনীকান্ত বৰদলৈ খেল পথাৰত ৪ৰ্থ বাৰ্ষিক ভদ্ৰেশ্বৰ বড়োচা সোঁৱৰণি সদৌ অসম আন্তঃজিলা চাব জুনিয়ৰ হেণ্ডবল(গাৰ্লছ) আৰম্ভ হৈছে। অসমৰ তিনিচুকীয়া, ডুমডুমা, শিৱসাগৰ, গোলাঘাট, নগাঁও, তেজপুৰ আৰু বাক্সা-এই সাতটা জিলা দলে যোগদান কৰে। ইতিমধ্যে তিনিচুকীয়া আৰু বাক্সা জিলাই চেমি-ফাইনেলত উপনীত হৈছে বুলি জানিবপৰা গৈছে। কাইলৈ অইনখন ছেমিফাইনেল আৰু ফাইনেলৰ লগতে সামৰণি অনুষ্ঠান অনুষ্ঠিত হ'ব। আজি অসম হেণ্ডবল সন্থাৰ পতাকা ইয়াৰ কাৰ্যকৰী সভাপতি ললিত গগৈয়ে




আৰু তিনিচুকীয়া জিলা হেণ্ডবলৰ পতাকা ইয়াৰ কাৰ্যকৰী সভাপতি অৰ্জুন বৰুৱাই উত্তোলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ ঘটায়। বন্তি প্ৰজ্বলন কৰে অসম মৰাণ সভাৰ সভাপতি ধৰ্মেন্দ্ৰ নেওগ, সৈন্য বাহিনীৰ মাকুম চি অ' চি-ৰ কেপ্তেইন সুভম গুপ্তা আদিয়ে। এই একেকেইগৰাকী ব্যক্তিয়ে অনুষ্ঠানটোত খেলুৱৈসকলক উদ্দেশ্যি একোটি চমু বক্তব্য আগবঢ়ায়। অনুষ্ঠানটোৰ যুটীয়াভাৱে আঁত ধৰে তিনিচুকীয়া জিলা হেণ্ডবলৰ সম্পাদক চাহ মিৰুজ আৰু অসম মৰাণ সভাৰ সম্পাদক দুৰ্লভ গোঁহায়ে।

## ভাৰতীয় ক্ৰিকেট দলক দুৰ্বল বুলি ভবাটো এক মুৰ্খামি ঃ লেংগাৰ

**ব্ৰিছবেন, ১৯ জানুৱাৰী ঃ** 'ভাৰতীয় ক্ৰিকেট দলক দুৰ্বল বুলি ভবাটো এক মুৰ্খামি। আমি কেতিয়াও সেয়া ভবা নাছিলো। আঘাতৰ বাবে ভাৰতৰ তাৰকা ক্ৰিকেটাৰ দলত নথকাৰ পাছতো নৱাগতই যি প্ৰদৰ্শন কৰিলে সেয়া বিপক্ষ দল হিচাপেও আমি প্ৰশংসা কৰিবই লাগিব।' এই মন্তব্য অষ্ট্ৰেলিয়াৰ মূখ্য প্ৰশিক্ষক জাষ্টিন লেংগাৰৰ। উল্লেখ্য যে সুদীৰ্ঘ ৩২ বছৰ পাছত ব্ৰিছবেনত আজি পৰাজয়ৰ সন্মুখীন হ'ল অষ্ট্ৰেলিয়া। ভাৰতে গৌৰৱৰ ইতিহাস গঢ়ি অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলা চাৰিখনীয়া টেষ্ট শৃংখলাটো ২-১ ৰ ব্যৱধানৰে দখল কৰিছে। অষ্ট্ৰেলিয়াই দিয়া ৩২৮ ৰাণৰ লক্ষ্য অনুসৰণ কৰি ভাৰতে আজি অন্তিম দিনা দ্বিতীয় ইনিংছত সাত উইকেট হেৰুৱাই ৩২৯ ৰাণ কৰি ঐতিহাসিক বিজয় লাভ কৰে। স্মৰ্তব্য যে অষ্ট্ৰেলিয়াই শৃংখলাৰ প্ৰথমখন দিবা-নৈশ টেষ্টত জয়লাভ কৰাৰ পাছত ভাৰতে শক্তিশালী প্ৰত্যাৱৰ্তন কৰি পৰৱৰ্তী তিনিওখন টেষ্টত অনবদ্য প্ৰদৰ্শন কৰি ঐতিহাসিক অনন্য সফলতা লাভ কৰিবলৈ সক্ষম হয়। দ্বিতীয় টেষ্ট জয়ৰে টীম ইণ্ডিয়াই শৃংখলাত ১-১ ত সমতা স্থাপন কৰাৰ পাছত তৃতীয় টেষ্টখন দৃঢ়তাৰে ড্ৰ খেলে। আনহাতে, নিৰ্ণায়ক চতুৰ্থ টেষ্টত আজি জয়লাভ কৰি ভাৰতে চাৰিখনীয়া টেষ্ট শৃংখলাটো ২-১ ৰব্যৱধানৰে দখল কৰিলে।

## ইংলণ্ডৰ বিৰুদ্ধে প্ৰথম দুখন টেষ্টৰ ভাৰতীয় দল ঘোষণা

**নতুন দিল্লী, ১৯ জানুৱাৰী ঃ** অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ঐতিহাসিক টেষ্ট শৃংখলা দখল কৰা ভাৰতীয় ক্ৰিকেট দলে পৰৱৰ্তী শৃংখলা খেলিব দেশত ইংলণ্ডৰ বিৰুদ্ধে। অহা পাঁচ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'ব ভাৰত আৰু ইংলণ্ডৰ মাজৰ টেষ্ট শৃংখলা। আজি বি চি চি আয়ে প্ৰথম দুখন টেষ্টৰ বাবে ভাৰতীয় দল ঘোষণা কৰিছে। ভাৰতক পুনৰ নেতৃত্ব দিব বিৰাটে। ইফালে, হাৰ্দিক পাণ্ডিয়া আৰু ঈশান্ত শৰ্মা টেষ্ট দললৈ প্ৰত্যাৱৰ্তন কৰিছে। ৰবীন্দ্ৰ জাডেজাৰ আঘাতৰ বাবে অক্ষয় পেটেলকো দলত লোৱা হৈছে। ৱাশ্বিংটন সুন্দৰ, মহম্মদ চিৰাজ, আৰু শ্বাৰ্দুল ঠাকুৰেও দলত স্থান লাভ কৰিছে। কাৰণ আঘাতৰ বাবে বাহিৰ হৈছে ছামি, বিহাৰি আৰু উমেশ। **ঘোষিত টেষ্ট দল ঃ** বিৰাট কোহলি (অধিনায়ক), ৰোহিত শৰ্মা, মায়ংক আগৰৱাল, শুভমন গিল, চেতেশ্বৰ পূজাৰা, অজিংক্য ৰাহানে (সহঃ অধিনায়ক), লোকেছ ৰাহুল, হাৰ্দিক পাণ্ডিয়া, ঋদ্ধিমান সাহা, ঋষভ পণ্ট (উইকেট ৰক্ষক), ৰবিচন্দ্ৰন অশ্বিন, কুলদ্বীপ যাদব, অক্ষৰ পেটেল, ৱাশ্বিংটন সুন্দৰ, ঈশান্ত শৰ্মা, যশপ্ৰীত বুমৰাহ, মহম্মদ চিৰাজ, আৰু শ্বাৰ্দুল ঠাকুৰ।




*অষ্ট্ৰেলিয়াৰ বিৰুদ্ধ ছিৰিজ দখল কৰি বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীসহ ভাৰতীয় ক্ৰিকেট দল*

## কলিয়াবৰত পোণ প্ৰথমবাৰৰ বাবে দেহশ্ৰী প্ৰতিযোগিতা

মিষ্টাৰ কলিয়াবৰ
২০২১ ৰাহুল শ্বেখ
নলবাৰীৰ বিক্ৰম ডেকা মডেল
ফিজিক চেম্পিয়ন ২০২১
ক্লাচিক বডী বিল্ডিং আৰু মডেল
ফিজিক চেম্পিয়নশ্বীপ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, কলিয়াবৰ, ১৯ জানুৱাৰী ঃ** কলিয়াবৰত পোণ প্ৰথমবাৰৰ বাবে শৰীৰ চৰ্চা প্ৰতিযোগিতা। সোমবাৰে আনুষ্ঠানিকভাৱে 'মিষ্টাৰ কলিয়াবৰ' শীৰ্ষক শৰীৰ চৰ্চা প্ৰতিযোগিতাৰ শুভাৰম্ভণী ঘটে। ইণ্ডিয়ান বডী বিল্ডিং ফেডাৰেচনৰ সহযোগত শিলঘাট উন্নয়নশীল যুৱ সমাজ আৰু শিলঘাট ফিটনেছ চেণ্টাৰৰ উদ্যাগত, অসম বডী বিল্ডাৰ্চ এণ্ড ফিটনেচ এচ'চিয়েচনৰ ব্যৱস্থাপনাত এই শৰীৰ চৰ্চা প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাখন অনুষ্ঠিত হয় বৃটিছৰ দিনতেই প্ৰতিষ্ঠা হোৱা শিলঘাটৰ ঐতিহাসিক শিলঘাট নাট্য মন্দিৰত। মি. কলিয়াবৰ ২০২১ গুৱাহাটীৰ খিতাপ ৰাহুল শ্বেখ ২য় স্থান দিপান মিত্ৰ,৩য় বাবুল বাচফৰ। মডেল ফিজিক শাখাত চেম্পিয়ন খিতাপ দখল কৰে নলবাৰীৰ বিক্ৰম ডেকাই। ২য় বিতুপন পাল, কামৰূপ, ৩য় প্ৰতীক ধৰ, কৰিমগঞ্জ। প্ৰতিযোগিতখনি আনুষ্ঠানিকভাৱে উলদ্বোধন কৰে নগাঁও জিলাৰ অতিৰিক্ত উপায়ুক্ত তথা কলিয়াবৰ মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি বিতোপন নেওগে।

## এই জয় অনন্য ঃ ৰবী শাস্ত্ৰী

**ব্ৰিছবেন, ১৯ জানুৱাৰী ঃ** 'ঋষভ পণ্ট এজন মেচ উইনাৰ। সেয়ে বিদেশত খেলিলে আমি তেওঁক মূল একাদশত অন্তৰ্ভুক্ত কৰো। ক্ৰমাগত দুখন টেষ্টত দুটা অনন্য ইনিংছ খেলি ঋষভে নিজৰ প্ৰতিভা চমকিত কৰাৰ লগতে সমালোচকৰ মুখ বন্ধ কৰি দিলে।' এই মন্তব্য টীম ইণ্ডিয়াৰ মূখ্য প্ৰশিক্ষক ৰবী শস্ত্ৰীৰ। উল্লেখ্য যে গৌৰৱৰ ইতিহাস গঢ়ি ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলা চাৰিখনীয়া টেষ্ট শৃংখলাটো ২-১ ৰ ব্যৱধানৰে দখল কৰিছে। ব্ৰিছবেনত অনুষ্ঠিত চতুৰ্থ টেষ্টত আজি ভাৰতে তিনি উইকেটত পৰাস্ত কৰে অষ্ট্ৰেলিয়াক। উল্লেখ্য যে অষ্ট্ৰেলিয়াই দিয়া ৩২৮ ৰাণৰ লক্ষ্য অনুসৰণ কৰি ভাৰতে আজি অন্তিম দিনা দ্বিতীয় ইনিংছত সাত উইকেট হেৰুৱাই ৩২৯ ৰাণ কৰি ঐতিহাসিক বিজয় লাভ কৰে। লগতে চাৰিখনীয়া টেষ্ট শৃংখলাটো ২-১ ৰ ব্যৱধানৰে দখল কৰিবলৈ সক্ষম হয় টীম ইণ্ডিয়াই। ভাৰতৰ এই বিজয়ৰ নায়ক হ'ল ঋষভ। উল্লেখ্য যে চাহ বিৰতিৰ পূৰ্বে পূজাৰৰ



সংগী হ'বলৈ উইকেটলৈ আহে মেচৰ নায়ক ঋষভ পণ্ট। ভাৰতৰ জয়যাত্ৰাৰ সোণালী যাত্ৰা তেতিয়াৰ পৰাই আৰম্ভ হয়। ছিডনীত অনবদ্য ইনিংছ খেলিও ভাৰতক বিজয়লক্ষ্যত উপনীত কৰিব নোৱাৰাৰ দুখ আজি সুখলৈ ৰূপান্তৰ কৰে ঋষভে। নতুন বল লৈ অষ্ট্ৰেলিয়াই ভাৰতৰ বেটিং স্তম্ভ পূজাৰাৰ (৫৬) লগতে মায়ংকক (৯) বিদায় দি প্ৰত্যাৱৰ্তনৰ আশা সজীৱ কৰে যদিও ঋষভৰ দৃষ্টিনন্দন বেটিঙত কেংগাৰু দলে আত্মসমৰ্পন কৰিবলৈ বাধ্য হয়। ৱাশ্বিংটন সুন্দৰৰ (২২) সহযোগত ঋষভে অপৰাজিত ৮৯ ৰাণ কৰি ভাৰতক ঐতিহাসিক বিজয় দিয়াৰ লগতে শৃংখলা জয় তথা ব'ৰ্ডাৰ-গাভাস্কাৰ ট্ৰফী হাতত লোৱাৰ গৌৰৱ দিয়ে। মূখ্য প্ৰশিক্ষক ৰবী শস্ত্ৰীয়ে বিৰাট, বুমৰাহ, অশ্বিন আৰু জাডেজা অবিহনে ভাৰতৰ এই বিজয় অনন্য বুলি কোৱাৰ লগতে ৱাশ্বিংটন সুন্দৰ আৰু শ্বাৰ্দুল ঠাকুৰক উচ্চ প্ৰশংসা কৰে। শাস্ত্ৰীয়ে লগতে কয় যে প্ৰথম টেষ্টত ভাৰত ৩৬ ৰাণত অলআউট হোৱাৰ পাছত চৌদিশৰ পৰা যি সমালোচনা আহিছিল তাৰপাছত আজি ঐতিহাসিক সফলতাই ভাৰতীয় ক্ৰিকেটৰ শক্তি প্ৰতিফলিত কৰিলে।

## দলৰ প্ৰতিজনৰ প্ৰদৰ্শনক লৈ মই গৌৰৱান্বিত ঃ ৰাহানে




**ব্ৰিছবেন, ১৯ জানুৱাৰী ঃ** 'ঐতিহাসিক এই বিজয়ৰ অনুভূতি প্ৰকাশ কৰাৰ কোনো ভাষা নাই। কেৱল এটা ব্যক্তাই ক'ম-দলৰ প্ৰতিজনৰ প্ৰদৰ্শনক লৈ মই গৌৰৱান্বিত।' এই মন্তব্য টীম ইণ্ডিয়াৰ অধিনায়ক অজিংক্য ৰাহানেৰ। উল্লেখ্য যে গৌৰৱৰ ইতিহাস গঢ়ি ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলা চাৰিখনীয়া টেষ্ট শৃংখলাটো ২-১ ৰ ব্যৱধানৰে দখল কৰিছে। অষ্ট্ৰেলিয়াই শৃংখলাৰ প্ৰথমখন দিবা-নৈশ টেষ্টত জয়লাভ কৰাৰ পাছত ভাৰতে শক্তিশালী প্ৰত্যাৱৰ্তন কৰি পৰৱৰ্তী তিনিওখন টেষ্টত অনবদ্য প্ৰদৰ্শন কৰি ঐতিহাসিক অনন্য সফলতা লাভ কৰিবলৈ সক্ষম হয়। প্ৰথম টেষ্টৰ পাছতে বিৰাট কোহলিৰ অনুপস্থিতিত ভাৰতক নেতৃত্ব দিয়ে ৰাহানে। ৰাহানেৰ শতকৰে দ্বিতীয় টেষ্টত জয়ৰে টীম ইণ্ডিয়াই শৃংখলাত ১-১ ত সমতা স্থাপন কৰাৰ পাছত তৃতীয় টেষ্টখন দৃঢ়তাৰে ড্ৰ খেলে। আনহাতে, নিৰ্ণায়ক চতুৰ্থ টেষ্টত আজি জয়লাভ কৰি ভাৰতে চাৰিখনীয়া টেষ্ট শৃংখলাটো ২-১ ৰ ব্যৱধানৰে দখল কৰিলে। ভাৰতীয় দলৰ আজিৰ এই বিজয় কেবাটাও দিশৰে অনন্য। নৱাগত খেলুৱৈৰে গঠিত ভাৰতীয় দলে ক্ৰিকেট পণ্ডিতৰ সকলো বিশ্লেষণক ভুল প্ৰমানিত কৰি কেংগাৰুৰ ভূমিত ধুলিস্যাৎ কৰিলে সৰ্বশক্তিৰ দল অষ্ট্ৰেলিয়াক। সুদীৰ্ঘ ৩২ বছৰ পাছত ব্ৰিছবেনত পৰাজয়ৰ সন্মুখীন হ'ল অষ্ট্ৰেলিয়া। বিৰাট, বুমৰাহ, অশ্বিন আৰু জাডেজা অবিহনে ভাৰতৰ এই বিজয় অনন্য বুলি কোৱা ৰাহানে মহম্মদ ছিৰাজ, ৱাশ্বিংটন সুন্দৰ আৰু শ্বাৰ্দুল ঠাকুৰক উচ্চ প্ৰশংসা কৰে। তেওঁ লগতে কয় যে প্ৰথম টেষ্টত ভাৰত ৩৬ ৰাণত অলআউট হোৱাৰ পাছত চৌদিশৰ পৰা যি সমালোচনা আহিছিল তাৰপাছত আঘাতৰ সমস্যাই দলক নতুন বিপদ দিছিল। কিন্তু আজি ঐতিহাসিক সফলতাই ভাৰতীয় ক্ৰিকেটৰ শক্তি প্ৰতিফলিত কৰিলে।

**SHORT SALE NOTICE**

Under the provision of Assam Settlement of Coupes and Mahal Rules, 1977 (Amended 2000) tender affixing court fee stamp Rs. 8.25 (Rupees eight and paise twenty five) only is hereby invited from the intending tenderer for sale of the timber lots under North Kamrup Division, Rangia which shall be received on 09-02-2021 up to 3.00 PM (1ST) in the office of the undersigned In case the office remain closed on that day for any unforeseen or unavoidable reason, then tender will be received up to 3.00 PM (I.S.T) on the next working day.

The details of the tender Form / Sale notice can be collected from the office of the undersigned during office hours in any working days on payment of Rs. 50/- (Rupees Fifty) only per sale notice and Rs. 10/- (Rupees Ten ) only per tender form which is not refundable.

Sd/-
Divisional Forest Officer
North Kamrup Division, Rangia

Janasanyog/C/10411/20

শিৱসাগৰ জিলা সাহিত্য সভা

## লোক-সংস্কৃতিৰ সাধক হাফিজা বেগম চৌধুৰীলৈ 'কেৰিমুদ্দিন আহমেদ সোঁৱৰণী শিল্পী বঁটা'

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৯ জানুৱাৰী ঃ** লোক-শিল্পী 'কেৰিমুদ্দিন আহমেদসোঁৱৰণী শিল্পী বঁটা' ২ ফেব্ৰুৱাৰীত শিৱসাগৰ জিলা সাহিত্য সভাৰ উদ্যোগত শিৱসাগৰ প্ৰেছ ক্লাবৰ প্ৰেক্ষাগৃহত প্ৰদান কৰা হ'ব। বকুলবন বঁটাপ্ৰাপক জিকিৰ গৱেষক কেৰিমুদ্দিন আহমেদৰ অষ্টম মৃত্যু বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি প্ৰতি বছৰৰ দৰে এইবাৰো এই বঁটা প্ৰদান কৰা হ'ব। জিকিৰ গৱেষকগৰাকীৰ সোঁৱৰণত প্ৰদান কৰা এই বঁটাত আছে এখন চেলেং চাদৰ, গামোচা, গ্ৰন্থৰ টোপোলা, এটি ফুলৰ জাপি, এটা স্মাৰক, এখন প্ৰশস্তি-পত্ৰ আৰু নগদ ৫ হাজাৰ টকা। গৱেষক গৰাকীৰ নামত প্ৰৱৰ্ত্তন কৰা বঁটাটি এইবাৰ প্ৰদান কৰিবৰ বাবে শিৱসাগৰ জিলা সাহিত্য সভাৰ নিৰ্বাচক সমিতিয়ে ৰাজ্যখনৰ পৰা অসমৰ এগৰাকী লোক-শিল্পীক বঁটাৰ বাবে নিৰ্বাচিত কৰিছে। বঁটাৰ বাবে নিৰ্বাচিত হৈছে অসমৰ লোকশিল্পী, স্নাতক (কলা) সংগীত বিশাৰদ, লোকগীত, চিয়াগীত, বৰগীত, জিকিৰ জাৰীৰ সাধক তথা অনাতাৰ শিল্পী অসম সাহিত্য সভাকে ধৰি বিভিন্ন জাতীয় অনুষ্ঠানত শিল্পী কণ্ঠৰে আপ্লুত কৰি কেইবাটাও বঁটাৰে সন্মানিত গুৱাহাটী পাঞ্জাবাৰী নিবাসী হাফিজা বেগম চৌধুৰী বুলি জিলা সাহিত্য সভাৰ সভাপতি যুগ গগৈ আৰু সম্পাদক সন্তোষ দত্তই জানিবলৈ দিছে। উল্লেখ্য যে শিৱসাগৰ জিলা সাহিত্য সভাই "কেৰিমুদ্দিন আহমেদ সোঁৱৰণী শিল্পী বঁটা"ৰ বাবে নিৰ্বাচিত কৰা হাফিজা বেগম চৌধুৰীয়ে বিগত সময়ত অসম সাহিত্য সভাৰ গোৰেশ্বৰ, হাইলাকান্দি, ছিপাঝাৰ আদিত জিকিৰ-জাৰীৰ, গীতৰ লগতে ভাওনা আদি পৰিৱেশন কৰি সাংস্কৃতিক দিশত নিজকে সৱলভাৱে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। এইগৰাকী শিল্পীয়ে লোকগীত, চিয়াগীত, বৰগীত, জিকিৰ আৰু জাৰী, বাউল গীতৰ জ্ঞান আহৰণ কৰিছিল ক্ৰমে নৰেন্দ্ৰ নাথ, মহেন্দ্ৰ নাথ শৰ্মা, নন্দেশ্বৰ শইকীয়া, ৰেকিবুদ্দিন আহমেদ আৰু কেৰিমুদ্দিন আহমেদৰ পৰা। হাফিজা বেগম চৌধুৰীক এই বংটা প্ৰদান কৰিব লোক সংস্কৃতিৰ সাধক তথা প্ৰাক্তন অধ্যক্ষ অনিল শইকীয়াই।

## আজি ডিব্ৰুগড়ত ১১ কেভি চৌকীডিঙি ফিডাৰৰ মেৰামতিৰ বাবে পুৱা ৬ স্থানত বিদ্যুতৰ সংযোগ ব্যাহত থাকিব

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১৯ জানুৱাৰী ঃ** ডিব্ৰুগড় বৈদ্যুতিক সংমণ্ডল-৩য়ে জনোৱা অনুসৰি ২০ জানুৱাৰীত সংমণ্ডটোৰ অধীনৰ ১১ কে ভি চৌকিডিঙ্গী ফিডাৰৰ কিছু মেৰামতি সংক্ৰান্তীয় কাম থকাৰ বাবে পুৱা ৮ বজাৰ পৰা পুৱা ১০ বজাৰ ভিতৰত উক্ত ফিডাৰটো বন্ধ থাকিব। সেয়েহে এই সময়চোৱাত লাচিত নগৰ, গান্ধী নগৰ,উদয়পুৰ, পি.এন ৰোড, চৌকিডিঙ্গি, ৰাণিং গেট আদি এলেকাত বিদ্যুত সংযোগ ব্যাহত থাকিব।




অষ্ট্ৰেলিয়াৰ বিপক্ষে খেলা চতুৰ্থ তথা অন্তিম টেষ্টত তিনি উইকেটত জয়লাভ কৰি ভাৰতৰ ২-১ ব্যৱধানত শৃংখলা জয়

# মেৰাপানীৰ সমূহীয়া চিকিৎসালয়ত অৰাজকতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ১৯ জানুৱাৰী ঃ** মেৰাপানীৰ এখন আজব চিকিৎসালয়। য'ত পোৱা নাযায় কোনো চিকিৎসক। ফলস্বৰূপে চিকিৎসালয়খনৰ কৰ্তৃপক্ষই 'ইয়াত চিকিৎসক পোৱা নাযাব' বুলি আঁৰি ৰাখিছে ফলক। দেখিবলৈ, শুনিবলৈ আচহুৱা যেন লাগিলেও চিকিৎসক পোৱা নহ'ব বুলি জাননী লিখি ৰোগী তথা ৰাইজক জনাব লগা পৰিস্থিতি সৃষ্টি হৈছে অসম-নাগালেণ্ড সীমাৰ মেৰাপানীৰ এখন চিকিৎসালয়ত। এইখন অসমৰে উন্নয়নৰ ঢাকঢোল বজোৱা বহুবল্কী স্বাস্থ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা স্বাস্থ্য বিভাগৰ অন্তৰ্গত গোলাঘাট জিলাৰ মেৰাপানীৰ এঘাৰখন গাঁও পঞ্চায়ত এলেকাৰ এক বৃহৎ এলেকাৰ প্ৰায় লক্ষাধিক লোকৰ স্বাস্থ্যক লৈ হেতালি খেলা স্বাস্থ্য বিভাগৰ কাণ্ড এয়া। ৩০খন বিছনাযুক্ত মেৰাপানীৰ সমূহীয়া চিকিৎসালয়খনৰ চিকিৎসাৰ দায়িত্বত থকা মাত্ৰ দুজন চিকিৎসকে কিছুদিনৰ আগতে পদোন্নতি হৈ বদলি হোৱাৰ পাছত চিকিৎসকৰ অভাৱত কৰ্মচাৰীসকলে উপায়ান্তৰ হৈ এনেদৰে জাননী ফলক লিখি ৰাখিব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। যোৱা সোমবাৰে নিশা পেটৰ বিষত ভোগা এজন ৰোগী চিকিৎসা কৰিবলৈ আহি চিকিৎসক নোপোৱাৰ পাছতেই উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হয়। উল্লেখ্য যে, বিগত সপ্তাহটোত নিশাৰ ভাগত প্ৰায়ে এনে ঘটনা ঘটিছে বুলি জানিব পৰা গৈছে। স্বাস্থ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আগন্তুক বিধানসভা নিৰ্বাচনত ১০০ প্লাছ আসন লৈ চৰকাৰ গঠন কৰিবলৈ গোলাঘাট সমষ্টিৰ কংগ্ৰেছী প্ৰাক্তন বিধায়িকা অজন্তা নেওগক দলত লৈ নিৰ্বাচনী কুচকাৱাজ চলাই থকাৰ সময়তে সমষ্টিটোৰ ৰাইজৰ স্বাস্থ্য আৰু চিকিৎসাৰ দিশত এনে পৰিস্থিতি সৃষ্টি হোৱাত সৰ্বসাধাৰণ ৰাইজ বিবুধিত পৰিছে।

## চিকিৎসক অবিহনেই চলিছে চিকিৎসালয়




## অৰুণাচলত নহয় ভূটানতহে নতুন গাঁও নিৰ্মাণ ৰঙা চীনৰ ঃ চীনা সংবাদ মাধ্যম

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ জানুৱাৰী ঃ** বিশ্বাসঘাতক ৰঙা চীনৰ আন এক ভাৰতবিৰোধী কাৰ্যকলাপৰূপে অৰুণাচল প্ৰদেশত গাঁও নিৰ্মাণ সন্দৰ্ভত নতুন তথ্য পোহৰলৈ আহিছে। কৃত্ৰিম উপগ্ৰহৰ আলোকচিত্ৰত ভাৰতীয় ভূমি উত্তৰ-পূৰ্বাঞ্চলৰ অৰুণাচল প্ৰদেশত চীনে নতুনকৈ গাঁও পাতি ১০১টা বাসগৃহ নিৰ্মাণ কৰাটো আলোকচিত্ৰত ধৰা পেলোৱাৰ পিছতে উৎকণ্ঠাই বিৰাজ কৰিছিল। কৃত্ৰিম উপগ্ৰহৰ জৰিয়তে ২০২০ চনৰ ১ নৱেম্বৰত সংগৃহীত আলোকচিত্ৰৰ তথ্য অনুসৰি ৰঙা চীনে সীমান্তৰ পৰা ৪.৫ কিলোমিটাৰ ভাৰতীয় ভূমিৰ ভিতৰত গাঁওখন নিৰ্মাণ কৰিছে। এই গাঁওখন আপাৰ সোৱণশিৰি জিলাৰ চাৰিশ্বু নদীৰ দাঁতিত নিৰ্মাণ কৰা হৈছে বুলি ভাৰতীয় সংবাদ মাধ্যমত প্ৰকাশ পাইছিল কিন্তু ভাৰতৰ ভূমি অৰুণাচলত নহয় ভূটানতহে এই নতুন গাঁও নিৰ্মাণ কৰিছে বুলি চীনা সংবাদ মাধ্যম টুইটাৰযোগে ৰাজহুৱা কৰিছে। চীনা সংবাদ মাধ্যমৰ টুইটাৰৰ তথ্য অনুসৰি ইতিমধ্যে ভাৰতীয় সংবাদ মাধ্যম এন ডি টিভিয়ে বাতৰি সম্প্ৰচাৰ কৰিছে। চীনা সংবাদ মাধ্যমৰ তথ্য অনুসৰি ৰঙা চীনে ভাৰত-চীন সীমান্তৰ পৰা ৯ কিলোমিটাৰ আৰু চীনৰ য়াদং জিলাৰ পৰা ৩৫ কিলোমিটাৰ নিলগৰ ভূটানস্থিত দোকলাম অঞ্চলত উক্ত নতুন গাঁওখন নিৰ্মাণ কৰিছে। যিটোৰ পাংদা গাঁও নামকৰণ কৰিছে। উক্ত গাঁওখন চীন-ভূটান সীমান্তৰ পৰা ২ কিলোমিটাৰ ভিতৰত অৱস্থান কৰিছে। যদিও চীনা সংবাদ মাধ্যমৰ এই তথ্য সম্পূৰ্ণ সত্য বুলি ক'ব পৰা নাই। উল্লেখ্য যে, হিমালয়ৰ পাদদেশৰ জম্মু-কাশ্মীৰৰ পৰা উত্তৰ-পূবৰ অৰুণাচল প্ৰদেশলৈকে চীন-ভাৰতৰ সীমা অতিক্ৰমী ৰঙা চীনে দখলদাৰী মনোভাব প্ৰদৰ্শন কৰি আহিছে। লাডাখৰ এলএচিৰ সমীপতে বিশাল পৰিমাণে সামৰিক বাহিনী মোতায়েন কৰাৰ লগতে সামৰিক ঘাটি স্থাপন কৰিছে।

# বিজেপি চৰকাৰৰ আমোলত সুৰক্ষিত নাৰীৰ স্বাভিমান ঃ বিজেপি মহিলা মৰ্চা



গুৱাহাটী প্ৰেছ ক্লাবৰ সন্মুখত মহিলা সাংবাদিকক দুৰ্ব্যৱহাৰৰ বিৰুদ্ধে প্ৰতিবাদ


**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ জানুৱাৰী ঃ** নাৰীৰ স্বাভিমানৰ প্ৰতি সংবেদনশীল, স্ত্ৰী শিক্ষাৰ প্ৰসাৰ আৰু নাৰী সৱলীকৰণৰ ক্ষেত্ৰত লোৱা বাস্তৱ আৰু দৃঢ় পদক্ষেপৰ বাবে সৰ্বানন্দ সোণোৱাল চৰকাৰক আন্তৰিকতাৰে ধন্যবাদ জনাইছে ভাৰতীয় জনতা পাৰ্টি, মহিলা মৰ্চাৰ সভানেত্ৰী অপৰাজিতা ভূঞাই কয়, যে অসমৰ বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামত বসৱাস কৰা জতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে মহিলা সমাজখনক শ্ৰদ্ধা ভক্তি সহকাৰে নিজ নিজ কৰ্মক্ষেত্ৰত আগবাঢ়ি যাবৰ বাবে চৰকাৰখনে গ্ৰহণ কৰা প্ৰতিটো পদক্ষেপ চিৰস্মৰণীয় হৈ ৰ'ব। তেওঁ কয় বিভিন্ন কৰ্মক্ষেত্ৰত পাৰদৰ্শিতা প্ৰদৰ্শন সক্ষম হোৱা অসমৰ নাৰীসকলক বৰ্তমানৰ চৰকাৰখনে বিভিন্ন প্ৰকাৰে উৎসাহিত কৰাই নহয় হিমা দাস, যমুনা বড়ো, লাভলীনা বুঢ়াগোহাঁইৰ দৰে সুদক্ষ খেলুৱৈক পৰৱৰ্তী প্ৰতিযোগিতাসমূহৰ বাবে নিজকে প্ৰস্তুত কৰিবলৈ উন্নত প্ৰশিক্ষণৰ ব্যৱস্থা আৰু আৰ্থিক সাহায্য প্ৰদান কৰি অসমৰ উঠি অহা যুৱতী মহিলাসকলকো উৎসাহিত কৰিছে। অস্কাৰৰ বাবে মনোনীত হোৱা ছবিখনৰ প্ৰমোচনৰ বাবে ৰিমা দাসক এক কোটি টকা সাহায্য আগবঢ়ায়। চৰকাৰখনে এক বহল মনৰ পৰিচয় দাঙি ধৰিছে। কেৱল সেয়াই নহয়, অসমৰ মাটিত মহিলা উদ্যোগীসকলক উৎসাহিত কৰাৰ বাবেও চৰকাৰখনে পদক্ষেপ গ্ৰহণ কৰিছে। এনে ক্ষেত্ৰত চৰকাৰখনক নাৰী বিদ্ৰোহী সজাবলৈ যোৱাটো মনেসজা ভিত্তিহীন আৰু ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত আৰু কংগ্ৰেছ দলে এই ক্ষেত্ৰত নিকৃষ্ট ৰাজনীতি অপৰাধ এক সামাজিক ব্যাধি। কোনো সুস্থ মগজুৰ ব্যক্তিয়ে নাৰীজনিত অপৰাধসমূহ সমৰ্থন নকৰে। নাৰীৰ বিৰুদ্ধে হোৱা অপৰাধ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰৰ কঠোৰ স্থিতিক প্ৰশংসা কৰি মহিলা মৰ্চাৰ সভানেত্ৰী অপৰাজিতা ভূঞাই কয়, যমুনামুখত সংঘটিত হোৱা বহু হত্যাকাৰীক গ্ৰেপ্তাৰ কৰি ফাৰ্ষ্টট্ৰেক আদালতত বিচাৰ কৰি শাস্তিৰ পৰ্যায়লৈকে নিয়াৰ কামত সোণোৱাল নেতৃত্বাধীন অসম চৰকাৰে। কেৱল সেয়াই নহয়, জম্মু-কাশ্মীৰৰ মাটিত সন্ত্ৰাসবাদীৰ গুলীত নিহত হোৱা শ্বহীদ জোৱানৰ পত্নীক উদ্দেশ্যি সামাজিক মাধ্যমত অশ্লীল মন্তব্য দিয়া যুৱকক অসম আৰক্ষীয়ে সুদুৰ কাশ্মীৰৰ পৰা কৰায়ত্ত কৰি আনি জে'ললৈ নিক্ষেপ কৰিছে এইখন চৰকাৰে। নাৰীজনিত অপৰাধ ৰোধৰ বাবে বিজেপি চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ আৰু দৃঢ়সংকল্প। যতেই নাৰীজনিত অপৰাধ সংঘটিত হৈছে তাতেই চৰকাৰৰ গৃহ বিভাগ কঠোৰ হৈছে। মহিলা কংগ্ৰেছৰ নেত্ৰীসকলক প্ৰত্যাহ্বান জনাই অপৰাজিতা ভূঞাই কয়, কংগ্ৰেছৰ আমোলত হত্যা-ধৰ্ষণ, অপসৰণ, শ্লীনতা হানি হোৱা বহু মহিলাই যুগ যুগ ধৰি ন্যায়ৰ পৰা বঞ্চিত হৈ আছিল। কংগ্ৰেছ আমোলৰ চৰকাৰসমূহে নিৰ্যাতিতা মহিলাৰ মৰ্মবেদনা উপলব্ধি কৰিব পৰা নাছিল। কিন্তু এইখন চৰকাৰে ফাৰ্ষ্টট্ৰেক ক'ৰ্টৰ ব্যৱস্থা কৰি নাৰীজনিত অপৰাধ বসতিপূৰ্ণ অঞ্চলত ৬ খনকৈ মহিলা বিদ্যালয় নিৰ্মাণৰ কাম হাতত লৈছে। মহিলা উদ্যোগীসকলৰ বাবে ষ্টাৰ্ট আপ ইণ্ডিয়া আঁচনি হাতত লৈছে, কনকলতা মহিলা সৱলীকৰণ আঁচনিৰ যোগেদি ২ লাখ মহিলা আত্মসহায়ক গোটক ঘূৰ্ণীয়মান পুঁজিৰ যোগানৰ কাম এইখন চৰকাৰে হাতত লৈছে। আনকি জনসংখ্যা নিয়ন্ত্ৰণৰ বাবে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা ভাৰতীয় জনতা পৰ্টি চৰকাৰে ৰাজ্যখনৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা যুৱতীসকলক স্কুটী প্ৰদান কৰা কামো এইখন চৰকাৰে কৰিছে। নাৰী সৱলীকৰণৰ ক্ষেত্ৰত শক্তিশালী ভূমিকা গ্ৰহণ কৰা চৰকাৰখনৰ সমালোচনা সেইসকলৰ কংগ্ৰেছ নেত্ৰীৰ মুখত শোভা নাপাই যিসকলে বনকৰা কিশোৰীৰ গাত গৰম পানী ঢালি আসুৰিক তৃপ্তি লাভ কৰে। এনে কংগ্ৰেছী নেতাৰ আগে-পিছে ঘূৰি ফুৰা কংগ্ৰেছ নেত্ৰীয়ে বৰ্তমানৰ চৰকাৰখনক সমালোচনা কৰাতকৈ তেওঁলোকৰ চৰকাৰৰ আমোলত সংঘটিত হোৱা নাৰীজনিত অপৰাধৰ বাবে ৰাজহুৱাভাৱে ক্ষমা প্ৰাৰ্থনা কৰা উচিত বুলি ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ মহিলা মৰ্চাৰ সভানেত্ৰী অপৰাজিতা ভূঞাই প্ৰকাশ কৰিছে।



এসময়ৰ বিজেপিৰ শক্তিশালী নেত্ৰী মীৰা বৰঠাকুৰে মঙলবাৰে কংগ্ৰেছত যোগদান কৰাৰ পিছত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুণ বৰাৰ সৈতে

## গোগামুখত কেন্দ্ৰীয় ৰেচম ব'ৰ্ডৰ উদ্যোগত কৃষি মেলাত চাৰিগৰাকী কৃষকক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ১৯ জানুৱাৰী ঃ** কেন্দ্ৰীয় ৰেচম ব'ৰ্ডৰ অধীনত কেন্দ্ৰীয় মুগা-এৰী গৱেষণা আৰু প্ৰশিক্ষণ বস্ত্ৰ মন্ত্ৰণালয় ভাৰত চৰকাৰ লাহদৈগড় যোৰহাটৰ উদ্যোগত আজি গোগামুখত বন্য ৰেচম শিল্পৰ কৃষি মেলা অনুষ্ঠিত হৈ যায়। গোগামুখ ৰাজহুৱা প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত চাৰিগৰাকী ৰেচম শিল্পীক সম্বৰ্ধনা জনোৱা হয়। কৃষি মেলা উদ্বোধন কৰে ধেমাজি বিধানসভা সমষ্টিৰ বিধায়ক ডাঃ ৰণোজ পেগুৱে। তেওঁক সহযোগ কৰে এম এ চিৰ অধ্যক্ষ সুনীল কুমাৰ পেগু, মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ ছায়েঙীয়া আৰু কেন্দ্ৰীয় মুগা-এৰী গৱেষণা আৰু প্ৰশিক্ষণ মন্ত্ৰণালয় ভাৰত চৰকাৰ লাহদৈগড় যোৰহাটৰ সঞ্চালক জালাজা এছ কুমাৰে। অনুষ্ঠানত আদৰণী ভাষণ দি জালাজাই কয়— মুগা-এৰী শিল্প হৈছে পৃথিৱীৰ অন্যতম শ্ৰেষ্ঠ শিল্প। এই শিল্পৰ লগত জড়িত কৃষকসকলে নিজকে স্বাৱলম্বী কৰি তোলাৰ লগতে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। সম্প্ৰতি মুগা-এৰী শিল্পত নতুন যুগৰ সূচনা হৈছে । মুগা-এৰীপালক সকলক অনুপ্ৰেৰণা আৰু অধিক উন্নতি কৰিবলৈ ৰেচম বিভাগৰ পৰা অত্যাধুনিক আৰু বিজ্ঞানসন্মত পদ্ধতিৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে অধিক উৎপাদনৰ লক্ষ্য লোৱা হৈছে। মুগা-এৰীপালকসকলে বিচাৰিলে কেন্দ্ৰীয় ৰেচম ব'ৰ্ডৰ পৰা বিনামূলীয়া প্ৰশিক্ষণৰ ব্যৱস্থাও কৰা বুলি উপস্থিত ৰাইজক অৱগত কৰে। অনুষ্ঠানত উপস্থিত থাকি ধেমাজি বিধানসভা সমষ্টিৰ বিধায়ক ডাঃ ৰণোজ পেগুৱে কয়— আমাৰ গ্ৰামাঞ্চলৰ জনসাধাৰণে বিজ্ঞানসন্মতভাৱে কৃষিকৰ্ম কৰিবলৈ বহু দূৰ বাকী আছে । নিজৰ পথাৰৰ উৎপাদিত শস্যসমূহ নিজ ঘৰুৱা কামতে ব্যৱহাৰ কৰে। বাণিজ্যিক দিশটো মুঠেই গুৰুত্ব নিদিয়ে। বিজ্ঞানসন্মত পদ্ধতিৰে কৃষিকৰ্ম কৰিলে উৎপাদিত শস্যৰ মাত্ৰা বৃদ্ধি পায় আৰু ইয়ে উৎপাদিত শস্যক বাণিজ্যিকীকৰণত অভূতপূৰ্ব ভূমিকা পালন কৰে। মুগা-এৰী পালন এটা শিল্প। মুগা-এৰী পালনে লাখ লাখ লোকক স্বাৱলম্বিতাৰ পথ দেখুৱাই আহিছে। প্ৰণালী তথা শৃংখলাবদ্ধ সকলো কামেই একোগৰাকী লোকক সফলতাৰ দিশলৈ লৈ যায়। বৰ্তমান ৰেচম শিল্পৰ চাহিদা আকাশলংঘী। এযোৰ মুগা-এৰীৰ দাম ২৫-৩০ হাজাৰ টকা । এনে ক্ষেত্ৰত এই শিল্পক কৃষক ৰাইজে গুৰুত্ব সহকাৰে লৈ বাণিজ্যিকীকৰণত গুৰুত্ব দিব লাগে বুলি বিধায়ক পেগুৱে মন্তব্য আগবঢ়ায়। অনুষ্ঠানত উপস্থিত থাকি বক্তব্য আগবঢ়াই এম চিৰ অধ্যক্ষ সুনীল কুমাৰ পেগু, মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ ছায়েঙীয়া আদিয়ে। মুখ্য বক্তাৰ ভাষণ দিয়ে ৰেচম শিল্পৰ সঞ্চালক ড° যোগেশ দেউৰীয়ে । অনুষ্ঠানত কাৰিকৰী দিশত বক্তব্য আগবঢ়াই ৰেচম শিল্প বিজ্ঞানী ড° ডি মেচ, ড° এম চুতীয়া আদিয়ে। অনুষ্ঠানত ৰেচম শিল্পী বিকাশ দত্ত, দ্বিপেন গগৈ, প্ৰতিভা বসুমতাৰী, তিলকান্তি গগৈক ৰেচম শিল্পত দেখুওৱা পাৰদৰ্শিতাৰ বাবে ৰেচম ব'ৰ্ডৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়।




CHIMNEYS WITH APPS I R.O. WATER PURIFIER I HOBS I GAS STOVE I OTHER KITCHEN APPLIANCES

Abhayapuri-94350-22784 I Agartala-98560-93668 I Baihata chariali-94351-42568/98641-40488 I Bangaigaon-7002184811, 9435547654,9435121367 I Barpeta road-94350-17865 99541-41975 I Barpeta town -94350-25127 I Bhawanipur-7002206773 I Bandardewa-98649-84753 I Bijoynagar -99570-98392/94010-01157/94353-40662 I Boko-94010-02588 I Chaygaon-9435014549 I Dadara -98546-98027 I Dhupdhara-96785-16189 I Dhamaji-99546-51322 I Dhubri-94350-29279 I Diphu-94350-66701/94350-66643 I Dudhnoi-94357-21505/94351-28048 I Goalpara-70023-10904/88762-23858 I Golaghat-96132-30384 I Guwahati -94355-59057/97065-94950 I Hajo-94353-47024/88763-09327 I Hojai-94357-29521/84028-59256 I Jorhat -94350-53934/98541-06776 I Kharupitia -98541-44223 I Kokrajar-97070-29429/99548-88721/94354-81234 I Karimgunj-97061-39061 I Krishnai-88224-15337 I Lumding -94351-63327/97066-14137 I Mangaldoi -94350-87284/94351-86435/97065-39174/73994-79163 I Mirza-98540-71983/99572-81858 I Morigaon -94350-64986/80111-17171 I North lakhimpur-88224-21077 I Nagaon-97061-79408/94355-18665 I Nalbari -98644-14515/98540-30209 I Pathsala-80110-06658 I Dhekiajuli-98548-29934 I Dibrugarh-98548-11265 I Rangia -94351-05888/96782-26563 I Silchar -97061-39061/70054-86129 I Silapathar-70028-94393 I Shillong-90869-66640 I Suwalkuchi -98643-54859 I Tinsukia-94350-35156/94350-35511/94350-36463 I Tezpur-97060-73481 I Tihu-97068-53124 I Udalguri-97063-46492

Trade enq. 9435146909/9435559057/9435559056 www.capsindia.in Toll Free: 1800 103 4646

শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালতত হে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি